www.asombarta.in

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361

উপদেশ দিয়া মানুহজনতকৈ উপদেশ বিচৰা মানুহজন প্ৰায়েই শ্ৰেষ্ঠতৰ বুলি প্ৰমাণিত হয়। – কাৰ্ল ফন নোবেল

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

প্ৰথম বছৰ | সংখ্যা- ৩৪২ | শুকুৰবাৰ | ২৩ অক্টোবৰ, ২০২৬ চন | Volume/Year- I | Issue- 342 | Friday | 23rd October, 2026 | Asom Barta, Majuli | PRGI Reg. No.- ASASS/25/A2361 | Price- Rs. 10 | Total Page-8

■ বিৰোধীয়ে পৰাজয়ৰ দায় নিৰ্বাচন আয়োগৰ ওপৰত দিয়ে ঃ গৃহমন্ত্ৰী ■

# কংগ্ৰেছক অহা ৩০ বছৰলৈ সুযোগ নিদিয়ে বিজেপিয়ে

### যমুনা নদীৰ পবিত্ৰতা আৰু পৰিষ্কাৰৰ বাবে ৮, ৯৪১ কোটি টকাৰ প্ৰকল্পৰ শুভাৰম্ভ

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২২ অক্টোবৰ ঃ** 'ভোট চুৰি'ৰ অভিযোগক লৈ বিৰোধী দলৰ নেতা ৰাহুল গান্ধীক তীব্ৰ সমালোচনা কৰিছে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে। তেওঁ মন্তব্য কৰে যে ৰাহুল গান্ধীয়ে যি কৰিলেও লাভ নহ'ব আৰু কংগ্ৰেছক অহা ৩০ বছৰলৈকে ক্ষমতালৈ অহাৰ সুযোগ নাহে। আজি যমুনা নদীৰ পবিত্ৰতা আৰু পৰিষ্কাৰৰ বাবে ৮, ৯৪১ কোটি টকাৰ এক প্ৰকল্পৰ শুভাৰম্ভ কৰি গৃহমন্ত্ৰীগৰাকীয়ে এই কথা কয়। এই কাৰ্যসূচীত ভাষণ দি তেওঁ বিৰোধী দলসমূহকো তীব্ৰ সমালোচনা কৰে। গৃহমন্ত্ৰী শ্বাহে কয় যে কংগ্ৰেছ আৰু ইয়াৰ সহযোগী দলসমূহে বিজেপিৰ ওপৰত 'ভোট চুৰি'ৰ অভিযোগ তুলে, কিন্তু তেওঁলোক নিজেই কেইবাখনো ৰাজ্যত দশক ধৰি ক্ষমতাৰ বাহিৰত আছে। তেওঁৰ মতে, কংগ্ৰেছে নিৰ্বাচনত পৰাজয়ৰ পিছত কেতিয়াবা ইভিএম, কেতিয়াবা ভোটাৰ তালিকা আৰু কেতিয়াবা নিৰ্বাচন আয়োগৰ ওপৰত প্ৰশ্ন তুলি আহিছে। গৃহমন্ত্ৰীগৰাকীয়ে অভিযোগ কৰে যে ৰাহুল গান্ধী আৰু তেওঁৰ সতীৰ্থসকলে অনুপ্ৰৱেশকাৰীসকলৰ ভোট ৰক্ষা কৰাৰ উদ্দেশ্যে 'ভোট চুৰি'ৰ প্ৰসংগ উত্থাপন কৰিছে। তেওঁ কয় যে বিজেপিয়ে জনসাধাৰণৰ সমৰ্থনত নিৰ্বাচনত জয়লাভ কৰে। ❑ ৬ পৃষ্ঠাত



## গৃহমন্ত্ৰী অমিত শ্বাহৰ জন্মদিনত দেশজুৰি শুভেচ্ছা

### অভ্যন্তৰীণ নিৰাপত্তা সুদৃঢ় কৰা, মাওবাদ দমন আৰু ড্ৰাগছমুক্ত ভাৰতৰ অভিযানলৈ প্ৰশংসা



**নিউজ ডেস্ক, অসম বাৰ্তা, ২২ অক্টোবৰ ঃ** কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ জন্মদিন উপলক্ষে দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ পৰা অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মালৈকে বহু ৰাজনৈতিক নেতাই শুভেচ্ছা ❑ ৬ পৃষ্ঠাত

## কাৰ্বি আংলং জিলাৰ কংগ্ৰেছৰ সভাপতিৰ কংগ্ৰেছ দল ত্যাগ

### দল ত্যাগৰ লগতে প্ৰাথমিক সদস্য পদো ত্যাগ আগ'ষ্টীন ইংহিৰ



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২২ অক্টোবৰ ঃ** কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ ২০২৭ চনত অনুষ্ঠিত হ'বলগীয়া সাধাৰণ নিৰ্বাচনৰ পূৰ্বে কংগ্ৰেছ দলত পুনৰ এক গুৰুত্বপূৰ্ণ আঘাত হানিবলৈ বিজেপি দলে প্ৰস্তুতি চলাইছে। এই পৰিপ্ৰেক্ষিতত পশ্চিম কাৰ্বি আংলং জিলা কংগ্ৰেছ সভাপতি ❑ ৬পৃষ্ঠাত

### দিল্লীত ত্ৰিপুৰাৰ যুৱকক বৰ্ণ বৈষম্যমূলক আচৰণ

## কণ্টেণ্ট ক্ৰিয়েটৰ আমিৰ শ্বোকিনক গ্ৰেপ্তাৰ দিল্লী আৰক্ষীৰ



**নিউজ ডেস্ক, অসম বাৰ্তা, ২২ অক্টোবৰ ঃ** উত্তৰ-পূৰ্বৰ এজন যুৱকক 'চাইনীজ' বুলি উপলুঙা কৰি গালি-গালাজ কৰাৰ অভিযোগত এজন কনটেণ্ট ক্ৰিয়েটৰক গ্ৰেপ্তাৰ কৰা হৈছে। অভিযুক্তজনক আমিৰ শ্বোকিন বুলি চিনাক্ত কৰা হৈছে। সামাজিক মাধ্যমত সংশ্লিষ্ট ভিডিঅ' আপলোড কৰাৰ পাছতে এই ঘটনাই তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰে আৰু ত্ৰিপুৰা ❑ ৬ পৃষ্ঠাত

## খেল মহাৰণৰ তৃতীয় সংস্কৰণত অভিলেখ পঞ্জীয়ন

### ৪০ লাখৰো অধিক যুৱক-যুৱতীৰ নাম

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ২২ অক্টোবৰ ঃ** ৰাজ্যত অহা ৭ নৱেম্বৰৰ পৰা আৰম্ভ হ'বলগীয়া খেল মহাৰণৰ তৃতীয় সংস্কৰণৰ বাবে ৪০ লাখৰো অধিক যুৱক-



যুৱতীয়ে পঞ্জীয়ন কৰিছে। মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ৰ সূত্ৰই প্ৰকাশ কৰা অনুসৰি, এই অভিলেখসংখ্যক পঞ্জীয়নে ৰাজ্যৰ যুৱ প্ৰজন্মৰ মাজত ক্ৰীড়াৰ প্ৰতি আগ্ৰহ, উদ্যম আৰু প্ৰতিভা বৃদ্ধি পোৱাৰ কথা প্ৰমাণ কৰে। উল্লেখযোগ্য যে গাঁৱৰ খেল-পথাৰৰ পৰা ৰাজ্যিক পৰ্যায়লৈ প্ৰতিভা সন্ধান, প্ৰতিভা বিকাশ আৰু ক্ৰীড়াৰ জৰিয়তে যুৱ সমাজক শক্তিশালী কৰাৰ লক্ষ্যৰে এইবাৰ খেল মহাৰণ অধিক ব্যাপক আৰু ৰোমাঞ্চকৰ ৰূপত আয়োজন কৰা হ'ব। প্ৰতিযোগিতাখনৰ জৰিয়তে ৰাজ্যৰ ক্ৰীড়া-সংস্কৃতিক অধিক উন্নত কৰাৰ লগতে ক্ৰীড়া আন্তঃগাঁথনিও সবল কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে। জানিব পৰা মতে, ১ নৱেম্বৰত খেল মহাৰণ আনুষ্ঠানিকভাৱে ❑ ৬ পৃষ্ঠাত

## জিঅ' প্লেটফৰ্মছৰ আইপিঅ'ত দ্বিতীয় দিনাও ব্যাপক সঁহাৰি

### QIB শাখাত ৯.৪২ গুণ আবেদন



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২২ অক্টোবৰ ঃ** বৃহস্পতিবাৰ, ২২ অক্টোবৰত জিঅ' প্লেটফৰ্মছৰ আইপিঅ'ই দ্বিতীয় দিনাও বিনিয়োগকাৰীৰ পৰা ব্যাপক সঁহাৰি লাভ কৰিছে। আইপিঅ'ৰ দ্বিতীয় দিনাও সৰ্বাধিক অংশগ্ৰহণ কৰিছে কোৱালিফাইড ইনষ্টিটিউচনেল বায়াৰ্ছ (QIB) শাখাই। ৩০, ২১৩ কোটি টকাৰ এই আইপিঅ'ত পুৱা ৯.৩৯ বজালৈকে সামগ্ৰিকভাৱে ৩.২৭ গুণ আবেদন জমা পৰিছে। ষ্টক এক্সচেঞ্জৰ তথ্য অনুসৰি, QIB শাখাত সংৰক্ষিত শ্বেয়াৰৰ ❑ ৬ পৃষ্ঠাত

### ভূৰাগাঁৱৰ বাঘউঠাত জঘন্য হত্যাকাণ্ড ঃগ্ৰেপ্তাৰ তিনি হত্যাকাৰী

## মহিলাক নৃশংসভাৱে হত্যা কৰি দুদিন ধৰি ঘৰৰ ভিতৰত লুকুৱাই ৰাখিলে মৃতদেহ



**অসম বাৰ্তা, ভূৰাগাঁও, ২২ অক্টোবৰ ঃ** মৰিগাঁও জিলাৰ ভূৰাগাঁও আৰক্ষীৰ তৎপৰতাত পোহৰলৈ আহিল শীতল মগজুৰে এগৰাকী মহিলাক নৃশংসভাৱে হত্যা কৰি স্বাভাৱিক মৃত্যুৰ ৰূপ দিব বিছৰাৰ নিকৃষ্ট ষড়যন্ত্ৰৰ ঘটনা। ভূৰাগাঁও থানাৰ অন্তৰ্গত গেৰুৱাৰ বাঘউঠা গাঁৱত সংঘটিত হৈছিল এক নৃশংস হত্যাকাণ্ড। আৰক্ষীৰ তদন্তত পোহৰলৈ ❑ ৬পৃষ্ঠাত

### পশ্চিম এছিয়াৰ পৰিস্থিতি আৰু সন্ত্ৰাসবাদৰ বিৰুদ্ধে যুটীয়া সংকল্প লৈ আলোচনা

## ইজৰাইলৰ স্বাধীনতা দিৱস উদযাপনলৈ মোদীক আমন্ত্ৰণ নেতান্যাহুৰ



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২২ অক্টোবৰ ঃ** ইজৰাইলৰ প্ৰধানমন্ত্ৰী বেঞ্জামিন নেতান্যাহুৱে বৃহস্পতিবাৰে ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সৈতে টেলিফোনিক বাৰ্তালাপত মিলিত হয়। এই বাৰ্তালাপত নেতান্যাহুৱে মোদীক ইজৰাইলৰ স্বাধীনতা দিৱস উদযাপনত উপস্থিত থাকিবলৈ আমন্ত্ৰণ জনায়। টেলিফোনিক আলোচনাৰ পাছত নেতান্যাহুৱে নিজৰ 'এক্স' হেণ্ডেলত ❑ ৬ পৃষ্ঠাত

### ৰাভাই কিয় হোটেলত বাহৰ পাতিছিল আদি প্ৰশ্নৰ উত্তৰ বিচাৰি আৰক্ষীৰ অভিযান

## বঙাইগাঁৱৰ হোটেলৰ কোঠাৰ মজিয়াত পৰি থকা অৱস্থাত উদ্ধাৰ DSP খৰ্গেশ্বৰ ৰাভাৰ মৃতদেহ



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২২ অক্টোবৰ ঃ** দুৰ্গা পূজাৰ উছাহৰ মাজতে বঙাইগাঁও চহৰত সংঘটিত এক চাঞ্চল্যকৰ ঘটনাই ৰাজ্যৰ আৰক্ষী মহলত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। বঙাইগাঁও চহৰৰ হোটেল জাহ্নৱী ৰিজেন্সীৰ বন্ধ কোঠাত অসম আৰক্ষীৰ উপ-আৰক্ষী অধীক্ষক (ডিএছপি) খৰ্গেশ্বৰ ৰাভাৰ মৃতদেহ উদ্ধাৰ হৈছে। মুখ্যমন্ত্ৰীৰ দুৰ্নীতি নিবাৰক আৰু তদাৰকী কোষত কৰ্তব্যৰত এই বিষয়াগৰাকীৰ মৃত্যুৱে এতিয়া বহু প্ৰশ্নৰ সৃষ্টি কৰিছে। ঘটনা সম্পৰ্কে জানিব পৰা মতে, যোৱা ১৮ অক্টোবৰত কিশোৰ হালৈ নামৰ এজন ব্যক্তিয়ে হোটেল জাহ্নৱী ৰিজেন্সীত ডিএছপি খৰ্গেশ্বৰ ৰাভাৰ বাবে কোঠা বুক ❑ ৬ পৃষ্ঠাত

■ ভাৰতত পোলেণ্ডৰ প্ৰধানমন্ত্ৰী ড'নাল্ড টস্ক ■

## হায়দৰাবাদ হাউচত মোদী-টস্কৰ যুটীয়া সংবাদমেল



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২২ অক্টোবৰ ঃ** বিশ্বজুৰি অনিশ্চয়তা আৰু ৰাজনৈতিক অস্থিৰতা বৃদ্ধি পোৱাৰ সময়ত ভাৰত আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বক সমগ্ৰ বিশ্বৰ বাবে "আশাৰ ৰেঙণি" বুলি অভিহিত কৰিছে পোলেণ্ডৰ প্ৰধানমন্ত্ৰী ড'নাল্ড টস্কই। বৃহস্পতিবাৰে নতুন দিল্লীৰ হায়দৰাবাদ হাউচত প্ৰধানমন্ত্ৰী মোদীৰ সৈতে যুটীয়া বক্তব্য প্ৰদান কৰি তেওঁ এই মন্তব্য কৰে। তেওঁ কয় যে ভাৰত আৰু পোলেণ্ডৰ মাজত বিশ্বাস, উমৈহতীয়া মূল্যবোধ আৰু সহযোগিতাৰ ভেটিত গঢ়ি উঠা সম্পৰ্ক ভৱিষ্যতে আৰু অধিক সুদৃঢ় হ'ব। পোলেণ্ডৰ প্ৰধানমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে যে গোলকীয় পৰিস্থিতিত ভাৰত আৰু প্ৰধানমন্ত্ৰী মোদীৰ ভূমিকা তেওঁৰ দেশে বিশেষ গুৰুত্ব সহকাৰে বিবেচনা কৰে। তেওঁ মন্তব্য কৰে, "বিশ্বজুৰি প্ৰধানমন্ত্ৰী হিচাপে ❑ ৬ পৃষ্ঠাত

■ কৰ ৰচিদ ৰাজহুৱা কৰাৰ দাবী বিজেপিৰ ■

## ভগৱন্ত মানৰ বিৰুদ্ধে ফ্ৰান্সৰ পৰা ২১ লাখ টকাৰ বিলাসী সামগ্ৰী ক্ৰয়ৰ অভিযোগ



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২২ অক্টোবৰ ঃ** দিল্লী বিমানবন্দৰত পঞ্জাৱৰ মুখ্যমন্ত্ৰী ভগৱন্ত মানক প্ৰায় তিনি ঘণ্টা ধৰি আবদ্ধ কৰি ৰখা আৰু শুল্ক বিভাগে ৫০ হাজাৰ টকা জৰিমনা বিহাৰ ঘটনাক লৈ ৰাজনৈতিক বিতৰ্ক অব্যাহত আছে। আম আদমি পাৰ্টীয়ে এই ঘটনাক কেন্দ্ৰীয় চৰকাৰৰ হেঁচা আৰু মুখ্যমন্ত্ৰীৰ প্ৰতি অসন্মানজনক ব্যৱহাৰ বুলি দাবী কৰি থকাৰ সময়তে বিজেপিয়ে ভগৱন্ত মানে বিলাসী সামগ্ৰী ক্ৰয় কৰাৰ অভিযোগ উত্থাপন কৰিছে। বিজেপিৰ অভিযোগ অনুসৰি, পঞ্জাৱৰ মুখ্যমন্ত্ৰীগৰাকীয়ে পূৰ্বে ঘোষণা নকৰাকৈ ফ্ৰান্সৰ ❑ ৬ পৃষ্ঠাত

## ফ্ৰান্সত হিংসাত্মক পৰিস্থিতি ঃ প্ৰবাসী আৰু ভ্ৰমণকাৰী ভাৰতীয়লৈ কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দেশনা

### ভাৰতীয় দূতাবাসৰ সতৰ্কতা; জৰুৰী সহায়ৰ বাবে দুটা হেল্পলাইন নম্বৰ মুকলি

**নিউজ ডেস্ক, অসম বাৰ্তা, ২২ অক্টোবৰ ঃ** ফ্ৰান্সত অব্যাহত থকা হিংসাত্মক পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত কেন্দ্ৰীয় চৰকাৰে দেশখনত অৱস্থান কৰা প্ৰবাসী ভাৰতীয়ৰ লগতে ফ্ৰান্স ভ্ৰমণ কৰিবলগীয়া ভাৰতীয় নাগৰিকসকলৰ বাবে কেইবাটাও নীতি-নিৰ্দেশনা জাৰি কৰিছে। এই পৰিস্থিতিত ফ্ৰান্সস্থিত ভাৰতীয় দূতাবাসেও প্ৰবাসী ভাৰতীয়সকলক সতৰ্ক হৈ ❑ ৬ পৃষ্ঠাত

### গৃহ আৰু ৰাজনৈতিক বিভাগৰ সচিব দেৱপ্ৰসাদ মিশ্ৰ অধ্যক্ষ

## অসমত উমৈহতীয়া দেৱানী বিধি, ২০২৬ ৰূপায়ণৰ লক্ষ্যৰে আঠজনীয়া সমিতি গঠন



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ২২ অক্টোবৰ ঃ** অসমত উমৈহতীয়া দেৱানী বিধি, ২০২৬ কাৰ্যকৰীভাৱে ৰূপায়ণ কৰাৰ লক্ষ্যৰে খচৰা নীতি-নিৰ্দেশনা প্ৰস্তুত কৰিবলৈ ৰাজ্য চৰকাৰে এখন আঠজনীয়া সমিতি গঠন কৰিছে। এই সন্দৰ্ভত সমিতিখনৰ সবিশেষ ৰাষ্ট্ৰপতিৰ অনুমোদনৰ বাবে কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণ কৰা হৈছে। ৰাজ্যৰ গৃহ আৰু ৰাজনৈতিক বিভাগে জাৰি কৰা জাননী অনুসৰি, উক্ত বিধি বলৱৎ কৰাৰ বিষয়ে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা সিদ্ধান্তক কাৰ্যকৰী ৰূপ দিয়াৰ উদ্দেশ্যে এই সমিতিখন গঠন কৰা হৈছে। জাননী অনুসৰি, ❑ ৬ পৃষ্ঠাত

### বিজেপিৰ 'গাদ্দাৰ' অভিযোগৰ প্ৰত্যুত্তৰত জয়ৰাম ৰমেশৰ জোৰদাৰ আক্ৰমণ

## ভোট চুৰি প্ৰমাণিত বাস্তৱ ঃ প্ৰধানমন্ত্ৰীৰ পৰিৱেশতন্ত্ৰই মিছা বিয়পাই সফল নহ'ব ঃ কংগ্ৰেছ




**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২২ অক্টোবৰ ঃ** বিৰোধী দলে "শাসন ব্যৱস্থা পৰিৱৰ্তনৰ চক্ৰান্ত" ৰচনা কৰি আছে বুলি বিজেপিয়ে উত্থাপন কৰা অভিযোগৰ তীব্ৰ প্ৰত্যুত্তৰ দিছে কংগ্ৰেছে। বৃহস্পতিবাৰে কংগ্ৰেছে কৰা এই প্ৰত্যুত্তৰত দলটোৰ যোগাযোগ বিভাগৰ ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক জয়ৰাম ৰমেশে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ পৰিৱেশতন্ত্ৰই নিজৰ হতাশা আৰু অস্থিৰতাৰ পৰা মনোযোগ আঁতৰাবলৈ, মানুহক বিচলিত কৰিবলৈ আৰু মিছা প্ৰচাৰ কৰিবলৈ চেষ্টা কৰিছে যদিও সেই চেষ্টা সফল নহ'ব। এই ৰাজনৈতিক বিতৰ্কৰ সূত্ৰপাত ঘটিছে ফ্ৰান্সত সংঘটিত হিংসা আৰু ভাৰতত শেহতীয়াকৈ মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰৰ পদত্যাগৰ দাবীত ❑ ৬ পৃষ্ঠাত

### আমেৰিকাৰ কৰ্মচাৰীসকলৰ বাবে নিৰাপত্তা নিৰ্দেশনা জাৰি

## ডাম্মাম বিমানবন্দৰত আক্ৰমণত এজন নিহত; আঠজন আহত




**অনলাইন ডেস্ক, অসম বাৰ্তা, ২২ অক্টোবৰ ঃ** ছৌদি আৰবৰ ডাম্মামস্থিত কিং ফাহদ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰত বুধবাৰে সন্ধিয়া সংঘটিত এক ভয়ংকৰ আক্ৰমণত এজন নিৰীহ লোকে প্ৰাণ হেৰুৱাৰ লগতে আন আঠজন লোক আহত হৈছে। ছৌদি আৰবৰ সাধাৰণ অসামৰিক বিমান পৰিবহণ কৰ্তৃপক্ষই এক আনুষ্ঠানিক বিবৃতি যোগে এই আক্ৰমণৰ বাতৰি নিশ্চিত কৰিছে। বিমান পৰিবহণ কৰ্তৃপক্ষই সামাজিক মাধ্যম 'এক্স'ত প্ৰকাশ ❑ ৬ পৃষ্ঠাত

### টি-২০ আন্তঃৰাষ্ট্ৰীয়ত ভাৰতৰ সৰ্ববৃহৎ ৰাণ চেজ

## প্ৰথম টি-২০ত নিউজিলেণ্ডক ৪ উইকেটত পৰাস্ত ভাৰতৰ



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২২ অক্টোবৰ ঃ** ভাৰত আৰু নিউজিলেণ্ডৰ মাজত অনুষ্ঠিত পাঁচখন মেচৰ টি-২০ শৃংখলাৰ প্ৰথমখন খেলত ভাৰতে ৪ উইকেটত জয়লাভ কৰিছে। ক্ৰাইষ্টচাৰ্চৰ হেগলি অ'ভেলত অনুষ্ঠিত এই খেলখনত জয়ৰ লগে লগে টিম ইণ্ডিয়াই পাঁচখনীয়া শৃংখলাটোত ১-০ ব্যৱধানত আগবাঢ়ি গৈছে। টছ জিকি ভাৰতৰ অধিনায়ক শ্ৰেয়াছ আয়াৰে প্ৰথমে বলিং কৰাৰ সিদ্ধান্ত লয়। প্ৰথমে বেটিং কৰি নিউজিলেণ্ডে ২০ অভাৰত ছটা উইকেট হেৰুৱাই ২২৫ ৰাণ সংগ্ৰহ কৰে। ভাৰতৰ বিৰুদ্ধে নিউজিলেণ্ডৰ এয়া সৰ্বোচ্চস্কৰ'ৰ। টছত হাৰি প্ৰথমে বেটিং কৰিবলৈ অহা নিউজিলেণ্ডক তেওঁলোকৰ অপেনাৰসকলে ভাল আৰম্ভণি দিছিল। ইয়াৰ প্ৰতিউত্তৰত ভাৰতে ১৯.৪ অভাৰত ৪টা উইকেট হেৰুৱাই লক্ষ্যত উপনীত হয়। ভাৰতৰ হৈ সঞ্জু চেমচনে ৬৭ ৰাণ আৰু অধিনায়ক শ্ৰেয়াছ আয়াৰে ৪২ ৰাণ কৰে। শেষত নমণ ধীৰে ছয় কোবাই জয় নিশ্চিত কৰে। তেওঁ ১৫টা বলত ৪২ ৰাণ কৰি অপৰাজিত হৈ থাকে। টি-২০ আন্তঃৰাষ্ট্ৰীয়ত ভাৰতে সৰ্ববৃহৎ লক্ষ্য অতিক্ৰম কৰাৰ নিজৰ অভিলেখ গঢ়িছে। ইয়াৰ পূৰ্বে ভাৰতে ২০২৩ চনত অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে আৰু ২০২৬ চনত নিউজিলেণ্ডৰ বিৰুদ্ধে ২০৯ ৰাণৰ ❑ ৬ পৃষ্ঠাত

# ৰজাঘৰীয়াসহ দৰঙত ২০০ দুৰ্গোৎসৱত দেৱী মাৰ চৰণত উছৰ্গা ম'হ

**অসম বাৰ্তা, মঙলদৈ, ২২ অক্টোবৰ ঃ** ৰাজ্যৰ অন্যান্য প্ৰান্তৰ লগতে শাৰদীয় দুৰ্গোৎসৱৰ আজি চতুৰ্থ দিনা দৰং জিলাতো ভক্তপ্ৰাণ ৰাইজৰ মাজত এক উখল-মাখল পৰিৱেশে বিৰাজ কৰিছে। বতৰ ফৰকাল হোৱাত মহা নৱমীত দেৱী দুৰ্গাক পূজা আৰাধনা কৰাৰ মানসেৰে মণ্ডপ সমূহত পুৱাৰ পৰা ভক্তপ্ৰাণ ৰাইজৰ সমাগম হোৱা পৰিলক্ষিত হয়। জিলাখনৰ মুঠ পাঁচখন আৰক্ষী থানা এলেকাত আয়োজন কৰা প্ৰায় দুশখন ৰাজহুৱা পূজাস্থলীৰ বেছি ভাগতে আধ্যাত্মিকতাৰ সৈতে সৃষ্টিশীল কলা আৰু আধুনিকতাৰ সমাহাৰ ঘটাই ভক্তপ্ৰাণ ৰাইজ আৰু দৰ্শনাৰ্থীক আকৰ্ষণ কৰাৰ প্ৰয়াস কৰা দেখা গৈছে। জিলাখনত উদ্‌যাপন কৰা পাঁচ দিনীয়া দুৰ্গোৎসৱ এইবাৰ প্লাষ্টিক মুক্ত কৰাৰ বাবে প্ৰশাসনে বিশেষ আহ্বান জনাইছে। প্ৰশাসনৰ আহ্বানৰ প্ৰতি সঁহাৰি জনাই মঙলদৈ শান্তিপাৰা ১ নং ৱাৰ্ডত উদয়ন সংঘৰ উদ্যোগত উদ্‌যাপন কৰা নৱম বাৰ্ষিক সৰ্বজনীন দুৰ্গা পূজাত পৰিৱেশৰ প্ৰতি ভাবুকি এবাৰ ব্যৱহাৰ যোগ্য প্লাষ্টিকৰ সামগ্ৰীৰ পৰিৱৰ্তে লুপ্ত হৈ পৰা পৰম্পৰাগত কল পটুৱাৰ ব্যৱহাৰ পুনৰুদ্ধাৰ কৰাৰ প্ৰয়াস কৰা দেখা গৈছে। মহা সপ্তমীৰ সন্ধিয়া পূজাস্থলী পৰিদৰ্শন কৰাৰ সময়ত জিলা আয়ুক্ত আয়ুষী জৈন আৰু জ্যেষ্ঠ আৰক্ষী অধীক্ষক শৰ্মিষ্ঠা বৰুৱাই এনে ব্যতিক্ৰম প্ৰয়াসৰ বাবে পূজা উদ্‌যাপন সমিতিখনক প্ৰশংসা কৰা বুলি উদ্যোক্তাসকলে জনায়। ইয়াৰ পূৰ্বে জিলাখনৰ দুই প্ৰশাসনিক মুৰব্বী জ্যেষ্ঠ বিষয়া দুগৰাকীক পূজা উদ্‌যাপন সমিতিৰ মহিলা বিষয়ববীয়াসকলে গামোচা, স্মাৰক আদিৰে সম্বৰ্ধনা জনায়। জিলা সদৰ মঙলদৈৰ আন সাৰ্বজনীন পূজা সমূহৰ ভিতৰত বামুণপাৰা আঞ্চলিক সৰ্বজনীন দুৰ্গা পূজা সমিতিয়ে স্থানীয় দুৰ্গা মন্দিৰত দেৱীৰ স্থায়ী মাৰ্বলৰ প্ৰতিমাৰ সন্মুখত মহালয়াৰ দিনটোৰ পৰাই বিস্তৃত কাৰ্যসূচীৰে দুৰ্গোৎসৱ উদ্‌যাপন কৰিছে। সেইদৰে মা মহালক্ষ্মী ছ'চাইটিৰ উদ্যোগত চহৰখনৰ ৩ নম্বৰ ৱাৰ্ড, লক্ষ্মীনাথ বেজবৰুৱা পথত আয়োজন কৰা পূজা, মঙলদৈ নাট্য মন্দিৰৰ কাষত শতবৰ্ষ অতিক্ৰম কৰা বাৰোৱাৰী পূজা, শান্তিপাৰা ১ নং ৱাৰ্ডত উদয়ন সংঘৰ নৱম বাৰ্ষিক পূজা, ১০ নম্বৰ ৱাৰ্ড ভেবাৰঘাট সৰ্বজনীন পূজা, টেঙাবাৰী তিনিআলি ৬ নং ৱাৰ্ডৰ উত্তৰ মঙলদৈ উন্নতি সাধিনী সভাৰ পূজা, গান্ধীস্মৃতি উদ্যানৰ সমীপত দৰং ক্লাবৰ পূজা, চপাই আঞ্চলিক দুৰ্গা পূজা, দৰং আৰক্ষী বেষ্টনীৰ পূজা আদিত মহা অষ্টমীৰ পুৱাৰ পৰাই ভক্তপ্ৰাণ ৰাইজ, দৰ্শনাৰ্থীৰ যথেষ্ট সমাগম পৰিলক্ষিত হৈছে। আৰক্ষীৰ এক সূত্ৰৰ মতে বিগত বছৰত দৰে এইবাৰো মঙলদৈ সদৰ থানা এলেকাত সৰ্বাধিক ৭৪ খন, খাৰুপেটীয়া থানা এলেকাত প্ৰায় ৫৫ খন, ছিপাঝাৰত প্ৰায় ৩৫, দলগাঁৱত ১৮খন আৰু ধুলা থানা এলেকাত ১২খন পূজা অনুষ্ঠিত হৈছে। প্ৰতি বছৰে জিলাখনত পূজাৰ সংখ্যা বৃদ্ধি পাই আহিছে। ২০২২ চনত ১৮৭খন পূজাৰ পৰা চলিত বৰ্ষত এই সংখ্যা প্ৰায় ২০০ খনলৈ বৃদ্ধি পায়। এই পূজা মণ্ডপসমূহৰ উপৰি জিলাখনৰ ঐতিহাসিক পদ্মা থান, আন মন্দিৰ, দেৱালয় আদি দুৰ্গতিনাশিনী দেৱী দুৰ্গাৰ স্তুতি, বন্দনাৰ ধ্বনিৰে আজি মুখৰ হৈ পৰিছে সমগ্ৰ পৰিৱেশ। আনহাতে, জিলা সদৰ মঙলদৈত থকা কোঁচ ৰজাৰ তিনিখন হাউলীত চাৰিশ দহ বছৰীয়া ঐতিহ্য আৰু ধৰ্মীয় পৰম্পৰা অক্ষুণ্ণ ৰাখি মুখ ৰক্তবৰ্ণা মুখৰ দেৱীক ৰণচণ্ডী ৰূপত পূজা অৰ্চনা কৰা হয়। ইয়াৰে বেজপাৰা গাখীৰ খোৱা হাউলীত আজি বিয়লি মহাঅষ্টমীৰ বৰ বলি প্ৰথাৰ অংশ হিচাপে তিনিটা ম'হ শক্তিৰ অধিষ্ঠাত্ৰী দেৱীৰ উছৰ্গা কৰা হয় বুলি কোঁচ ৰাজ পৰিয়ালৰ যুৱ সদস্য কুমাৰ ধৰ্মেন্দ্ৰ নাৰায়ণ দেৱে জনায়।

## নিজ হাতে প্ৰতিমা বিসৰ্জন দিলে ৰণজিৎ কুমাৰ দাসে

# বৰপেটাৰোডৰ বিষ্ণু জ্যোতি সৰোবৰত উখল-মাখল পৰিৱেশত দেৱী দুৰ্গাৰ বিসৰ্জন



**অসম বাৰ্তা, বৰপেটাৰোড, ২২ অক্টোবৰ ঃ** বৰপেটাৰোডৰ পূজাথলী তথা প্ৰতিমা বিসৰ্জন কেৱল আধ্যাত্মিকতাতে সীমাবদ্ধ হৈ থকা নাই এই বিসৰ্জন থলী এক পৰ্যটন ক্ষেত্ৰত পৰিণত হৈছে। ইয়াত ১০২খন পূজাৰ অধিকাংশ বৰপেটাৰোডৰ বিষ্ণু জ্যোতি সৰসবৰত বিসৰ্জন হৈছে আৰু ইয়াক চাবলৈ কেবা হেজাৰ লোক বাহিৰৰ পৰাও আহিছে। কিন্তু সকলো সুশৃংখলিত ভাবে আৰু আধ্যাত্মিকতাৰ মাজেৰে সম্পন্ন হৈছে। ইয়াৰ বাবে পূজা সমিতি সমূহ ধন্যবাদৰ পাত্ৰ। আজি বৰপেটাৰোড ৰ বিষ্ণু জ্যোতি সৰসবৰৰ বিসৰ্জনথলীত উপস্থিত থাকি অসম বিধানসভাৰ অধ্যক্ষ ৰণজিৎ কুমাৰ দাসে এই মন্তব্য প্ৰকাশ কৰে। তেওঁ কয় যে বৰপেটাৰোডৰ লগতে ভৱানীপুৰ সৰভোগ সমষ্টিৰ প্ৰায় ৭৮খন পূজা মণ্ডপ তেওঁ পৰিদৰ্শন কৰিছে আৰু এই পূজা মণ্ডপ সমূহে আধ্যাত্মবাদলৈকে পৰিণত হৈছে। আনহাতে আজি তেওঁ বৰপেটাৰোডৰ বিষ্ণু জ্যোতি সৰসবৰত বিসৰ্জন থলীত উপস্থিত থকাৰ লগতে বৰপেটাৰোড লায়ন্স ক্লাবৰ দ্বাৰা আয়োজন কৰা চৰ্বত বিতৰণ কাৰ্যসূচীতো অংশ লয়। ২০০৪ চনৰ পৰাই তেখেতে লায়ন্স ক্লাবৰ এই সমাজসেৱা মূলক কাৰ্যত সহযোগ কৰি অহাৰ উল্লেখ কৰাৰ লগতে বিধায়ক মন্ত্ৰী তথা বিধানসভাৰ অধ্যক্ষ হোৱাৰ পিছতো সেই কাৰ্য কৰি অহা বুলিও সদৰী কৰে। উল্লেখ আজি বৰপেটাৰোডৰ বিষ্ণু জ্যোতি সৰৱত বৰপেটৰোডৰ বিষ্ণু জ্যোতি সৰোৱৰত উখল মাল পৰিৱেশৰ মাজত বিজয়া দশমীৰ দেৱী দুৰ্গাৰ বিৰ্জন অনুষ্ঠিত হয়। যত উপস্থিত থাকে ভবাণীপুৰ সৰভোগ সমষ্টিৰ বিধায়ক তথা অসম বিধানসভাৰ অধ্যক্ষ ৰঞ্জিত কুমাৰ দাস। আজি বিজয়া দশমী উপলক্ষে দেশজুৰি ৫ দিনৰ দেৱীৰ পূজাৰ অন্তত আজি অশ্ৰুসিক্ত নয়নেৰে বিদায় দিয়া হৈছে দেৱী দুৰ্গাক। দুপৰীয়া প্ৰায় ২ বজাৰ পৰা বৰপেটা ৰোডৰ বিষ্ণু জ্যোতি সৰোৱৰত আৰম্ভ হোৱা উক্ত বিজয়া দশমীৰ অনুষ্ঠানত লাখ লাখ লোকৰ উপস্থিতিত মুঠ ১১২খন দেবী দুৰ্গাৰ মূৰ্তিৰ বিসৰ্জন হ'ব ইতিমধ্যে ৫০ৰ অধিক বিসৰ্জন অনুষ্ঠিত হয়। আজিৰ বিজয়া দশমীৰ অনুষ্ঠানত বৰপেটা ৰোডৰ বিষ্ণু জ্যোতি সৰোৱৰ প্ৰাঙ্গণত উপস্থিত থকাৰ লগতে বিসৰ্জন কাৰ্যসূচীত অংশগ্ৰহণ কৰে ভবাণীপুৰ সৰভোগ সমষ্টিৰ বিধায়ক তথা অসম বিধানসভাৰ অধ্যক্ষ ৰঞ্জিত কুমাৰ দাসে।

# শৰতৰ স্নিগ্ধতাত সুৰৰ মূৰ্ছনা

## গহপুৰৰ জ্যেষ্ঠ সংগীত শিল্পী যাদৱ চলিহা আৰু যমুনা বৰাৰ কণ্ঠত মুক্তি পালে 'কঁপে শুকুলা কহুঁৱা বন'

**অসম বাৰ্তা, গহপুৰ, ২২ অক্টোবৰ ঃ** শৰতৰ স্নিগ্ধতা, শেৱালিৰ সুবাস আৰু শুকুলা কহুঁৱা বনৰ মনোমোহা দৃশ্যপটক সুৰৰ মায়াজালেৰে সজাই ১৯ অক্টোবৰৰ নৱমীৰ সন্ধিয়া মুক্তি লাভ কৰিলে এটি নতুন আধুনিক গীত— 'কঁপে শুকুলা কহুঁৱা বন'। গহপুৰৰ জ্যেষ্ঠ সংগীত শিল্পী যাদৱ চলিহা আৰু কণ্ঠশিল্পী যমুনা বৰাৰ সুমধুৰ কণ্ঠৰে সজোৱা গীতটিয়ে শাৰদীয় প্ৰকৃতিৰ সৌন্দৰ্যৰ মাজত সংগীতপ্ৰেমীৰ মনত এক নতুন সুৰীয়া অনুভূতিৰ সৃষ্টি কৰাৰ প্ৰয়াস কৰিছে। বৰঙাবাৰীৰ মৰ্ণিং ষ্টাৰ হাইস্কুলৰ পৰিচালন সঞ্চালক তথা জ্যেষ্ঠ সংগীত শিল্পী যাদৱ চলিহাৰ কথা আৰু সংগীতেৰে প্ৰাণ পাই উঠা গীতটিত যাদৱ চলিহাৰ লগতে কণ্ঠদান কৰিছে কণ্ঠশিল্পী যমুনা বৰাই। দুয়োগৰাকী শিল্পীৰ কণ্ঠৰ সুমধুৰ সমাহাৰে গীতটিক এক সুকীয়া মাত্ৰা প্ৰদান কৰিছে। গহপুৰৰ জ্যেষ্ঠ সাংবাদিক তথা গীতিকাৰ ৰমেন বৰাৰ ব্যৱস্থাপনাত গীতটোৱে পূৰ্ণতা লাভ কৰে। গীতটোৰ সুৰৰ বিন্যাসতো যাদৱ চলিহা আৰু যমুনা বৰাৰ সৃষ্টিশীল অৱদান জড়িত হৈ আছে। শৰতৰ শেৱালিৰ সুবাস, দুবৰিৰ দলিচাত জিলিকি থকা নিয়ৰৰ টোপাল আৰু বতাহত হালি-জালি থকা কহুঁৱা বনৰ শুভ্ৰতাই প্ৰকৃতিৰ বুকুত যি মায়াময় পৰিৱেশৰ সৃষ্টি কৰে, সেই অনুভৱকেই সংগীতৰ ভাষাৰে প্ৰকাশ কৰাৰ প্ৰয়াস কৰা হৈছে 'কঁপে শুকুলা কহুঁৱা বন' গীতটিত। প্ৰকৃতি, প্ৰেম, অনুভৱ আৰু আৱেগৰ এক সুৰীয়া সমাহাৰ হিচাপে গীতটোৱে শ্ৰোতাৰ হৃদয় স্পৰ্শ কৰিবলৈ সক্ষম হ'ব বুলি আশাবাদী ইয়াৰ সৈতে জড়িত শিল্পীসকল। উল্লেখযোগ্য যে, শাৰদীয় বতৰত অসমীয়া আধুনিক সংগীতৰ জগতলৈ আগবঢ়োৱা এই নতুন গীতটিয়ে প্ৰকৃতিৰ সৌন্দৰ্য আৰু সংগীতৰ মাধুৰ্যৰ মাজত এক সুন্দৰ সংযোগ স্থাপন কৰিছে। শৰতৰ স্নিগ্ধতাক সুৰৰ মাজেৰে অনুভৱ কৰিব বিচৰা সংগীতপ্ৰেমীৰ বাবে 'কঁপে শুকুলা কহুঁৱা বন' এক মনপৰশা সংযোজন হিচাপে বিবেচিত হোৱাৰ সম্ভাৱনা আছে। শেৱালিৰ সুবাস, কহুঁৱাৰ দোলনি আৰু সুৰৰ মূৰ্ছনাৰে নৱমীৰ নিশা আত্মপ্ৰকাশ কৰা 'কঁপে শুকুলা কহুঁৱা বন' এতিয়া শাৰদীয় সংগীতৰ জগতত এক নতুন সংযোজন। সেই উপলক্ষে গহপুৰ নগৰৰ এম ডি আৰ্ট স্কুলত গহপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক, কবি, সাহিত্যিক বীৰেন কাথ হাজৰিকাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা গীত উন্মোচনী সভাখনত গীতটি আনুষ্ঠানিকভাৱে উন্মোচন কৰে বিশিষ্ট শিক্ষাবিদ, গীতিকাৰ তথা ছয়দুৱাৰ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ দিগন্ত গোহাঁইয়ে। যাদৱ চলিহাই উদ্দেশ্য ব্যাখ্যা কৰা সভাখনত যাদৱ চলিহাৰ প্ৰয়াত পত্নী ৰূপৰেখা বৰা চলিহাৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে ধৰ্মপ্ৰাণ ব্যক্তি পিতাম্বৰ হাজৰিকাই। উক্ত সভাত বিশিষ্ট শিক্ষাবিদ জগদীশ শৰ্মা, কবি-সাহিত্যিক সবিতা কোঁৱৰ, সংগীত শিল্পী বিজয় বৰা, অভিজিৎ বৰুৱা, জিতেন মহানন্দ প্ৰমুখ্যে বহু বিশিষ্ট ব্যক্তি উপস্থিত থাকি ভাষণৰ মাজেৰে যাদৱ চলিহাৰ সামাজিক দায়বদ্ধতা আৰু সৃষ্টিশীল কৰ্মৰাজিৰ বিষয়ে আলোকপাত কৰে। সুচাৰুৰূপে এখন বিদ্যালয় পৰিচালনা কৰাৰ উপৰিও ৰাস-ভাওনা, সংগীত, ভজন, নাম-কীৰ্ত্তন, ভাগৱত পাঠ আদিৰ জৰিয়তে জীৱনৰ মাদকতা বিচাৰি ভাল পোৱা যাদৱ চলিহা প্ৰকৃতাৰ্থত বিভিন্ন গুণৰ অধিকাৰী বহুমুখী প্ৰতিভাৰ এগৰাকী প্ৰতিভাশালী ব্যক্তি বুলি তেওঁলোকে ভাষণত উল্লেখ কৰে।

## নামনি মাজুলীৰ ২নং বৰগঞাত শ্ৰীশ্ৰী লক্ষ্মীপূজাৰ আয়োজন; ভাওনা প্ৰদৰ্শনৰ ব্যৱস্থা

**অসম বাৰ্তা, উজনী মাজুলী, ২২ অক্টোবৰ ঃ** মাজুলী জিলাৰ নামনি মাজুলীৰ ২ নং বৰগঞাৰ পামে চুবুৰীত অহা ২৫ অ'েবৰত দিনজোৰা কাৰ্যসূচীৰে শ্ৰীশ্ৰী লক্ষ্মীপূজা আয়োজন কৰা হৈছে। উক্ত পূজা উপলক্ষে সেইদিনা পুৱা পৰিৱেশ নিকাকৰণৰ পাছত গছপুলি ৰোপণ কৰিব সমাজকৰ্মী ধনাই পামেগামে। অনুষ্ঠানত বন্তি প্ৰজ্বলন কৰিব সমাজকৰ্মী পদ্মা পামেগামে। তাৰপিছত মূল নামঘৰত ৰাজহুৱা বৰসবাহ অনুষ্ঠিত হ'ব। উক্ত বৰসবাহত অঞ্চলৰ শ শ ৰাইজে নাম কীৰ্তন পৰিৱেশন কৰিব। সন্ধিয়া আঠ বজাৰ পৰা অসম ভিত্তিত ভাওনা প্ৰতিযোগিতাত স্থান লাভ কৰা বাচকবনীয়া শিল্পী বৃন্দৰ দ্বাৰা সেইদিনা ২ নং বৰগঞাৰ পামে চুবুৰীৰ নামঘৰত "শনিৰ দেৱত্ব প্ৰাপ্তি-গণেশৰ জন্ম কাহিনী গজাসুৰৰ মুক্তি লাভ" ভাওনা প্ৰদৰ্শন কৰা হ'ব। শংকৰ-মাধৱ দোহাৰ দলৰ দ্বাৰা পৰিচালিত হ'বলগীয়া উক্ত ভাওনা ভাগিত মাজুলীৰ ৰাইজৰ উপস্থিতি উক্ত লক্ষ্মীপ্ৰসাদ আয়োজক সমিতিৰ সভাপতি জগত পামেগাম আৰু সম্পাদক যুগল পামেগামে আন্তৰিকতাৰে কামনা কৰিছে।

# শিৱসাগৰত বিভিন্ন পূজা মণ্ডপত অংশগ্ৰহণ কৰি চৰকাৰী উন্নয়নৰ বিৰুদ্ধে তীব্ৰ ক্ষোভ প্ৰকাশ সাংসদ গৌৰৱ গগৈৰ

**অসম বাৰ্তা, গেলেকী, ২২ অক্টোবৰ ঃ** শিৱসাগৰ বিধানসভা সমষ্টিৰ বিভিন্ন প্ৰান্তত উপস্থিত হৈ দুৰ্গোৎসৱৰ আনন্দৰ মাজতে পূজা অৰ্চনা কৰে যোৰহাট লোকসভাৰ সাংসদ গৌৰৱ গগৈয়ে। আজি সাংসদগৰাকীয়ে শিৱসাগৰৰ ঐতিহাসিক ৰামখাপিঠ দেৱালয়ৰ লগতে দিখৌমুখ তেলীয়াদুঙা আৰু ভৰলুৱা তিনিআলিৰ বিভিন্ন পূজা মণ্ডপত উপস্থিত হৈ দেৱী দুৰ্গাৰ আশীৰ্বাদ গ্ৰহণ কৰে আৰু ৰাইজৰ মংগল কামনা কৰে। পূজা মণ্ডপ পৰিদৰ্শনৰ যাত্ৰাপথতে সাংসদ গগৈয়ে দিখৌমুখ ভৰলুৱা তিনিআলিৰ স্বাস্থ্য কেন্দ্ৰটোত উপস্থিত হৈ আকস্মিকভাৱে পৰিদৰ্শন কৰে। স্বাস্থ্য কেন্দ্ৰটিৰ বৰ্তমানৰ বিভিন্ন অভাৱ-অভিযোগ আৰু সমস্যাসমূহৰ বুজ লোৱাৰ সমান্তৰালকৈ তেওঁ স্থানীয় ৰাইজৰ সৈতে মত বিনিময় কৰে। ইফালে, যাত্ৰাকালত গৌৰীসাগৰৰ পৰা দিখৌমুখ অঞ্চললৈ যোৱা পথ আৰু অন্যান্য উন্নয়নমূলক কাম-কাজৰ গতি অতি লেহেমীয়া হোৱা দেখি সাংসদগৰাকীয়ে গভীৰ ক্ষোভ প্ৰকাশ কৰে। পৰৱৰ্তী সময়ত সাংবাদিকসকলৰ সৈতে হোৱা এক বাৰ্তালাপত তেওঁ বৰ্তমানৰ চৰকাৰখনক তীব্ৰ সমালোচনা কৰি কয় যে, চৰকাৰৰ দিনত বৰ্তমান সকলো উন্নয়ন কেৱল গুৱাহাটীকেন্দ্ৰিক হৈ পৰিছে, যাৰ বাবে গ্ৰামাঞ্চলসমূহ উন্নয়নৰ পৰা বঞ্চিত হ'বলগীয়া হৈছে।

# দাৱনদিয়াৰ ৭২নং অংগনৱাড়ী কেন্দ্ৰৰ শোচনীয় অৱস্থা

**অসম বাৰ্তা, কুমুল্লী পাৰা, ২২ অক্টোবৰ ঃ** বৰপেটা জিলাৰ কলগাছিয়া শিশু উন্নয়ন প্ৰকল্পৰ অধীনস্থ দাৱনদিয়া গাঁৱৰ ৭২ নং অংগনৱাড়ী কেন্দ্ৰটোৰ শোচনীয় অৱস্থাই শিশুসকলৰ অভিভাৱকসকলৰ মাজত তীব্ৰ উদ্বেগৰ সৃষ্টি কৰিছে। কেন্দ্ৰটোত নাই ঘৰৰ প্ৰয়োজনীয় টিনপাত, নাই খোৱা পানীৰ ব্যৱস্থা, আনকি নাই এটা শৌচাগাৰো। ফলত কণকণ শিশুসকলে এক সুস্থ, সুৰক্ষিত আৰু শিক্ষাৰ অনুকূল পৰিৱেশৰ পৰা বঞ্চিত হ'বলগীয়া হৈছে। শিশুসকলৰ প্ৰাথমিক শিক্ষা, পুষ্টি আৰু মানসিক বিকাশৰ ক্ষেত্ৰত অংগনৱাড়ী কেন্দ্ৰৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। জীৱনৰ আৰম্ভণিৰ এই সময়ছোৱাত শিশুসকলক উপযুক্ত পৰিৱেশ প্ৰদান কৰাটো অত্যন্ত প্ৰয়োজনীয়। কিন্তু দাৱনদিয়াৰ ৭২ নং অংগনৱাড়ী কেন্দ্ৰটোৰ বৰ্তমানৰ অৱস্থাই এই উদ্দেশ্যকেই যেন প্ৰশ্নৰ সন্মুখীন কৰিছে। এফালে ঘৰৰ টিনপাতৰ অভাৱ, আনফালে খোৱা পানী আৰু শৌচাগাৰৰ দৰে মৌলিক সুবিধাৰ অনুপস্থিতি- সকলো মিলি কেন্দ্ৰটোত শিশুসকলৰ বাবে উপযুক্ত পৰিৱেশ গঢ়ি তোলাৰ ক্ষেত্ৰত বাধাৰ সৃষ্টি কৰিছে। শিশুসকলৰ স্বাস্থ্য, সুৰক্ষা আৰু শিক্ষাৰ প্ৰতি লক্ষ্য ৰাখি কেন্দ্ৰটোৰ আন্তঃগাঁথনি উন্নত কৰাটো এতিয়া সময়ৰ আহ্বান। এই পৰিস্থিতিত শিশুসকলৰ অভিভাৱকসকলে চৰকাৰ তথা সংশ্লিষ্ট বিভাগীয় কৰ্তৃপক্ষৰ ওচৰত কাতৰ আহ্বান জনাইছে। তেওঁলোকৰ দাবী, কেন্দ্ৰটোৰ সমস্যাসমূহ শীঘ্ৰে সমাধান কৰি শিশুসকলৰ বাবে এখন সুন্দৰ, পৰিষ্কাৰ আৰু সুৰক্ষিত শিক্ষণ পৰিৱেশ গঢ়ি তোলাৰ ব্যৱস্থা কৰা হওক। কণকণ শিশুসকলৰ ভৱিষ্যৎ সুৰক্ষিত কৰাৰ স্বাৰ্থত সংশ্লিষ্ট কৰ্তৃপক্ষই বিষয়টোক গুৰুত্বসহকাৰে লৈ কেতিয়া ব্যৱস্থা গ্ৰহণ কৰে, সেয়া এতিয়া লক্ষণীয় হ'ব।

## তিনিচুকীয়া জিলাত শান্তিপূৰ্ণভাৱে সামৰণি পৰিল দুৰ্গোৎসৱ; চাৰি শতাধিক পূজা মণ্ডপত লক্ষাধিক ভক্তৰ সমাগম

# ষষ্ঠীত প্ৰতিষ্ঠা কৰা দেৱীক বিজয়া দশমীৰ সন্ধিয়া দিয়া হ'ল বিসৰ্জন



**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ২২ অক্টোবৰ ঃ** দেৱীৰ আগমনে কঢ়িয়াই অনা ভক্তি, আনন্দ আৰু উৎসাহৰ বৰ্ণিল পৰিৱেশৰ অৱসান ঘটাই অৱশেষত বিভিন্ন নদ-নদীত প্ৰতিমা বিসৰ্জনেৰে সামৰণি পৰিল পাঁচদিনীয়া শাৰদীয় দুৰ্গোৎসৱৰ। আজি বিজয়া দশমীৰ সন্ধিয়া দেৱী দুৰ্গাক বিদায় জনোৱাৰ লগে লগে ভক্তৰ মনত বিৰাজ কৰিলে এক বিষাদৰ অনুভূতিয়ে। অৱশ্যে এইবাৰ সপ্তমী তিথি দুদিনীয়া হোৱাৰ বাবে পৰম্পৰাগত পাঁচদিনৰ পৰিৱৰ্তে ছদিন ধৰি অনুষ্ঠিত হয় দুৰ্গোৎসৱৰ ধৰ্মীয় কাৰ্যসূচী। যোৱা শুকুৰবাৰে ষষ্ঠীৰ সন্ধিয়া বেলবোধন আৰু দেৱীৰ আবাহনেৰে আৰম্ভ হৈছিল শাৰদীয় দুৰ্গোৎসৱৰ মূল পৰ্ব। শনিবাৰ আৰু দেওবাৰে সপ্তমীৰ বিহিত পূজা, সোমবাৰে মহাষ্টমী আৰু মঙলবাৰে মহানৱমীৰ পূজা সম্পন্ন হোৱাৰ পাছত আজি দশমীৰ পূজা আৰু অপৰাজিতা পূজাৰে সামৰণি পৰে ধৰ্মীয় আচাৰ-অনুষ্ঠানৰ। পুৱা বিভিন্ন পূজামণ্ডপত দশমীৰ পূজা সম্পন্ন হোৱাৰ পাছত মহিলাসকলে পৰম্পৰাগত সেন্দূৰ খেলত অংশগ্ৰহণ কৰি ইজনে-সিজনক সেন্দূৰ সানি আনন্দ-উল্লাসত মতলীয়া হোৱা পৰিলক্ষিত হয়। ঢাক-ঢোলৰ গুমগুমনি, শংখধ্বনি আৰু উৰুলিৰ মাজত দেৱীৰ বন্দনাৰে মুখৰিত হৈ পৰা পূজামণ্ডপসমূহত বিয়লিৰ পৰা আৰম্ভ হয় বিসৰ্জনৰ প্ৰস্তুতি। আনন্দমুখৰ পৰিৱেশত ষষ্ঠীৰ বেদীত আদৰি অনা দেৱী দুৰ্গাক বিজয়া দশমীৰ সন্ধিয়া ভক্তসকলে অশ্ৰুসিক্ত নয়নেৰে বিদায় জনায়। প্ৰতিমা বিসৰ্জনৰ লগে লগে যেন ম্লান পৰিল বিগত কেইদিন ধৰি আলোকসজ্জা, ভক্তিগীত আৰু জনসমাগমেৰে উজলি থকা পূজামণ্ডপসমূহৰ উৎসৱমুখৰ পৰিৱেশ। দেৱীৰ বিদায়ৰ এই ক্ষণত ভক্তৰ প্ৰাৰ্থনা- অশুভ শক্তিৰ বিনাশ হওক, সমাজত সত্য, ন্যায় আৰু মানৱীয় প্ৰমূল্যবোধ প্ৰতিষ্ঠা হওক। প্ৰকৃতাৰ্থত, শাৰদীয় দুৰ্গোৎসৱ কেৱল ধৰ্মীয় অনুষ্ঠানেই নহয়; ই অসুৰ শক্তিৰ বিৰুদ্ধে শুভশক্তিৰ বিজয় আৰু সমাজত ঐক্য, সম্প্ৰীতি তথা সংস্কৃতিৰ প্ৰতিষ্ঠাৰো প্ৰতীক। এইবাৰ তিনিচুকীয়া সদৰ নগৰকে ধৰি জিলাখনৰ ডুমডুমা, শদিয়া, মাকুম, ডিগবৈ আৰু মাৰ্ঘেৰিটা সম-জিলাত চাৰি শতাধিক দুৰ্গাপূজাৰ আয়োজন কৰা হয়। ইয়াৰে ডুমডুমা সম-জিলাত অনুষ্ঠিত হয় ৫৮খন পূজা। পূজাৰ কেউটা দিনতে বিভিন্ন পূজামণ্ডপত ভক্তৰ সমাগম ঘটাৰ বিপৰীতে মহাষ্টমী আৰু মহানৱমীৰ নিশা তিনিচুকীয়া, মাকুম, ডুমডুমা, ডিগবৈ আৰু মাৰ্ঘেৰিটা নগৰত বিশেষভাৱে ব্যাপক জনসমাগম পৰিলক্ষিত হয়। তিনিচুকীয়া নগৰৰ কেইবাটাও পূজামণ্ডপত ভক্তৰ ভিৰে উৎসৱৰ উছাহ অধিক বৃদ্ধি কৰে। বিশেষকৈ নগৰখনৰ বালুগাদা অঞ্চলত ডুবাইৰ বিশ্ববিখ্যাত 'বুৰ্জ খলিফা'ৰ আৰ্হিত নিৰ্মাণ কৰা পূজামণ্ডপটোৱে ৰাইজৰ বিশেষ দৃষ্টি আকৰ্ষণ কৰে। এই ব্যতিক্ৰমী নিৰ্মাণশৈলী প্ৰত্যক্ষ কৰিবলৈ জিলাখনৰ বিভিন্ন প্ৰান্তৰ পৰা অহা ভক্ত আৰু দৰ্শনাৰ্থীৰ সমাগম ঘটে। উল্লেখযোগ্য যে, এইবাৰৰ দুৰ্গোৎসৱ তিনিচুকীয়া জিলাত সামগ্ৰিকভাৱে শান্তিপূৰ্ণ পৰিৱেশত অনুষ্ঠিত হয়। পূজাৰ সময়ছোৱাত জিলাখনৰ কোনো স্থানতে অপ্ৰীতিকৰ ঘটনা সংঘটিত হোৱাৰ বাতৰি এই পৰ্যন্ত পোৱা হোৱা নাই। উৎসৱৰ আনন্দ যাতে শান্তি-শৃংখলাৰ মাজত অব্যাহত থাকে, তাৰ বাবে তিনিচুকীয়া জিলা প্ৰশাসনৰ লগতে ডুমডুমা, শদিয়া, মাকুম, ডিগবৈ আৰু মাৰ্ঘেৰিটা সম-জিলা প্ৰশাসন তথা আৰক্ষী প্ৰশাসনে বিভিন্ন নিৰাপত্তামূলক ব্যৱস্থা গ্ৰহণ কৰিছিল। দেৱীৰ বিসৰ্জনৰ লগে লগে সামৰণি পৰিল এইবাৰৰ শাৰদীয় দুৰ্গোৎসৱৰ। তথাপি দেৱীৰ আগমনে কঢ়িয়াই অনা ভক্তি, সম্প্ৰীতি আৰু শুভশক্তিৰ জয়গান ৰৈ গ'ল মানুহৰ হৃদয়ত- পৰৱৰ্তী শাৰদীয় বতৰত পুনৰ দেৱীৰ আগমনৰ প্ৰতীক্ষাৰে।

# নলবাৰীৰ বিভিন্ন প্ৰান্তত অনুষ্ঠিত দুৰ্গা পূজাৰ শেষৰ দিনটোত বিজয়া দশমীৰে সফল সামৰণি

**অসম বাৰ্তা, বৰক্ষেত্ৰী, ২২ অক্টোবৰ ঃ** নলবাৰী জিলাৰ বিভিন্ন প্ৰান্তত অনুষ্ঠিত হোৱা শাৰদীয় দুৰ্গোৎসৱৰ আজি বিজয়া দশমীৰে সফল সামৰণি পৰে। নলবাৰী জিলাৰ বৰক্ষেত্ৰীৰ জাগাৰাত ছয়দিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে উদযাপিত ৪৫ সংখ্যক জাগাৰা সৰ্বজনীন শ্ৰীশ্ৰী দুৰ্গা পূজাৰ আজি বিজয়া দশমীৰে সামৰণি পৰে। ধৰ্মীয় ৰীতি-নীতি আৰু ভক্তিময় পৰিৱেশৰ মাজেৰে আজি সমূহ অঞ্চলবাসীয়ে মা দুৰ্গাক বিদায় জনায়। বিগত কেইবাদিনো ধৰি পূজা-অৰ্চনা, আই-নাম, নাগাৰা নামেৰে মুখৰিত হৈ আছিল পূজাস্থলী। দুৰ্গা পূজাৰ সময়চোৱাত বিভিন্ন প্ৰান্তৰ ভক্তসকলে পূজাস্থলীলৈ আহি পৰিয়াল তথা সমাজৰ সৰ্বমঙ্গল তথা শান্তি আৰু সমৃদ্ধি কামনা কৰি দেৱীৰ চৰণত সেৱা জনায়। উল্লেখ্য যে, এইবাৰৰ দুৰ্গা পূজাত ১৮ অক্টোবৰৰ সন্ধিয়া "মা-কুসুম মিনি থিয়েটাৰে" আৰু ১৯ অক্টোবৰৰ নিশা ভাগ্যদেৱী থিয়েটাৰে তিনিখনকৈ নাট প্ৰদৰ্শন কৰে। লগতে মাধৱজ্যোতি ৰাজখোৱা আৰু মুনমী দাসৰ 'গীতৰ শৰাই' অনুষ্ঠানেও দৰ্শকক আকৰ্ষণ কৰে। আনহাতে, দক্ষিণ পকোৱা বাঁহজানী সৰ্বজনীন দুৰ্গা পূজাই এইবেলি ৩৮ তম বৰ্ষ উপলক্ষে বিভিন্ন আধ্যাত্মিক কাৰ্যসূচী পালন কৰে। ১৯৮৯ চনত স্থাপিত দুৰ্গা মন্দিৰত অনুষ্ঠিত এই পূজাত ষষ্ঠীৰ পৰা বন্তি প্ৰজ্বলন, আতচবাজী প্ৰদৰ্শন, দেৱীৰ বোধন, জুবিন গাৰ্গলৈ ৰাজহুৱা শ্ৰদ্ধাঞ্জলি আৰু মন্দিৰ নিৰ্মাণৰ সাহায্যাৰ্থে 'চুপা চুপি' আৰু 'শ্ৰী ৰঘুপতি' বোলছবি প্ৰদৰ্শন কৰা হয়। ইফালে, কুমাৰীকাটা লক্ষ্মী বজাৰত ১৫ সংখ্যক বাৰ্ষিক সৰ্বজনীন দুৰ্গা পূজাও ৬ দিনীয়া কাৰ্যসূচীৰে উদ্‌যাপন কৰা হয়। মুঠতে, নলবাৰী জিলাৰ জাগাৰা, কুমাৰীকাটা, দক্ষিণ পকোৱা বাঁহজানীকে ধৰি বিভিন্ন প্ৰান্তত শাৰদীয় দুৰ্গোৎসৱ বৰ্ণাঢ্য আধ্যাত্মিক আৰু সাংস্কৃতিক কাৰ্যসূচীৰে উদযাপন কৰা হয়। আজি বিজয়া দশমীৰ দিনা দেৱী দুৰ্গাৰ ওচৰত ভক্তসকলে সেৱা জনাই পৰিয়াল তথা সমাজৰ মংগল, শান্তি আৰু সমৃদ্ধি কামনা কৰে। পৰম্পৰা অনুসৰি ধৰ্মীয় ৰীতি নীতি অনুসৰি দেৱীক বিদায় জনোৱাৰ মাজেৰে সামৰণি পৰে এইবাৰৰ দুৰ্গোৎসৱৰ।


**NAME CORRECTION**

My actual & correct name is SHAHEBA BEGUM, D/O- Sahab Uddin, which is recorded in my Birth Certificate where is mentioned the DOB as 03-01-1995, vide Registration No. 1183-BHPHC-/2014 on dated 18-03-2014. That, I got married with one Samsul Hoque, at Vill- Koimari, P.O.- Lakhiganj Bazar, Pin: 783345, P.S.- Bilasipara, Dist- Dhubri, Assam, and we lead together as husband and wife. That, but, in my Aadhaar Card, vide Aadhaar No. 6878 2007 5870, and also in my Pan Card, vide Pan No. DKHPB3100A, wherein my name has been recorded as SOLAHA BEWA & SOLAHA BIBI instead of my actual correct and surname is SHAHEBA BEGUM. I do hereby declare that SHAHEBA BEGUM, D/O- Sahab Uddin, and SOLAHA BEWA & SOLAHA BIBI, D/O - Sahab Uddin, is the same and one identical person i.e. myself.

S/d
SHAHEBA BEGUM
C/O: Samsul Haque
Vill: Koimari, P.O.:
Lakhiganj, Pin: 783345,
P.S.: Bilasipara
Dist: Dhubri, Assam

AB-198/2026


# দুধনৈত পণ্ডিত গৱেষক ৰাজেন ৰাভাৰ ১০৬ সংখ্যক জন্মজয়ন্তী উদ্‌যাপন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, দুধনৈ, ২২ অক্টোবৰ ঃ** গোৱালপাৰা জিলা সাহিত্য সভাৰ উদ্যোগত আৰু দুধনৈ স্বৰ্ণ শাখা সাহিত্য সভাৰ সহযোগত অসম সাহিত্য সভাৰ প্ৰাক্তন উপ-সভাপতি, পণ্ডিত গৱেষক তথা ৰাষ্ট্ৰীয় কৃতি শিক্ষক বঁটাপ্ৰাপক ৰাজেন ৰাভাদেৱৰ ১০৬ সংখ্যক জন্ম জয়ন্তী উদ্‌যাপন কৰা হয়। ১৮ অক্টোবৰত দুধনৈৰ দামৰা ৰোডস্থিত থেকাচু জ্ঞানদায়িনী পুথিভঁৰাল প্ৰাংগণত দিনযোৱা কাৰ্যসূচীৰে এই অনুষ্ঠান অনুষ্ঠিত হয়। কাৰ্যসূচী অনুসৰি, পুৱা ৰাজেন ৰাভাৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পণ কৰা হয়। ইয়াৰ পিছতে বৃক্ষৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। পৰৱৰ্তী সময়ত জিলা সভাৰ উপ-সভাপতি ইউছুফ আলীৰ সভাপতিত্বত মুকলি সভা তথা সাহিত্যনুষ্ঠান অনুষ্ঠিত হয়। এই সভাত "ৰাজেন ৰাভাৰ জীৱন আৰু কৃতি"ৰ ওপৰত আলোকপাত কৰি বক্তব্য ৰাখে বিকালী মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষা ড° মলিনা দেৱী ৰাভা আৰু দুধনৈ মহাবিদ্যালয়ৰ (স্বায়ত্বশাসিত) অধ্যক্ষ ড° ললিত চন্দ্ৰ ৰাভাই। মুকলি সভাত দুখনকৈ গ্ৰন্থ উন্মোচন কৰা হয়। জিলা সভাৰ সম্পাদক শিৱ প্ৰসাদ ৰাভা হাদুৰ গ্ৰন্থ "প্ৰাচীন বায়খো দাম ফেদাৰডোৱা" উন্মোচন কৰে ড° ললিত চন্দ্ৰ ৰাভাই আৰু দুধনৈ শাখা সভাৰ স্মৃতিগ্ৰন্থ "প্ৰজ্ঞাপট" উন্মোচন কৰে অসম সাহিত্য সভাৰ প্ৰাক্তন কাৰ্যনিৰ্বাহক সদস্য ভকত চেৰানে। অনুষ্ঠানটোত দুয়োখন সাহিত্য সভাৰ বিষয়ববীয়াসকলৰ লগতে বহু গণ্য-মান্য ব্যক্তি আৰু সাহিত্যপ্ৰেমী উপস্থিত থাকে।

# অশ্ৰুসিক্ত নয়নেৰে মা দুৰ্গাক বিদায়; লেংটিছিঙাৰ বিসৰ্জন ঘাটত অগণন ভক্তৰ সমাগম



**অসম বাৰ্তা, সৃজনগ্ৰাম, ২২ অক্টোবৰ ঃ** অশ্ৰুসিক্ত নয়ন, ভক্তিভৰা হৃদয় আৰু পুনৰ আগমনৰ আশাৰে মা দুৰ্গাক বিদায় জনালে লেংটিছিঙাৰ অগণন ভক্তই। আজি বিজয়া দশমী উপলক্ষে লেংটিছিঙাৰ বিসৰ্জন ঘাটত সৰ্বজনীন দুৰ্গোৎসৱৰ প্ৰতিমা বিসৰ্জন দিয়া হয়। ইয়াৰ লগে লগে সামৰণি পৰে এইবাৰৰ শাৰদীয় দুৰ্গোৎসৱৰ। ষষ্ঠীৰ দিনা বেদীত প্ৰতিষ্ঠা কৰা মা দুৰ্গাৰ প্ৰতিমাক বিগত কেইদিন ধৰি ভক্তি, শ্ৰদ্ধা আৰু পৰম্পৰাগত ৰীতি-নীতিৰে পূজা-অৰ্চনা কৰাৰ পাছত আজি বিসৰ্জন দিয়া হয়। মা দুৰ্গাক শেষ বিদায় জনাবলৈ বিসৰ্জন ঘাটত সমবেত হয় অসংখ্য ভক্ত। বিসৰ্জনৰ সময়ত ভক্তসকলৰ মাজত এক আৱেগিক পৰিৱেশৰ সৃষ্টি হয়। ভক্তি আৰু শ্ৰদ্ধাৰে মা দুৰ্গাক বিদায় জনোৱাৰ লগতে পৰৱৰ্তী বছৰলৈ পুনৰ আগমনৰ কামনা কৰে সকলোৱে। উল্লেখ্য যে, অভয়াপুৰী সমজিলাৰ আয়ুক্ত দ্বিপন বৰ্মনে ফিতা কাটি বিসৰ্জন কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। আইন-শৃংখলাৰ প্ৰতি লক্ষ্য ৰাখি সুশৃংখলভাৱে বিসৰ্জন কাৰ্যসূচী সম্পন্ন কৰা হয়। পৰম্পৰা আৰু ভক্তিৰ সমাহাৰেৰে অনুষ্ঠিত এই বিসৰ্জন কাৰ্যসূচীত ভক্তসকলৰ ব্যাপক উপস্থিতি পৰিলক্ষিত হয়। মা দুৰ্গাৰ প্ৰতিমা বিসৰ্জনৰ লগে লগে বিদায় লয় শাৰদীয় দুৰ্গোৎসৱে। অৱশ্যে, ভক্তসকলৰ হৃদয়ত ৰৈ যায় মা দুৰ্গাৰ প্ৰতি থকা অগাধ ভক্তি আৰু পৰৱৰ্তী বছৰত পুনৰ আদৰাৰ হেঁপাহ। মা দুৰ্গাৰ আশীৰ্বাদে সকলোৱে জীৱনলৈ সুখ, শান্তি আৰু সমৃদ্ধি কঢ়িয়াই আনক— এয়াই ভক্তসকলৰ একান্ত প্ৰাৰ্থনা।

## নিষ্ঠুৰ নিয়তিয়ে কাঢ়ি নিলে মোমায়েকসহ দুই কণমানি ভাগিনীৰ প্ৰাণ

# শাৰদীয় দুৰ্গোৎসৱৰ আনন্দৰ মাজতে গহপুৰত মৃত্যুৰ কিৰিলি

**অসম বাৰ্তা, গহপুৰ, ২২ অক্টোবৰ ঃ** চৌদিশে তেতিয়া শাৰদীয় দুৰ্গোৎসৱৰ আনন্দ-উল্লাস। ঢাক-ঢোলৰ শব্দ, পূজাৰ মণ্ডপে মণ্ডপে ভক্তৰ ভিৰ আৰু ৰঙীন পোহৰেৰে মুখৰিত হৈ আছিল চৌপাশৰ পৰিৱেশ। কিন্তু সেই আনন্দৰ মাজতে গহপুৰৰ ৰাজপথত নামি আহিল এক অবৰ্ণনীয় শোকৰ ছাঁ। ১৯ অ'ৈবৰৰ নৱমীৰ সন্ধিয়া প্ৰায় ৭.৩০ বজাত গহপুৰৰ ১৫ নং ৰাষ্ট্ৰীয় ঘাইপথত সংঘটিত এক ভয়ংকৰ পথ দুৰ্ঘটনাই মুহূৰ্তৰ ভিতৰতে থানবান কৰি পেলালে দুটি পৰিয়ালৰ সপোন, মৰম আৰু সুখৰ পৃথিৱী। নিষ্ঠুৰ নিয়তিয়ে কাঢ়ি নিলে মোমায়েকসহ দুই কণমানি ভাগিনীৰ প্ৰাণ। পূজাৰ আনন্দ উপভোগ কৰিবলৈ মৰমৰ মোমায়েকৰ সৈতে ওলাই যোৱা দুই কণমানিৰ বাবে সেই যাত্ৰাই হৈ পৰিল জীৱনৰ শেষ যাত্ৰা। যি হাতত ধৰি তেওঁলোকে পূজাৰ পোহৰ চাবলৈ ওলাই গৈছিল, সেই হাতখনেই আৰু কেতিয়াও তেওঁলোকক ঘৰলৈ ওভতাই নিব নোৱাৰিলে। তীব্ৰবেগী ট্ৰাকৰ খুন্দাত প্ৰাণ গ'ল তিনিওজনৰ। ঘটনাৰ বিৱৰণী অনুসৰি -গহপুৰ আৰক্ষী থানাৰ অন্তৰ্গত ১৫ নং ৰাষ্ট্ৰীয় ঘাইপথৰ টি এন টিৰ সমীপত সংঘটিত হয় এই শোকাৰহ পথ দুৰ্ঘটনা। গহপুৰ অভিমুখে গৈ থকা এছ ০৭ পি ৩১৪০ নম্বৰৰ এখন গ্লেমাৰ মটৰ চাইকেলৰ পিছফালে একে দিশেৰে গৈ থকা এছ ০৯ চি ৫১৪৭ নম্বৰৰ এখন তীব্ৰবেগী মালবাহী ট্ৰাকে খুন্দা মৰাৰ ফলত সংঘটিত হয় এই মৰ্মান্তিক দুৰ্ঘটনা। দুৰ্ঘটনাটোৰ ফলত মটৰ চাইকেলখনৰ চালক মাগনীপামৰ চন্দন চাহু (২৭)ৰ লগতে পিছৰ আসনত থকা তেওঁৰ দুই কণমানি ভাগিনী ৰিতিকা গুপ্তা(৮) আৰু কৃতিকা গুপ্তা(৫)ৰ ঘটনাস্থলীতে মৃত্যু হয়। এই শোকাৰহ ঘটনাৰ আটাইতকৈ হৃদয়বিদাৰক দিশটো হ'ল— চন্দন চাহু আছিল এছ এছ বিৰ এগৰাকী জোৱান। যোৱা প্ৰায় তিনি বছৰ পূৰ্বে চাকৰিত যোগদান কৰিছিল তেওঁ। কৰ্মস্থলীৰ পৰা পূজাৰ ছুটিত ঘৰলৈ অহা চন্দনে হেলেম আৰক্ষী থানাৰ অন্তৰ্গত মিছামাৰীৰ নিজৰ মৰমৰ দুই ভাগিনীয়েক ৰিতিকা আৰু কৃতিকাক পূজা দেখুৱাবলৈ বুলি গহপুৰলৈ নিছিল। সেই অনুসৰি উক্ত বাইকেৰে তিনিও গৈ আছিল গহপুৰত পূজা উপভোগ কৰিবলৈ। হয়তো দুই কণমানিৰ মনত আছিল পূজাৰ নতুন নতুন মণ্ডপ চোৱাৰ আনন্দ, ৰঙীন পোহৰ উপভোগ কৰাৰ হেঁপাহ আৰু মৰমৰ মোমায়েকৰ সৈতে কটোৱা কিছু মধুৰ মুহূৰ্তৰ সপোন। আনহাতে, মোমায়েক চন্দনৰ বাবেও ভাগিনীকেইজনীৰ মুখত হাঁহি বিৰিঙাই তোলাতকৈ আনন্দৰ কথা হয়তো একোৱেই নাছিল। কিন্তু কোনে জানিছিল, আনন্দৰ সেই যাত্ৰাই এনেদৰে মৃত্যুৰ দুৱাৰদলিত উপনীত হ'ব! কোনে কল্পনা কৰিছিল, পূজাৰ পোহৰ চাবলৈ ওলাই যোৱা তিনিটা জীৱন ঘূৰি আহিব কেৱল স্মৃতি হৈ! গহপুৰৰ এই শোকাৰহ দুৰ্ঘটনাই কেৱল তিনিটা অমূল্য জীৱন কাঢ়ি নিয়াই নহয়, উৎসৱৰ আনন্দৰ মাজতো সৃষ্টি কৰিলে গভীৰ বিষাদৰ। ৰিতিকা, কৃতিকা আৰু চন্দনৰ পৰিয়ালৰ বাবে এই ক্ষতি কিমান অসহনীয়, সেয়া ভাষাৰে প্ৰকাশ কৰা কঠিন। মৰমৰ মোমায়েকৰ সৈতে পূজা চাবলৈ যোৱা দুই কণমানিৰ লগতে মোমায়েক মৃতদেহ হৈ উভতি অহা কৰুণ দৃশ্যই আপোনজনৰ জীৱনলৈ নমাই আনিলে এক আজীৱন পূৰণ কৰিব নোৱাৰা শূন্যতা। এফালে দেৱী দুৰ্গাৰ আৰাধনা, আনফালে ৰাজপথত তিনিটা জীৱনৰ কৰুণ পৰিসমাপ্তি। এফালে উৎসৱৰ উল্লাস, আনফালে আপোনজনক হেৰুৱাই বুকু ভঙা কান্দোন। গহপুৰৰ এই হৃদয়বিদাৰক ঘটনাই পুনৰ এবাৰ সোঁৱৰাই দিলে— পথত সামান্য অসাৱধানতা, তীব্ৰ গতি আৰু নিৰাপত্তাৰ প্ৰতি অৱহেলাই মুহূৰ্ততে এখন সুখৰ সংসাৰক শোকৰ সাগৰত ডুবাই দিব পাৰে। নৱমীৰ নিশাৰ সেই কৰুণ স্মৃতিয়ে গহপুৰবাসীক বহুদিনলৈ ব্যথিত কৰি ৰাখিব। মৰমৰ মোমায়েক আৰু দুই কণমানি ভাগিনীৰ এই কৰুণ বিদায়ে এৰি গ'ল অজস্ৰ প্ৰশ্ন, বুকুভৰা বেদনা আৰু চকুলো টুকি ৰোৱাৰ এক অসহনীয় বাস্তৱতা। পূজাৰ আনন্দৰ মাজতে গহপুৰৰ ৰাজপথত যেন হেৰাই গ'ল তিনিটা জীৱনৰ হাঁহি। উল্লেখযোগ্য যে -কিৰণ গুপ্তা আৰু পূজা চাহুৰ দুই কন্যা ৰিতিকা গুপ্তা আৰু কৃতিকা গুপ্তা মিছামাৰীৰ ষ্টিলা মেৰিজ স্কুলৰ দ্বিতীয় আৰু ইউ কে জি শ্ৰেণীৰ ছাত্ৰী। মৃত্যুৰ সময়ত তেওঁলোকে পিতৃ মাতৃৰ লগতে এগৰাকী কণমানি ভগ্নীক ইহসংসাৰত এৰি থৈ গৈছে। ইপিনে নিহত চন্দন চাহুৱে পিতৃ মাতৃৰ লগতে দুগৰাকী ভগ্নী আৰু এগৰাকী ভাতৃক ইহসংসাৰত এৰি থৈ যায়। ইপিনে উক্ত দুৰ্ঘটনাটোৰ সন্দৰ্ভত নিহত চন্দন চাহুৰ পিতৃ মদন চাহুৱে গহপুৰ আৰক্ষী থানাত দাখিল কৰা এজাহাৰৰ ভিত্তিত ভাৰতীয় ন্যায় সংহিতাৰ ২৮১/১০৫ ধাৰাৰ অধীনত ১৬৫/২০২৬ নম্বৰত এটা গোচৰ ৰুজু কৰি আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে। দুৰ্ঘটনাটো সংঘটিত কৰা ট্ৰাকখনৰ চালক লখিমপুৰ জিলাৰ লিলাবাৰী আৰক্ষী থানাৰ অন্তৰ্গত জনবস্তিৰ মাইকেল মুচু(৩৮)ক গহপুৰ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰি বিশ্বনাথ জেল হাজোতলৈ প্ৰেৰণ কৰে। অভিযোগ অনুসৰি ট্ৰাকখনৰ চালকজনে অত্যাধিক সুৰাপান কৰি গাড়ী চলাইছিল।

# ভূৰবন্ধাত আনন্দ-উল্লাসৰ মাজেৰে মা দুৰ্গাৰ প্ৰতিমা বিসৰ্জন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, মৰিগাঁও, ২২ অক্টোবৰ ঃ** আজি পৱিত্ৰ বিজয়া দশমী। সমগ্ৰ দেশৰ লগতে মৰিগাঁও জিলাৰ ভূৰবন্ধাতো ধৰ্মীয় পৰম্পৰা আৰু ভক্তিভৰা পৰিৱেশৰ মাজেৰে সম্পন্ন কৰা হয় শ্ৰী শ্ৰী দুৰ্গা পূজাৰ প্ৰতিমা বিসৰ্জন কাৰ্যসূচী। ভূৰবন্ধা আঞ্চলিক সৰ্বজনীন শ্ৰীশ্ৰী দুৰ্গা পূজা উদযাপন সমিতিৰ উদ্যোগত আয়োজিত পূজাৰ অন্তিম দিনটোত ভক্তপ্ৰাণ ৰাইজৰ মাজত দেখা যায় আনন্দ, উলাহ আৰু আৱেগৰ এক অনন্য পৰিৱেশ। বিগত কেইবাদিনো ধৰি পূজা মণ্ডপত চলি থকা পূজা-অৰ্চনা, ধৰ্মীয় অনুষ্ঠান আৰু সাংস্কৃতিক কাৰ্যসূচীৰ সামৰণি পৰে বিজয়া দশমীৰ দিনা। পুৱাৰে পৰা পূজা মণ্ডপত ভক্তসকলৰ সমাগম ঘটে। পৰম্পৰাগত ৰীতি-নীতিৰে দেৱী দুৰ্গাৰ পূজা-অৰ্চনা সম্পন্ন কৰাৰ পিছত মা দুৰ্গাক বিদায় জনোৱাৰ বাবে প্ৰস্তুতি চলোৱা হয়। সময়ত আনন্দ-উল্লাস আৰু ভক্তিময় পৰিৱেশৰ মাজেৰে মা দুৰ্গাৰ প্ৰতিমা বিসৰ্জনৰ বাবে সোণাই নদীলৈ লৈ যোৱা হয়। নদীৰ বুকুত দেৱী দুৰ্গাৰ প্ৰতিমা বিসৰ্জন দিয়াৰ লগে লগে এইবাৰৰ দুৰ্গোৎসৱৰ আনুষ্ঠানিক সামৰণি পৰে। বিসৰ্জনস্থলীত উপস্থিত ভক্তসকলে দেৱী দুৰ্গাৰ আশিস গ্ৰহণ কৰি পৰৱৰ্তী বৰ্ষত পুনৰ দেৱীৰ আগমনৰ কামনা কৰে। উল্লেখ্য যে বিজয়া দশমী হৈছে অসুৰৰ ওপৰত শক্তি আৰু সত্যৰ বিজয়ৰ প্ৰতীক। এইপৱিত্ৰ দিনটোৱে সমাজত শান্তি, সম্প্ৰীতি, ভাতৃত্ববোধ আৰু ঐক্যৰ বাৰ্তা কঢ়িয়াই আনে।

## মানৱতাবাদী সংগঠন 'আশাৰ আলোক'লৈ 'শ্ৰেষ্ঠ মানৱ সেৱা বঁটা' প্ৰদান

# গুৱাহাটীৰ দক্ষিণ বৰসজাই মৈদাম দুৰ্গা মন্দিৰ ন্যাসৰ প্ৰশংসনীয় পদক্ষেপ

## নৱপ্ৰজন্মক শিপাৰ সন্ধান দিবলৈ 'পুতলা থিয়েটাৰ' প্ৰদৰ্শন



**অসম বাৰ্তা, মঙলদৈ, ২২ অক্টোবৰ ঃ** চান্দা সাংস্কৃতিক একাষৰীয়া কৰি থৈ জন্মদিন, মৃত্যু তিথি, বিবাহ বাৰ্ষিকী, সন্তান লাভ আদি বিভিন্ন উপলক্ষত একাংশ মানৱদৰদী লোকে স্ব-ইচ্ছাই আগবঢ়োৱা সামান্য বৰঙনি একত্ৰিত কৰি জটিল ৰোগত আক্ৰান্ত ৰোগীক অৰ্থ সাহায্য, জৰাজীৰ্ণ গৃহ মেৰামতি, ছাত্ৰ ছাত্ৰীক কিতাপ পত্ৰ প্ৰদান আদি কাম কৰি মানৱতাৰ জয়গান গাই অহা মানৱদৰদী সংগঠন 'আশাৰ আলোক'- মানুহে মানুহৰ বাবে, দৰং, অসমলৈ গুৱাহাটীৰ দক্ষিণ বৰসজাই মৈদাম দুৰ্গা মন্দিৰ ন্যাস আৰু দক্ষিণ বৰসজাই মৈদাম সৰ্বজনীন শাৰদীয় শ্ৰীশ্ৰীদুৰ্গাপূজা উদযাপন সমিতিয়ে আগবঢ়াইছে 'শ্ৰেষ্ঠ মানৱ সেৱা বঁটা'। যোৱা ১৯ অক্টোবৰত মন্দিৰ প্ৰাংগনৰ ৰংগমঞ্চত সন্ধিয়া ৭ বজাত ন্যাসৰ ভাৰপ্ৰাপ্ত সভাপতি নগেন্দ্ৰনাথ গোস্বামীৰ সভাপতিত্বত হোৱা গ্ৰন্থ উন্মোচন আৰু বঁটা প্ৰদান গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত উদ্যোক্তা সকলে 'আশাৰ আলোক' মানুহে মানুহৰ বাবে, দৰং, অসমৰ মুখ্য উপদেষ্টা ডাঃ অমৰেন্দ্ৰ নাৰায়ণ দেৱ, উপদেষ্টা ড° মনোজ কুমাৰ শৰ্মা, সভাপতি হৰিচন্দ্ৰ শৰ্মা, সাধাৰণ সম্পাদক গণেশ দত্ত, কোষাধ্যক্ষ গোলোক বৰা, সম্পাদক জিতুমণি চহৰীয়া, সদস্য ক্ৰমে- মুন মুন দাস, প্ৰসন্ন ডকা, ৰমেশ চহৰীয়া আৰু ৰক্তদাতা জোনমণি দেউৰীক ফুলাম গামোচা, স্মাৰক আৰু গ্ৰন্থৰ টোপোলাৰে সম্ভাষণ জনোৱাৰ লগতে তেওঁলোকৰ হাতত তুলি দিয়ে 'শ্ৰেষ্ঠ মানৱ সেৱা বঁটা'। এই বঁটাত আছে সুদৃশ্য স্মাৰক, সম্বৰ্ধনা পত্ৰ আৰু ২৫ হাজাৰ টকাৰ চেক। দক্ষিণ বৰসজাই মৈদাম দুৰ্গাপূজা উদযাপন সমিতিৰ সম্পাদক বিশ্বজিৎ নাথে আঁত ধৰা এই অনুষ্ঠানত ন্যাসৰ সম্পাদক হীৰেন চহৰীয়াই কয়- 'ব্যক্তিগত স্বাৰ্থৰ উৰ্ধত গৈ ৬ বছৰ আগতে মানৱসেৱাৰ বাবে গঠন হোৱা 'আশাৰ আলোক' নামৰ সংগঠনটোৱে নিজৰ ব্যতিক্ৰমী কৰ্মৰ জৰিয়তে ইতিমধ্য যি নিদৰ্শন দাঙি ধৰিছে, সেয়া সঁচাকৈয়ে প্ৰশংসনীয়। তেওঁলোকৰ কৰ্মৰ স্বীকৃতি স্বৰূপে এয়া আমাৰ এক ক্ষুদ্ৰ মৰম আৰু সন্মান।' ন্যাসৰক্ষী চিত্তৰঞ্জন শৰ্মা, মনোৰঞ্জন গোস্বামী, অখিল চন্দ্ৰ শৰ্মা, মহীধৰ হালৈ, হৃদয়ানন্দ দাস, শশীধৰ ডেকা, কনকেশ্বৰ গোস্বামী, পংকজ মেধি, নিৰঞ্জন কলিতা, ধনীৰাম বৈশ্যৰ লগতে শতাধিক লোক উপস্থিত থকা এই অনুষ্ঠানত এন ডি ২৪ চেনেলৰ মুখ্য সম্পাদক ৰাজদ্বীপ বাইলুং বৰুৱাই দিগন্ত কুমাৰ গগৈ, বেদান্ত বিকাশ শৰ্মা, গীতাঞ্জলি বৈশ্য সম্পাদিত স্মৃতিগ্ৰন্থ 'অপৰাজিতা' উন্মোচন কৰি 'স্মৃতিগ্ৰন্থই ইতিহাসৰ সমল দিয়ে' বুলি কয়। তেওঁ লগতে স্মৃতিগ্ৰন্থখন কিলো হিচাবত বিক্ৰী নকৰি কৰ্মব্যস্ততাৰ মাজতো অধ্যয়ন কৰিবলৈ সকলোৰে প্ৰতি আহ্বান জনায়। আনহাতে বিশিষ্ট লেখক ড° দেৱজিৎ মহন্তই ড° সৰ্বানন্দ বৰ্মন ৰচিত 'বাস্তৱ সত্য' গ্ৰন্থখন উন্মোচন কৰে। ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘৰ অসম ক্ষেত্ৰৰ বৌদ্ধিক প্ৰমুখ তীৰ্থাংক দাস (শংকৰ দা)য়ে অনুষ্ঠানত মুখ্য অতিথিৰ ভাষণত একাংশই চ'ছিয়েল মিডিয়াত দুৰ্গাপূজা অসমীয়াৰ নহয়, বঙালীৰহে বুলি প্ৰচাৰ চলাই থকাত ক্ষোভ প্ৰকাশ কৰি তেওঁলোকক ইতিহাস অধ্যয়ন কৰিবলৈ আহ্বান জনায়। তেওঁ লগতে নিজৰ পিতৃ - মাতৃক অত্যাচাৰ, অৱহেলা কৰা লোকে মন্দিৰে মন্দিৰে গৈ শতবাৰ প্ৰণাম কৰিলেও পাপমুক্ত নহয় বুলি উল্লেখ কৰে। উল্লেখ্য যে, ছয়দিনীয়াকৈ হোৱা এই দুৰ্গাপূজাস্থলীত উদ্যোক্তা সকলে ধৰ্মৰ উৰ্ধত গৈ জটিল ৰোগত আক্ৰান্ত নলবাৰী ঘগ্ৰাপাৰৰ চৈয়দ খাইৰুল হুছেইনক ১০ হাজাৰ টকাৰ আৰ্থিক সাহায্য প্ৰদান আৰু পাৰিজাত একাডেমী (মইনা খোৰোং) গড়ভাঙ্গা, ডেচটিনেচন, হাতীগাঁওস্থিত জেষ্ঠ নাগৰিকৰ আবাস গৃহৰ প্ৰায় এহেজাৰ পঞ্চাচ গৰাকী আবাসীলৈ দুপৰীয়া অন্ন, পায়স ভোগ বিতৰণ কৰি যিদৰে মানৱতাৰ নিদৰ্শন দাঙি ধৰিলে; সেই দৰে নৱপ্ৰজন্মক শিপাৰ সন্ধান দিয়াৰ স্বাৰ্থত পূজাস্থলীত বিনামূলীয়াকৈ নলবাৰী মাখিবাহাৰ 'অসমী পুতলা থিয়েটাৰ' আৰু দৰং জিলাৰ ঔতলাৰ কৃষ্ণ ডেকাৰ নেতৃত্বত ওজাপালি প্ৰদৰ্শন কৰিলে। আনহাতে পূজাস্থলীত গ্ৰন্থমেলা আয়োজন কৰি এক বৌদ্ধিক আন্দোলন সৃষ্টি কৰাৰ প্ৰয়াসত সকলোৱে শলাগ লৈছে। উল্লেখ্য যে, ন্যাসৰক্ষী তথা অপৰাজিতা সাহিত্য সভাৰ সম্পাদক ধনেশ্বৰ ডেকাৰ ১৮ অক্টোবৰৰ নিশা হোৱা আকস্মিক মৃত্যুত দক্ষিণ বৰসজাই মৈদাম দুৰ্গা মন্দিৰ ন্যাস আৰু দক্ষিণ বৰসজাই মৈদাম সৰ্বজনীন শাৰদীয় শ্ৰীশ্ৰীদুৰ্গাপূজা উদযাপন সমিতিয়ে শোক প্ৰকাশ কৰিছে।

# মাকুমত শান্তিপূৰ্ণভাৱে মা দুৰ্গাৰ প্ৰতিমা বিসৰ্জন

**অসম বাৰ্তা, মাকুম, ২২ অক্টোবৰ ঃ** ভক্তি, বিশ্বাস আৰু পৰম্পৰাৰ মাজেৰে সামৰণি পৰিল শাৰদীয় দুৰ্গোৎসৱৰ। বিজয়া দশমীৰ পৱিত্ৰ ক্ষণত মাকুমত শান্তিপূৰ্ণভাৱে সম্পন্ন হ'ল মা দুৰ্গাৰ প্ৰতিমা বিসৰ্জন। এইবাৰ মাকুম পৌৰসভাৰ উদ্যোগত নতুনকৈ নিৰ্মাণ কৰা বিসৰ্জন ঘাটত পোন প্ৰথমবাৰৰ বাবে বিসৰ্জন কৰা হয় মাকুম অঞ্চলৰ কেইবাখনো দুৰ্গা পূজা মণ্ডৱৰ মা দুৰ্গাৰ প্ৰতিমা। বিসৰ্জনস্থলীত পৰিলক্ষিত হয় ভক্তসকলৰ ব্যাপক সমাগম। গধুৰ মনেৰে, ভক্তি আৰু আবেগেৰে মা দুৰ্গাক বিদায় জনায় অগণন ভক্তই। দেৱীৰ ওচৰত প্ৰাৰ্থনা জনায় সমগ্ৰ ৰাজ্য তথা দেশৰ শান্তি, নিৰাপত্তা, সমৃদ্ধি আৰু সকলোৱে মংগল কামনাৰে। এই বিসৰ্জন পৰ্বত উপস্থিত থাকে মাকুম সম জিলাৰ সহকাৰী আয়ুক্ত হিমাদ্ৰী মেচ, সম জিলাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক অৰূপজ্যোতি টেৰণ, মাকুম পৌৰসভাৰ কাৰ্যবাহী বিষয়া দিলাক্ষী কলিতা, পৌৰপতি অৰ্চনা শইকীয়া, উপ-পৌৰপতি তীৰ্থৰাজ প্ৰসাদ, মাকুম আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া পুলক কুমাৰ প্ৰমুখ্যে বিসৰ্জন সমিতিৰ বিষয়ববীয়া সকলে। 'জয় মা দুৰ্গা' ধ্বনিৰে মুখৰিত হৈ পৰে বিসৰ্জনস্থলী। মা দুৰ্গাৰ বিদায়ৰ লগে লগে সামৰণি পৰে শাৰদীয় দুৰ্গোৎসৱৰ। পুনৰ এবছৰৰ অপেক্ষাৰে ভক্তসকলে দেৱীক জনায় বিদায়।

# বিশ্বনাথত বৰ্ণাঢ্য কাৰ্যসূচীৰে উদ্‌যাপিত হ'ল কাৰ্বি যুৱ মহোৎসৱ

**অসম বাৰ্তা, জিনজীয়া, ২২ অক্টোবৰ ঃ** বিশ্বনাথ জিলাৰ বিহালীত ৩ দিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে কাৰ্বি জনগোষ্ঠীৰ ৩৪ সংখ্যক মাণ্ডলিক যুৱ মহোৎসৱ উদ্‌যাপন কৰা হয়। ১৮, ১৯ আৰু ২০ অক্টোবৰত অনুষ্ঠিত হোৱা এই মহোৎসৱ কাৰ্বি সাংস্কৃতিক সমাজে ১৯৭৪ চনৰ পৰাই নিয়মিতভাৱে উদ্‌যাপন কৰি আহিছে। উদ্যোক্তাসকলে জানিবলৈ দিয়ে যে, কাৰ্বি জনগোষ্ঠীৰ মাজত নিজস্ব সংস্কৃতি, ভাষা, সাজ-পাৰ, খাদ্য আৰু পাৰম্পৰিক খেল-ধেমালি সংৰক্ষণ কৰাৰ লগতে যুৱ প্ৰজন্মক নিজৰ ঐতিহ্যৰ সৈতে পৰিচয় কৰাই দিয়াই এই মহোৎসৱৰ মূল উদ্দেশ্য। তিনিদিনীয়া কাৰ্যসূচীত থলুৱা খাদ্য সম্ভাৰ, পৰম্পৰাগত নৃত্য, আৰু থলুৱা খেল-ধেমালিৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। কাৰ্বি যুৱক-যুৱতীসকলে উছাহেৰে অংশগ্ৰহণ কৰি নিজৰ কৃষ্টি-সংস্কৃতি জীপাল কৰি তোলে। বিশ্বনাথৰ বিহালীত অনুষ্ঠিত হোৱা এই মহোৎসৱে কাৰ্বি সমাজৰ মাজত ঐক্য আৰু সাংস্কৃতিক চেতনা বৃদ্ধিত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে বুলি স্থানীয় ৰাইজে মত প্ৰকাশ কৰে।

# ডবকাৰ পুৰাণ বজাৰ বিসৰ্জন ঘাটত ১২ ভাগকৈ দুৰ্গা প্ৰতিমা বিসৰ্জন



**অসম বাৰ্তা, ডবকা, ২২ অক্টোবৰ ঃ** হোজাই জিলাৰ ডবকা অঞ্চলত শাৰদীয় দুৰ্গোৎসৱৰ বুধবাৰে ড পৰে প্ৰতিমা বিসৰ্জনৰ মাজেৰে। ডবকাৰ পুৰাণ বজাৰস্থিত দুৰ্গা বিসৰ্জন ঘাটত ডবকা অঞ্চলৰ মুঠ ১২টা দুৰ্গা প্ৰতিমা যমুনা নদীত বিসৰ্জন দিয়া হয়। ধৰ্মীয় পৰম্পৰা আৰু ভক্তিভাৱেৰে অনুষ্ঠিত এই বিসৰ্জন কাৰ্যসূচী সুকলমে সম্পন্ন হয়। দুৰ্গা পূজাৰ কেইবাদিনো ধৰি চলা উৎসৱমুখৰ পৰিৱেশৰ অন্তত বৃহস্পতিবাৰে ডবকা পুৰাণ বজাৰ সৰ্বজনীন দুৰ্গা বিসৰ্জন ঘাটত বিয়লি ৪টা বজাৰ পৰা ভক্ত সকলৰ সমাগম ঘটে। দুৰ্গাৰ বিদায়ৰ ক্ষণত ভক্ত সকলৰ মাজত একফালে যেনেকৈ উৎসৱৰ সামৰণিৰ অনুভূতি পৰিলক্ষিত হয়, আনফালে পৰৱৰ্তী বছৰত পুনৰ দুৰ্গাৰ আগমনৰ আশাৰে ভক্ত সকলে প্ৰাৰ্থনা জনায়। ডবকা পুৰাণ বজাৰ পুৰাণ বজাৰ সৰ্বজনীন পূজা কমিটিৰ সভাপতি অৰিনন্দ ভৌমিকে (নিতাই মাষ্টাৰ) জানিব দিয়া মতে ডবকা অঞ্চলৰ পুৰাণ বজাৰ সৰ্বজনীন দুৰ্গা পূজা মণ্ডপ, ডবকা বাজাৰ পূজা মণ্ডপ, তুলসী বাৰী পূজা মণ্ডপ, নতুন বাজাৰ পূজা মণ্ডপ, জনকল্যাণ পূজা মণ্ডপ, গাছতলা পূজা মণ্ডপ, মিকিৰআটী হাওঁগাঁও পূজা মণ্ডপ, মটবন পূজা মণ্ডপ, কুৰকুট বস্তী পূজা মণ্ডপ, বিবেকানন্দ পূজা মণ্ডপ আৰু সাৰদা পল্লী পূজা মণ্ডপৰ পৰা অনা মুঠ ১২টা দুৰ্গা প্ৰতিমা পৰম্পৰাগত ৰীতি-নীতিৰে যমুনা নদীত বিসৰ্জন দিয়া হয়। বিসৰ্জন কাৰ্যসূচীৰ জৰিয়তে এইবাৰৰ শাৰদীয় দুৰ্গোৎসৱৰ আনুষ্ঠানিক সামৰণি পৰে। উল্লেখ্য যে দুৰ্গা পূজা কেৱল ধৰ্মীয় উৎসৱেই নহয়, ই সমাজৰ বিভিন্ন শ্ৰেণীৰ লোকৰ মাজত ভাতৃত্ববোধ, সম্প্ৰীতি আৰু ঐক্যৰ বাৰ্তা কঢ়িয়াই আনে। ডবকা অঞ্চলতো দুৰ্গোৎসৱে সৃষ্টি কৰা উৎসাহ-উদ্দীপনাৰ পৰিৱেশ প্ৰতিমা বিসৰ্জনৰ লগে লগে সামৰণি পৰে। উক্ত অনুষ্ঠানত উপস্থিত থাকে ডবকা পৌৰসভাৰ কাৰ্য্যবাহী বিষয়া কাকলি দাস, ডবকা ৰাজহ চক্ৰ বিষয়া চৈতালী দাস, ডবকা পৌৰসভাৰ পৌৰনেত্ৰী মিনাৰা বেগম, ডবকা পুৰাণ বজাৰ পুৰাণ বজাৰ সৰ্বজনীন পূজা কমিটিৰ সভাপতি অৰিনন্দ ভৌমিকে (নিতাই মাষ্টাৰ) সম্পাদক ৰাজিব কুমাৰ দাস সহ অন্যান্য ব্যক্তি সকল।

## বান্দালী সত্ৰৰ সত্ৰাধিকাৰ দ্বিজেন্দ্ৰ নাথ গোস্বামীৰ দ্বাৰা আনুষ্ঠানিকভাৱে উদ্বোধন

# ৯৪ সংখ্যক চেঙা সভা মহোৎসৱ উপলক্ষে শ্ৰীকৃষ্ণ মন্দিৰ নিৰ্মাণৰ সাহায্যাৰ্থে উপহাৰ কুপন উদ্বোধন

**অসম বাৰ্তা চেঙা, ২২ অক্টোবৰ ঃ** আগন্তুক ৯৪ সংখ্যক চেঙা সভা মহোৎসৱক কেন্দ্ৰ কৰি অঞ্চলটোত ধৰ্মীয় আৰু সামাজিক পৰিৱেশে বিশেষ গুৰুত্ব লাভ কৰিছে। এই মহোৎসৱৰ সৈতে সংগতি ৰাখি শ্ৰীকৃষ্ণ মন্দিৰ নিৰ্মাণৰ বাবে আৰ্থিক সাহায্য সংগ্ৰহৰ উদ্দেশ্যে এক বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে চেঙা ঐক্য সন্মিলনে। চেঙা ঐক্য সন্মিলনৰ উদ্যোগত আৰু শ্ৰীকৃষ্ণ মন্দিৰ নিৰ্মাণ সমিতিৰ ব্যৱস্থাপনাত মন্দিৰ নিৰ্মাণ সাহায্যাৰ্থে প্ৰস্তুত কৰা উপহাৰ কুপন আনুষ্ঠানিকভাৱে উদ্বোধন কৰা হয়। বান্দালী সত্ৰৰ সত্ৰাধিকাৰ দ্বিজেন্দ্ৰ নাথ গোস্বামী ডাঙৰীয়াই আনুষ্ঠানিকভাৱে এই উপহাৰ কুপন উদ্বোধন কৰে। ধৰ্মীয় পৰম্পৰা আৰু আধ্যাত্মিক চেতনাৰ সৈতে জড়িত চেঙা সভা মহোৎসৱক অধিক অৰ্থৱহ কৰি তোলাৰ লগতে শ্ৰীকৃষ্ণ মন্দিৰ নিৰ্মাণৰ কাম আগবঢ়াই নিয়াৰ লক্ষ্যৰে এই পদক্ষেপ গ্ৰহণ কৰা হৈছে। উল্লেখ্য যে, চেঙা অঞ্চলৰ ধৰ্মীয় আৰু সামাজিক জীৱনত চেঙা সভা মহোৎসৱৰ এক বিশেষ স্থান আছে। প্ৰতিবছৰে এই মহোৎসৱক কেন্দ্ৰ কৰি অঞ্চলটোৰ ভক্তপ্ৰাণ ৰাইজৰ মাজত উৎসাহ-উদ্দীপনাৰ সৃষ্টি হয়। মহোৎসৱত বিভিন্ন ধৰ্মীয় কাৰ্যসূচীৰ জৰিয়তে ভক্তি, আধ্যাত্মিকতা আৰু সামাজিক সম্প্ৰীতিৰ বাৰ্তা প্ৰচাৰ কৰা হয়। এইবাৰ ৯৪ সংখ্যক চেঙা সভা মহোৎসৱ উপলক্ষে শ্ৰীকৃষ্ণ মন্দিৰ নিৰ্মাণৰ বাবে সাহায্য সংগ্ৰহৰ ব্যৱস্থা গ্ৰহণ কৰাটো বিশেষ তাৎপৰ্যপূৰ্ণ বুলি বিবেচিত হৈছে। শ্ৰীকৃষ্ণ মন্দিৰ নিৰ্মাণ সমিতিৰ সভাপতি বিনোদ বৰ্মন আৰু সম্পাদক ৰাতুল পাঠকৰ নেতৃত্বত মন্দিৰ নিৰ্মাণৰ বাবে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰা হৈছে। উপহাৰ কুপন উদ্বোধনৰ জৰিয়তে মন্দিৰ নিৰ্মাণৰ কামত ৰাইজৰ সহযোগিতা লাভ কৰাৰ লগতে ভক্তপ্ৰাণ লোকসকলক এই মহৎ কাৰ্যৰ সৈতে জড়িত কৰাৰ প্ৰয়াস কৰা হৈছে। এটা মন্দিৰ কেৱল উপাসনাৰ স্থানেই নহয়, ই সমাজৰ ধৰ্মীয় বিশ্বাস, সংস্কৃতি আৰু ঐক্যৰো প্ৰতীক। সেয়েহে শ্ৰীকৃষ্ণ মন্দিৰ নিৰ্মাণৰ এই প্ৰচেষ্টাত অঞ্চলটোৰ ৰাইজে সহযোগিতা আগবঢ়ালে মন্দিৰ নিৰ্মাণৰ কাম অধিক সুচাৰুৰূপে আগবঢ়াই নিব পৰা যাব বুলি আশা কৰা হৈছে। সামগ্ৰিকভাৱে ৯৪ সংখ্যক চেঙা সভা মহোৎসৱ উপলক্ষে গ্ৰহণ কৰা এই পদক্ষেপে অঞ্চলটোৰ ধৰ্মীয় পৰম্পৰা আৰু সামাজিক ঐক্যক অধিক শক্তিশালী কৰাৰ ক্ষেত্ৰত ইতিবাচক ভূমিকা পালন কৰিব বুলি আশা প্ৰকাশ কৰা হৈছে।

# বকোৰ ঢেকীয়াবড়ীত উলহ-মালহেৰে পালন দুৰ্গোৎসৱ

## ঢেকীয়াবড়ী আঞ্চলিক শাৰদীয় দুৰ্গোৎসৱৰ ২৩ সংখ্যক বৰ্ষ

**অসম বাৰ্তা, বকো, ২২ অক্টোবৰ ঃ** আজি মহা নৱমী। দুৰ্গতিনাশিনী, মহিষাসুৰমৰ্দিনী মা দুৰ্গাৰ আৰাধনাৰে মুখৰিত হৈ পৰিছে বকোৰ ঢেকীয়াবড়ী। ঢাক-ঢোল, শংখধ্বনি আৰু মন্ত্ৰোচ্চাৰণৰ মাজেৰে এক আধ্যাত্মিক তথা উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হৈছে সমগ্ৰ অঞ্চলটোত। বকোৰ ঢেকীয়াবড়ী আঞ্চলিক শাৰদীয় দুৰ্গোৎসৱ সমিতিৰ উদ্যোগত এইবাৰ ২৩ সংখ্যক বৰ্ষৰ বাবে আড়ম্বৰপূৰ্ণভাৱে আয়োজন কৰা হৈছে শাৰদীয় দুৰ্গোৎসৱ। মহা নৱমীৰ পৱিত্ৰ ক্ষণত দেৱী দুৰ্গাৰ আশিস বিচাৰি পূজাস্থলীত সমৱেত হৈছে অগণন ভক্তপ্ৰাণ ৰাইজ। পূজা পৰিচালনা সমিতিৰ সভাপতি খগেন চন্দ্ৰ মজুমদাৰ আৰু সম্পাদক মনোজ কুমাৰ মেধী, কাৰ্যকৰী সভাপতিদ্বয় দেৱ কুমাৰ দাস, দুলাল কুমাৰ ৰাণা, উপ সভাপতি লোহিত কলিতা, লক্ষ্মীনন্দন দলৈ, চন্দ্ৰধৰ কৈৱৰ্ত, দিলীপ শৰ্মা, নকুল কলিতা, সহ সম্পাদক দিপেন কলিতা, নিকুঞ্জ চৌধুৰী, কৰ্ত্তাদ্বয় হেম চন্দ্ৰ মজুমদাৰ, প্ৰবিন কলিতা, কোষাধ্যক্ষ ভাৰত কলিতা, যোগেন কৈৱৰ্ত, কেশৱ দাসৰ লগতে সমিতিৰ বিষয়ববীয়া তথা সদস্যসকলৰ তৎপৰতাত সুচাৰুৰূপে অনুষ্ঠিত হৈছে পূজাৰ বিভিন্ন কাৰ্যসূচী। দুৰ্গোৎসৱ উপলক্ষে পূজাস্থলীত ভক্তপ্ৰাণ ৰাইজৰ ব্যাপক সমাগম পৰিলক্ষিত হৈছে। অঞ্চলবাসীৰ স্বতঃস্ফূৰ্ত অংশগ্ৰহণ আৰু সহযোগিতাই দুৰ্গোৎসৱৰ আনন্দ-উৎসাহ দুগুণে বৃদ্ধি কৰিছে। পূজাৰ দিনকেইটাত বেদ-বেদান্তৰ মন্ত্ৰোচ্চাৰণ, পুৰোহিতৰ মংগলধ্বনি, গায়ন-বায়নৰ পৰিৱেশন আৰু আয়তীসকলৰ নাম-প্ৰসংগই পূজাস্থলীত এক ভক্তিময় পৰিৱেশৰ সৃষ্টি কৰিছে। ইয়াৰ উপৰি বিভিন্ন সাংস্কৃতিক কাৰ্যসূচীৰেও উদ্‌যাপন কৰা হৈছে শাৰদীয় দুৰ্গোৎসৱ। দুৰ্গোৎসৱত উপস্থিত হোৱা ভক্তসকলে মা দুৰ্গাৰ চৰণত সেৱা জনাই নিজৰ লগতে পৰিয়াল, সমাজ তথা সমগ্ৰ অঞ্চলটোৰ সুখ-শান্তি, সমৃদ্ধি আৰু মংগল কামনা কৰিছে। সামগ্ৰিকভাৱে, ধৰ্মীয় পৰম্পৰা, আধ্যাত্মিকতা আৰু সামাজিক সম্প্ৰীতিৰ অপূৰ্ব সমন্বয়েৰে বকোৰ ঢেকীয়াবড়ীত উলহ-মালহেৰে উদযাপিত হৈছে ২৩ সংখ্যক ঢেকীয়াবড়ী আঞ্চলিক শাৰদীয় দুৰ্গোৎসৱ।

## সম্পাদকীয়

# চাইবাৰ নিৰাপত্তা আৰু গ্ৰাহকৰ তথ্য সুৰক্ষাৰ এক গুৰুত্বপূৰ্ণ সতৰ্কবাণী

সাম্প্ৰতিক সময়ত ডিজিটেল লেনদেন আৰু অনলাইন বেংকিং আমাৰ দৈনন্দিন জীৱনৰ এক অপৰিহাৰ্য অংশ হৈ পৰিছে। কিন্তু ইয়াৰ লগে লগে বৃদ্ধি পাইছে চাইবাৰ অপৰাধ আৰু ডাটা চুৰিৰ দৰে গুৰুতৰ সমস্যা। অলপতে দেশৰ আটাইতকৈ বৃহৎ চৰকাৰী খণ্ডৰ বেংক 'ষ্টেট বেংক অৱ ইণ্ডিয়া' (SBI)ত সংঘটিত হোৱা এক ডাটা লীক (Data Breach) সংক্ৰান্তিয় খবৰে সমগ্ৰ দেশজুৰি গ্ৰাহকসকলৰ মাজত উদ্বেগৰ সৃষ্টি কৰিছে। ২১ অক্টোবৰত বেংক কৰ্তৃপক্ষই ষ্টক এ'চেঞ্জৰ অফিচিয়েল ফাইলিঙত প্ৰকাশ কৰা অনুসৰি, ডাৰ্ক ৱেবত সংৰক্ষিত প্ৰায় ৩, ৭৫, ০০০ ৰেকৰ্ডৰ ভিতৰত ৩, ৮৯৭জন গ্ৰাহকৰ অতি ব্যক্তিগত তথ্য (PII) লীক হোৱাটো নিশ্চিত হৈছে।

এই সংবেদনশীল ঘটনাটো প্ৰথমে 'Cyberpulse56' নামৰ ছ'চিয়েল মিডিয়া একাউণ্ট আৰু 'চিৰিয়াছইম' নামৰ এটা অজ্ঞাত হেকাৰ গ্ৰুপৰ দাবীৰ জৰিয়তে পোহৰলৈ আহে। পৰৱৰ্তী সময়ত ভাৰতৰ মূল চাইবাৰ সুৰক্ষা সংস্থা চিইআৰটি-ইন (CERT-In) আৰু ডিফেন্স চাইবাৰ এজেন্সীৰ চোৰাংচোৱা সতৰ্কবাণীৰ ভিত্তিত এছবিআয়ে তাংক্ষণিকভাৱে তদন্ত আৰম্ভ কৰে। পৰীক্ষা-নিৰীক্ষাৰ পাছত বেংকে স্বীকাৰ কৰে যে লীক হোৱা নথি-পত্ৰসমূহত গ্ৰাহকৰ নাম, লিংগ, পঞ্জীয়নভুক্ত মোবাইল নম্বৰ, ই-মেইল আইডি, জন্ম তাৰিখ, ঘৰৰ ঠিকনা, বেংক শাখাৰ চিআইএফ (CIF) ক'ড আৰু ঋণ সংক্ৰান্তিয় নথি-পত্ৰ সন্নিবিষ্ট হৈ আছিল।

যদিও হেকাৰ গ্ৰুপটোৱে লাখ লাখ ৰেকৰ্ড আৰু হাজাৰৰো অধিক পিডিএফ নথিপত্ৰ থকাৰ ডাঙৰ দাবী কৰিছিল, বেংকৰ তদন্তত ইয়াৰে কেৱল ৩, ৮৯৭টা ৰেকৰ্ডহে প্ৰকৃত আৰু ব্যক্তিগত তথ্যসমৃদ্ধ বুলি সাব্যস্ত হয়। এই খবৰে লাখ লাখ গ্ৰাহকক উদ্বিগ্ন কৰি তোলাৰ পৰিপ্ৰেক্ষিতত এছবিআয়ে স্পষ্ট কৰি দিছে যে এই ডাটা লীকৰ ফলত বেংকৰ মূল কাৰ্যপ্ৰণালী, দৈনন্দিন লেনদেন বা গ্ৰাহকৰ জমা ধনৰ ওপৰত কোনো প্ৰভাৱ পৰা নাই। ঘটনাক্ৰম নিশ্চিত হোৱাৰ লগে লগে বেংকে নিজৰ চাইবাৰ ইনচিডেণ্ট ৰেছপ'ঞ্চ আৰু প্ৰিভেনচন প্ৰট'কল সক্ৰিয় কৰি তোলে আৰু ঘটনাৰ গভীৰ তদন্তৰ বাবে এটা স্বতন্ত্ৰ চাইবাৰ সুৰক্ষা সংস্থাক দায়িত্ব অৰ্পণ কৰে।

এই সমগ্ৰ বিষয়টোক কেৱল এটা আটাইতকৈ ডাঙৰ বেংকৰ কাৰিকৰী ত্ৰুটি বুলি গণ্য কৰিলে ভুল হ'ব। বৰঞ্চ ই বৰ্তমানৰ ডিজিটেল অৰ্থনীতিৰ এক ভয়াবহ দিশ উন্মোচিত কৰিছে, য'ত ব্যক্তিগত তথ্য যেনে— ঠিকনা, মোবাইল নম্বৰ আৰু চিআইএফ ক'ড ডাৰ্ক ৱেবত উপলব্ধ হোৱাৰ অৰ্থ হৈছে গ্ৰাহকসকল চাইবাৰ প্ৰৱঞ্চনা সহজ লক্ষ্য হৈ পৰিব পাৰে। লগতে, দেশৰ কোটি কোটি গ্ৰাহকৰ আস্থা লাভ কৰা এটা বৃহৎ বেংকিং প্ৰতিষ্ঠানৰ ফালৰ পৰা ডাটা সুৰক্ষা ব্যৱস্থাত ছিদ্ৰ ৰৈ যোৱাটো অতি চিন্তাজনক বিষয়, যিয়ে বিত্তীয় খণ্ডত চাইবাৰ অডিট আৰু ন্যূনতম সুৰক্ষা কৱচ শক্তিশালী কৰাৰ প্ৰয়োজনীয়তা তীব্ৰভাৱে আঙুলিয়াই দিয়ে।

এই ঘটনাই আমাক স্পষ্টকৈ সতৰ্ক কৰি দিছে যে ডিজিটেল সুৰক্ষা ব্যৱস্থা সদায় সজাগ আৰু সাৱধান হ'ব লাগিব। চৰকাৰ আৰু বেংকিং প্ৰতিষ্ঠানসমূহে ডাটা সুৰক্ষা আইন অনুসৰি গ্ৰাহকৰ তথ্য ৰক্ষাৰ বাবে অত্যন্ত কঠিন ব্যৱস্থা গ্ৰহণ কৰা প্ৰয়োজন। ইয়াৰ উপৰিও, গ্ৰাহকসকলেও নিজৰ ফালৰ পৰা সচেতন হৈ সন্দেহজনক ই-মেইল, মেছেজ বা অজ্ঞাত ফোন কলৰ পৰা আঁতৰত থকাৰ লগতে নিয়মিতভাৱে পাছৱৰ্ড সলনি কৰা আৰু ওটিপি কাৰো সৈতে শ্বেয়াৰ নকৰাটো নিশ্চিত কৰা উচিত। কেৱল প্ৰতিষ্ঠানিক তৎপৰতা আৰু ব্যক্তিগত সজাগতাইহে আমাক এনে ধৰণৰ চাইবাৰ আক্ৰমণৰ পৰা সুৰক্ষিত ৰাহিব পাৰিব।



# দুৰ্গা পূজাৰ উলাহ আৰু অৰ্থনীতিৰ গতিশীলতা

দুৰ্গা পূজা ভাৰতীয় সমাজ-জীৱনৰ এক উল্লেখযোগ্য ধৰ্মীয় আৰু সাংস্কৃতিক উৎসৱ। এই উৎসৱে মানুহৰ মনত ভক্তি, বিশ্বাস, আনন্দ আৰু নতুন আশাৰ সঞ্চাৰ কৰে। দেৱী দুৰ্গাৰ আৰাধনাৰ মাজেৰে অশুভ শক্তিৰ পৰাজয় আৰু শুভ শক্তিৰ বিজয়ৰ বাণী প্ৰচাৰিত হয়। কিন্তু ধৰ্মীয় তাৎপৰ্যৰ উপৰি দুৰ্গা পূজাৰ আন এক গুৰুত্বপূৰ্ণ দিশ আছে, যিটো প্ৰায়ে আমাৰ দৃষ্টিৰ আঁৰত ৰৈ যায়। সেয়া হৈছে উৎসৱটোৰ সৈতে জড়িত অৰ্থনৈতিক কাৰ্যকলাপ, স্থানীয় মানুহৰ জীৱিকা আৰু কৰ্মসংস্থাপনৰ সম্ভাৱনা।

দুৰ্গা পূজাৰ আগমনৰ লগে লগে বহু ঠাইত বজাৰ-সমাৰ, দোকান-পোহাৰ আৰু বিভিন্ন ব্যৱসায়িক প্ৰতিষ্ঠানত ব্যস্ততা বৃদ্ধি পায়। প্ৰতিমা নিৰ্মাণৰ পৰা আৰম্ভ কৰি মণ্ডপ সজোৱা, কাপোৰ-কানি ক্ৰয়, ফুলৰ ব্যৱসায়, খাদ্যসামগ্ৰী বিক্ৰী, পৰিবহণ আৰু বিভিন্ন সেৱা আগবঢ়োৱালৈকে অসংখ্য কামৰ সৈতে বহু লোক জড়িত হৈ পৰে। এই কামবোৰৰ জৰিয়তে কিছুমান পৰিয়ালে অতিৰিক্ত উপাৰ্জনৰ সুযোগ লাভ কৰে আৰু স্থানীয় বজাৰত ধনৰ চলাচল বৃদ্ধি পায়। সেয়েহে দুৰ্গা পূজাক কেৱল ধৰ্মীয় অনুষ্ঠান হিচাপে নহয়, স্থানীয় অৰ্থনীতিৰ এক সম্ভাৱনাপূৰ্ণ ক্ষেত্ৰ হিচাপেও বিবেচনা কৰা উচিত।

দুৰ্গা পূজাৰ মূল আকৰ্ষণসমূহৰ ভিতৰত দেৱী দুৰ্গাৰ প্ৰতিমা অন্যতম। প্ৰতিখন প্ৰতিমাৰ আঁৰত থাকে শিল্পীৰ কল্পনা, অভিজ্ঞতা, দক্ষতা আৰু বহুদিনৰ সাধনা। মাটি সংগ্ৰহ কৰা, বাঁহ আৰু খেৰেৰে কাঠামো প্ৰস্তুত কৰা, মাটিৰ প্ৰলেপ দিয়া, প্ৰতিমাক নিৰ্দিষ্ট ৰূপ দিয়া, ৰং কৰা আৰু অলংকৰণ কৰা- এই প্ৰতিটো কামৰ বাবে সময়, শ্ৰম আৰু বিশেষ দক্ষতাৰ প্ৰয়োজন হয়। প্ৰতিমা নিৰ্মাণৰ লগত জড়িত শিল্পী আৰু সহায়কসকলৰ উপাৰ্জনৰ এক গুৰুত্বপূৰ্ণ উৎস হ'ব পাৰে এই উৎসৱ। কেৱল প্ৰতিমা নিৰ্মাণেই নহয়, মণ্ডপ সজা, তোৰণ নিৰ্মাণ, বৈদ্যুতিক সজ্জা, বস্ত্ৰ আৰু অলংকাৰ প্ৰস্তুত কৰা, ফুলৰ মালা গঁথা, পূজাৰ সামগ্ৰী যোগান ধৰা আদি কামতো বহু লোকৰ অংশগ্ৰহণ থাকে। অৰ্থাৎ, উৎসৱৰ সৌন্দৰ্য গঢ়ি তোলাৰ প্ৰতিটো স্তৰতে মানুহৰ পৰিশ্ৰম আৰু জীৱিকাৰ সম্ভাৱনা জড়িত হৈ থাকে।

ভাৰত চৰকাৰৰ বস্ত্ৰ মন্ত্ৰালয়ৰ অধীনস্থ হস্তশিল্প উন্নয়ন আয়ুক্ত বিভাগে হস্তশিল্প খণ্ডক বহু শিল্পীৰ জীৱিকাৰ এক গুৰুত্বপূৰ্ণ ক্ষেত্ৰ হিচাপে স্বীকৃতি দিছে। এই খণ্ডত পৰম্পৰাগত জ্ঞান, হাতেৰে কাম কৰাৰ দক্ষতা আৰু স্থানীয় সম্পদৰ ব্যৱহাৰৰ বিশেষ ভূমিকা আছে। অৱশ্যে সমগ্ৰ হস্তশিল্প খণ্ডৰ তথ্যক কেৱল দুৰ্গা পূজাৰ সৈতে জড়িত শিল্পীৰ সংখ্যা বা উপাৰ্জনৰ তথ্য বুলি ধৰি ল'ব নোৱাৰি লগতে হস্তশিল্প খণ্ডৰ বহুমুখী উপযোগিতা আৰু অপৰিসীম সম্ভাৱনাকো নুই কৰিব নোৱাৰি। এই বাস্তৱতাৰ দ্বাৰা উপলব্ধি হয় যে, শিল্পীসকল কেৱল উৎসৱৰ সৌন্দৰ্য সৃষ্টিকৰ্তাই নহয়, তেওঁলোক স্থানীয় অৰ্থনীতিৰো এক গুৰুত্বপূৰ্ণ অংশ। তেওঁলোকৰ সৃষ্টিৰ উচিত মূল্য নিশ্চিত কৰা, সময়মতে পাৰিশ্ৰমিক প্ৰদান কৰা আৰু তেওঁলোকৰ পৰম্পৰাগত দক্ষতাক সংৰক্ষণ কৰাটো সমাজৰ দায়িত্ব।

দুৰ্গা পূজাৰ সময়ত স্থানীয় বজাৰখনত বিভিন্ন সামগ্ৰীৰ চাহিদা বৃদ্ধি পোৱাৰ সম্ভাৱনা থাকে। নতুন কাপোৰ, জোতা-চেণ্ডেল, প্ৰসাধন সামগ্ৰী, অলংকাৰ, উপহাৰ, ফুল, ফলমূল, মিঠাই আৰু পূজাৰ বিভিন্ন উপকৰণৰ বিক্ৰীৰ জৰিয়তে ব্যৱসায়ীসকলে উপাৰ্জনৰ সুযোগ লাভ কৰে। বিশেষকৈ ক্ষুদ্ৰ ব্যৱসায়ী আৰু পথৰ কাষত অস্থায়ী বিপণী স্থাপন কৰা লোকসকলৰ বাবে এই সময়ছোৱা যথেষ্ট গুৰুত্বপূৰ্ণ হয়।

*দুৰ্গা পূজাৰ সৈতে জড়িত শিল্পকলাই আমাৰ সাংস্কৃতিক ঐতিহ্যক বহন কৰে। প্ৰতিমা নিৰ্মাণ, মৃৎশিল্প, বাঁহ-বেতৰ কাম, বস্ত্ৰশিল্প আৰু হাতেৰে নিৰ্মিত শোভাবৰ্ধক সামগ্ৰী প্ৰস্তুত কৰাৰ দৰে পৰম্পৰাগত দক্ষতা বহু প্ৰজন্ম ধৰি চলি আহিছে। কিন্তু সময়ৰ পৰিৱৰ্তন, উৎপাদন ব্যয় বৃদ্ধি আৰু বজাৰত প্ৰতিযোগিতাৰ বাবে কিছুমান শিল্পীয়ে জীৱিকা চলোৱাত অসুবিধাৰ সন্মুখীন হ'ব পাৰে। এই সমস্যাৰ সমাধানৰ বাবে শিল্পীসকলক কেৱল উৎসৱৰ সময়ত সামগ্ৰী ক্ৰয় কৰাৰ সুবিধা দি সহায় কৰিলেই নহ'ব। তেওঁলোকৰ সামগ্ৰীৰ বাবে বছৰটোৰ বিভিন্ন সময়ত বজাৰ সৃষ্টি কৰা, নতুন প্ৰজন্মক পৰম্পৰাগত শিল্পকলাৰ প্ৰশিক্ষণ দিয়া আৰু শিল্পীসকলৰ দক্ষতাক যথোচিত স্বীকৃতি দিয়াও প্ৰয়োজন। পূজা উদ্‌যাপন সমিতিসমূহে স্থানীয় শিল্পীৰ পৰা প্ৰতিমা আৰু হস্তনিৰ্মিত সামগ্ৰী ক্ৰয় কৰাত অগ্ৰাধিকাৰ দিব লাগে। এনে ব্যৱস্থাই স্থানীয় উৎপাদনক উৎসাহিত কৰাৰ লগতে পৰম্পৰাগত শিল্পকলাৰ ধাৰাবাহিকতা ৰক্ষা কৰাত সহায় কৰিব। উৎসৱৰ অৰ্থনৈতিক বিকাশৰ সৈতে পৰিৱেশ সুৰক্ষাৰ বিষয়টোও জড়িত। প্ৰতিমা নিৰ্মাণ, মণ্ডপ সজ্জা আৰু বিভিন্ন অনুষ্ঠানৰ ফলত সৃষ্টি হোৱা আৱৰ্জনা সঠিকভাৱে নিস্কাষণৰ ব্যৱস্থাপনা নকৰিলে পৰিৱেশৰ ক্ষতি হ'ব পাৰে।*

উৎসৱৰ সময়ত মানুহে নিজৰ সামৰ্থ্য অনুসৰি নতুন কাপোৰ-কানি ক্ৰয় কৰে, আত্মীয়-স্বজনক উপহাৰ দিয়ে আৰু পৰিয়ালৰ সৈতে বিভিন্ন স্থানলৈ যায়। এই ব্যয়ৰ একাংশ স্থানীয় ব্যৱসায়ীৰ হাতলৈ যায়। ব্যৱসায়ীয়ে লাভ কৰা ধন পুনৰ সামগ্ৰী ক্ৰয়, কৰ্মচাৰীৰ পাৰিশ্ৰমিক প্ৰদান আৰু নিজৰ ব্যৱসায়ৰ প্ৰয়োজনীয় কামত ব্যয় কৰে। এনেদৰে স্থানীয় অৰ্থনীতিৰ ভিতৰত ধনৰ চলাচল অব্যাহত থাকে। ইয়াৰ লগতে খাদ্যৰ দোকান, মিঠাইৰ বিপণী, চাহৰ দোকান, ফুলৰ দোকান আৰু অস্থায়ী খাদ্যবিপণীসমূহেও গ্ৰাহক লাভৰ সুযোগ পায়। অৱশ্যে সকলো ব্যৱসায়ী সমানে লাভৱান হয় বুলি ক'ব নোৱাৰি। সামগ্ৰীৰ মূল্যবৃদ্ধি, দোকানৰ ভাড়া, অধিক প্ৰতিযোগিতা আৰু বিক্ৰী নোহোৱা সামগ্ৰীৰ আশংকাই ক্ষুদ্ৰ ব্যৱসায়ীসকলৰ বাবে প্ৰত্যাহ্বানৰ সৃষ্টি কৰিব পাৰে। সেয়েহে উৎসৱৰ অৰ্থনৈতিক সুফল যাতে অধিকসংখ্যক স্থানীয় ব্যৱসায়ীৰ ওচৰলৈ যায়, তাৰ বাবে সুপৰিকল্পিত ব্যৱস্থা গ্ৰহণ কৰা প্ৰয়োজন।



নলিনী ৰঞ্জন ভূঞা

দুৰ্গা পূজাৰ প্ৰস্তুতি আৰু উদ্‌যাপনৰ সৈতে বিভিন্ন ধৰণৰ কাম জড়িত হৈ থাকে। মণ্ডপ নিৰ্মাণ, বৈদ্যুতিক সজ্জা, পৰিবহণ, সামগ্ৰী কঢ়িওৱা, চাফাই, নিৰাপত্তা, খাদ্য প্ৰস্তুতকৰণ আৰু বিক্ৰীৰ দৰে কামত বহু লোকে অংশগ্ৰহণ কৰাৰ সুযোগ লাভ কৰে। এই কামসমূহৰ কিছুমান অস্থায়ী হ'লেও, উৎসৱৰ সময়ছোৱাত লাভ কৰা উপাৰ্জনে বহু পৰিয়ালক আৰ্থিকভাৱে সহায় কৰিব পাৰে।

বিশেষকৈ যুৱক-যুৱতীসকলৰ বাবে এই সময়ছোৱাত কৰ্মৰ নতুন সুযোগ সৃষ্টি হ'ব পাৰে। স্থানীয় দোকানত সহায় কৰা, সামগ্ৰী বিক্ৰী কৰা, সজ্জাৰ কামত অংশগ্ৰহণ কৰা আৰু বিভিন্ন সেৱা আগবঢ়োৱাৰ জৰিয়তে তেওঁলোকে কৰ্মৰ অভিজ্ঞতা অৰ্জন কৰিব পাৰে। একেদৰে বাহনচালক, ৰান্ধনি, দৰ্জী, কাঠমিস্ত্ৰী আৰু বৈদ্যুতিক কামত দক্ষ লোকসকলেও নিজৰ সেৱাৰ জৰিয়তে উপাৰ্জনৰ সুযোগ লাভ কৰিব পাৰে। কিন্তু অস্থায়ী কৰ্মসংস্থাপনক স্থায়ী জীৱিকাৰ বিকল্প বুলি গণ্য কৰিব নোৱাৰি। উৎসৱৰ সময়ত কাম পোৱাটো সহায়ক হ'লেও, দীৰ্ঘম্যাদী আৰ্থিক নিৰাপত্তাৰ বাবে দক্ষতা বিকাশ, নিয়মীয়া কাম আৰু উপযুক্ত পাৰিশ্ৰমিকৰ ব্যৱস্থা কৰাৰ প্ৰয়োজন। সাধাৰণতে উৎসৱৰ সময়ত লাভ কৰা অভিজ্ঞতাক ভৱিষ্যতৰ জীৱিকাৰ সৈতে সংযোগ কৰিব পাৰিলেহে ইয়াৰ সুফল অধিক স্থায়ী হ'ব বুলি ক'ব পাৰি।

দুৰ্গা পূজাৰ অৰ্থনীতিত মহিলাসকলৰ অংশগ্ৰহণৰো যথেষ্ট সম্ভাৱনা আছে। হাতেৰে নিৰ্মিত সজ্জাসামগ্ৰী, ফুলৰ মালা, বস্ত্ৰ, অলংকাৰ, খাদ্যসামগ্ৰী আৰু বিভিন্ন উপহাৰ প্ৰস্তুত কৰি মহিলাসকলে উপাৰ্জনৰ পথ মুকলি কৰিব পাৰে। আত্মসহায়ক গোটসমূহেও নিজৰ সামগ্ৰী উৎসৱৰ বজাৰত বিক্ৰী কৰাৰ ব্যৱস্থা কৰিব পাৰে। এই ক্ষেত্ৰত স্থানীয় প্ৰশাসন, পূজা উদ্‌যাপন সমিতি আৰু বিভিন্ন সামাজিক সংগঠনে মহিলাসকলৰ বাবে সামগ্ৰী প্ৰদৰ্শন আৰু বিক্ৰীৰ উপযুক্ত স্থানৰ ব্যৱস্থা কৰিব পাৰে। ইয়াৰ ফলত তেওঁলোকৰ উৎপাদিত সামগ্ৰীৰ অধিকসংখ্যকেই গ্ৰাহকৰ ওচৰলৈ যোৱাৰ সুযোগ লাভ কৰিব। লগতে সামগ্ৰীৰ মান উন্নত কৰা, উপযুক্ত মূল্য নিৰ্ধাৰণ আৰু আয়-ব্যয়ৰ হিচাপ ৰখাৰ ক্ষেত্ৰত প্ৰশিক্ষণৰ ব্যৱস্থা কৰিলে এনে উদ্যোগ অধিক ফলপ্ৰসূ হ'ব পাৰে। মহিলাৰ অৰ্থনৈতিক অংশগ্ৰহণ বৃদ্ধি পালে পৰিয়ালৰ উপাৰ্জনত সহায় হোৱাৰ লগতে তেওঁলোকৰ আত্মবিশ্বাস আৰু স্বাৱলম্বিতাও বৃদ্ধি পাব পাৰে। সেয়েহে উৎসৱৰ বজাৰখনক মহিলাৰ উদ্যোগ বিকাশৰ এক সম্ভাৱনাপূৰ্ণ ক্ষেত্ৰ হিচাপে গঢ়ি তোলাৰ প্ৰয়োজন আছে।

দুৰ্গা পূজাৰ সৈতে জড়িত শিল্পকলাই আমাৰ সাংস্কৃতিক ঐতিহ্যক বহন কৰে। প্ৰতিমা নিৰ্মাণ, মৃৎশিল্প, বাঁহ-বেতৰ কাম, বস্ত্ৰশিল্প আৰু হাতেৰে নিৰ্মিত শোভাবৰ্ধক সামগ্ৰী প্ৰস্তুত কৰাৰ দৰে পৰম্পৰাগত দক্ষতা বহু প্ৰজন্ম ধৰি চলি আহিছে। কিন্তু সময়ৰ পৰিৱৰ্তন, উৎপাদন ব্যয় বৃদ্ধি আৰু বজাৰত প্ৰতিযোগিতাৰ বাবে কিছুমান শিল্পীয়ে জীৱিকা চলোৱাত অসুবিধাৰ সন্মুখীন হ'ব পাৰে। এই সমস্যাৰ সমাধানৰ বাবে শিল্পীসকলক কেৱল উৎসৱৰ সময়ত সামগ্ৰী ক্ৰয় কৰাৰ সুবিধা দি সহায় কৰিলেই নহ'ব। তেওঁলোকৰ সামগ্ৰীৰ বাবে বছৰটোৰ বিভিন্ন সময়ত বজাৰ সৃষ্টি কৰা, নতুন প্ৰজন্মক পৰম্পৰাগত শিল্পকলাৰ প্ৰশিক্ষণ দিয়া আৰু শিল্পীসকলৰ দক্ষতাক যথোচিত স্বীকৃতি দিয়াও প্ৰয়োজন। পূজা উদ্‌যাপন সমিতিসমূহে স্থানীয় শিল্পীৰ পৰা প্ৰতিমা আৰু হস্তনিৰ্মিত সামগ্ৰী ক্ৰয় কৰাত অগ্ৰাধিকাৰ দিব লাগে। এনে ব্যৱস্থাই স্থানীয় উৎপাদনক উৎসাহিত কৰাৰ লগতে পৰম্পৰাগত শিল্পকলাৰ ধাৰাবাহিকতা ৰক্ষা কৰাত সহায় কৰিব।

উৎসৱৰ অৰ্থনৈতিক বিকাশৰ সৈতে পৰিৱেশ সুৰক্ষাৰ বিষয়টোও জড়িত। প্ৰতিমা নিৰ্মাণ, মণ্ডপ সজ্জা আৰু বিভিন্ন অনুষ্ঠানৰ ফলত সৃষ্টি হোৱা আৱৰ্জনা সঠিকভাৱে নিস্কাষণৰ ব্যৱস্থাপনা নকৰিলে পৰিৱেশৰ ক্ষতি হ'ব পাৰে। বিশেষকৈ প্লাষ্টিকৰ অত্যধিক ব্যৱহাৰ, শব্দ প্ৰদূষণ আৰু জলাশয়ৰ অপৰিষ্কাৰ অৱস্থাই জনস্বাস্থ্য আৰু প্ৰকৃতিৰ ওপৰত বিৰূপ প্ৰভাৱ পেলাব পাৰে। সেয়েহে পৰিৱেশৰ অনুকূল সামগ্ৰীৰ ব্যৱহাৰ, আৱৰ্জনা পৃথকীকৰণ, পুনৰ ব্যৱহাৰযোগ্য সজ্জাসামগ্ৰীৰ প্ৰয়োগ আৰু জলাশয়ৰ পৰিষ্কাৰ-পৰিচ্ছন্নতা ৰক্ষাৰ প্ৰতি গুৰুত্ব দিব লাগে। পূজা উদ্‌যাপন সমিতি, স্থানীয় প্ৰশাসন আৰু ৰাইজে একেলগে কাম কৰিলে এই ব্যৱস্থাসমূহ অধিক ফলপ্ৰসূ হ'ব পাৰে। পৰিৱেশৰ প্ৰতি দায়বদ্ধতা বজাই ৰাখি উৎসৱ উদ্‌যাপন কৰিলে ভৱিষ্যৎ প্ৰজন্মৰ বাবেও এক সুস্থ পৰিৱেশ এৰি যোৱা সম্ভৱ হ'ব।

দুৰ্গা পূজাৰ অৰ্থনৈতিক সম্ভাৱনাক বাস্তৱ ৰূপ দিবলৈ সুপৰিকল্পনা অত্যন্ত প্ৰয়োজনীয়। স্থানীয় শিল্পী আৰু ক্ষুদ্ৰ ব্যৱসায়ীসকলক উপযুক্ত স্থান প্ৰদান, সামগ্ৰীৰ উচিত মূল্য নিশ্চিত কৰা, সময়মতে পাৰিশ্ৰমিক দিয়া আৰু ব্যৱসায়ৰ বাবে প্ৰয়োজনীয় তথ্য উপলব্ধ কৰাটো গুৰুত্বপূৰ্ণ।

একেদৰে পূজা উদ্‌যাপন সমিতিসমূহে আয়-ব্যয়ৰ স্বচ্ছতা বজাই ৰখা উচিত। অপ্ৰয়োজনীয় ব্যয় আৰু অতিৰিক্ত আড়ম্বৰৰ পৰিৱৰ্তে স্থানীয় শিল্পী, শ্ৰমিক আৰু ক্ষুদ্ৰ উদ্যোগীসকলৰ অংশগ্ৰহণক অধিক গুৰুত্ব দিয়া উচিত। চৰকাৰী আঁচনিৰ সুবিধা, সহজ চৰ্তত ঋণ আৰু দক্ষতা বিকাশৰ প্ৰশিক্ষণৰ বিষয়ে শিল্পী আৰু ব্যৱসায়ীসকলক অৱগত কৰিলেও তেওঁলোক উপকৃত হ'ব পাৰে। আনহাতে, উৎসৱৰ নামত অত্যধিক ব্যয় কৰাৰ প্ৰৱণতাৰ পৰাও সাৱধান হোৱা উচিত। উৎসৱৰ আনন্দ যাতে কোনো পৰিয়ালৰ বাবে আৰ্থিক বোজাৰ কাৰণ হৈ নপৰে, তাৰ প্ৰতি সামাজিক সচেতনতাৰ প্ৰয়োজন। উৎসৱৰ প্ৰকৃত সৌন্দৰ্য প্ৰতিযোগিতামূলক আড়ম্বৰত নহয়, বৰং ভক্তি, সম্প্ৰীতি, সহযোগিতা আৰু মানৱীয় মূল্যবোধৰ মাজত নিহিত হৈ থাকে।

দুৰ্গা পূজা আমাৰ ধৰ্মীয় বিশ্বাস, সাংস্কৃতিক ঐতিহ্য আৰু সামাজিক সম্প্ৰীতিৰ এক গুৰুত্বপূৰ্ণ প্ৰতীক। একে সময়তে ই স্থানীয় ব্যৱসায়, পৰম্পৰাগত শিল্প আৰু কৰ্মসংস্থাপনৰ সম্ভাৱনাকো আগুৱাই নিয়াৰ সুযোগ প্ৰদান কৰে। শিল্পীৰ সৃষ্টিশীলতা, ব্যৱসায়ীৰ উদ্যোগ, শ্ৰমিকৰ পৰিশ্ৰম আৰু সাধাৰণ মানুহৰ অংশগ্ৰহণে উৎসৱটোক বহুমুখী ৰূপ দিয়ে। কিন্তু এই সম্ভাৱনাৰ প্ৰকৃত মূল্য তেতিয়াহে উপলব্ধি কৰিব পৰা যাব, যেতিয়া উৎসৱৰ সুফল সমাজৰ বিভিন্ন স্তৰৰ মানুহৰ ওচৰলৈ যাব। যথাৰ্থতে শিল্পীয়ে নিজৰ সৃষ্টিৰ উচিত মূল্য পাব, ক্ষুদ্ৰ ব্যৱসায়ীয়ে উপাৰ্জনৰ সুযোগ লাভ কৰিব, শ্ৰমিকৰ পৰিশ্ৰমে স্বীকৃতি পাব আৰু পৰিৱেশৰ সুৰক্ষা নিশ্চিত হ'ব- এয়াই আমাৰ লক্ষ্য হোৱা উচিত।

পৰিশেষত ক'ব পাৰি যে, দুৰ্গা পূজাৰ অৰ্থনৈতিক তাৎপৰ্য কেৱল উৎসৱৰ কেইটামান দিনৰ বিক্ৰী-বাণিজ্যৰ মাজতে সীমাবদ্ধ নহয়। সুপৰিকল্পিত ব্যৱস্থা, স্থানীয় উদ্যোগৰ প্ৰতি সহায় আৰু সামূহিক দায়বদ্ধতাৰ জৰিয়তে ইয়াক জীৱিকা আৰু স্বাৱলম্বিতাৰ অধিক ফলপ্ৰসূ মাধ্যমলৈ ৰূপান্তৰিত কৰিব পাৰি। উৎসৱৰ আনন্দ তেতিয়াহে সাৰ্থক হ'ব, যেতিয়া দেৱীৰ মণ্ডপৰ পোহৰৰ লগতে সমাজৰ সাধাৰণ মানুহৰ জীৱনতো আশাৰ পোহৰ বিয়পি পৰিবলৈ সক্ষম হব।

# মুখ্যমন্ত্ৰীৰ 'নিযুত মইনা' আৰু 'নিযুত বাবু' আঁচনি

লক্ষ্মীনন্দন কলিতা

"শিক্ষা হৈছে এটা জাতিৰ মেৰুদণ্ড আৰু শিক্ষিত যুৱপ্ৰজন্মই হৈছে এখন উন্নত সমাজৰ প্ৰকৃত চালিকাশক্তি।"

এখন সমাজৰ প্ৰকৃত উন্নয়ন কেৱল অৰ্থনৈতিক সমৃদ্ধিৰে নহয়, বৰং সেই সমাজৰ শিক্ষাৰ মান আৰু যুৱপ্ৰজন্মৰ বিকাশৰ দ্বাৰাহে নিৰ্ধাৰিত হয়। কিন্তু আৰ্থিক দুৰ্বলতাৰ বাবে বহু শিক্ষাৰ্থীয়ে নিজৰ উচ্চশিক্ষাৰ সপোন পূৰণ কৰাত বাধাৰ সন্মুখীন হয়। এনে পৰিস্থিতিত অসম চৰকাৰে গ্ৰহণ কৰা 'মুখ্যমন্ত্ৰীৰ নিযুত মইনা' আৰু 'মুখ্যমন্ত্ৰীৰ নিযুত বাবু' আঁচনি দুখন শিক্ষাৰ্থীসকলৰ বাবে এক আশাব্যঞ্জক পদক্ষেপ।

'মুখ্যমন্ত্ৰীৰ নিযুত মইনা' আঁচনিৰ মূল উদ্দেশ্য হৈছে ছাত্ৰীসকলক উচ্চশিক্ষাৰ প্ৰতি উৎসাহিত কৰা আৰু তেওঁলোকৰ শিক্ষাজীৱন অব্যাহত ৰখাত সহায় কৰা। বিশেষকৈ আৰ্থিক অসুবিধাৰ বাবে যাতে ছাত্ৰীসকলে শিক্ষাৰ পৰা আঁতৰি যাবলগীয়া নহয়, তাৰ প্ৰতি লক্ষ্য ৰাখি এই আঁচনি গ্ৰহণ কৰা হৈছে। আমাৰ সমাজত আজিও বহু ছাত্ৰীয়ে আৰ্থিক সংকট আৰু সামাজিক বাধাৰ বাবে উচ্চশিক্ষা গ্ৰহণৰ সুযোগ হেৰুৱায়। এই আঁচনিয়ে যোগ্য ছাত্ৰীসকলক আৰ্থিক সাহায্য প্ৰদান কৰি তেওঁলোকৰ আত্মবিশ্বাস বৃদ্ধি কৰাৰ লগতে বাল্যবিবাহৰ দৰে সামাজিক সমস্যাৰ বিৰুদ্ধে ইতিবাচক ভূমিকা গ্ৰহণ কৰাৰ লক্ষ্য ৰাখিছে। এগৰাকী শিক্ষিত নাৰীয়ে কেৱল নিজৰ জীৱনকে সমৃদ্ধ নকৰে, বৰং পৰিয়াল আৰু সমাজৰ উন্নয়নতো গুৰুত্বপূৰ্ণ অৱদান আগবঢ়ায়। সেয়েহে এই আঁচনিক নাৰী সবলীকৰণৰ এক উল্লেখযোগ্য পদক্ষেপ হিচাপেও বিবেচনা কৰিব পাৰি।

আনহাতে, 'মুখ্যমন্ত্ৰীৰ নিযুত বাবু' আঁচনিৰ উদ্দেশ্য হৈছে আৰ্থিকভাৱে দুৰ্বল পৰিয়ালৰ যোগ্য ছাত্ৰসকলক উচ্চশিক্ষা গ্ৰহণৰ ক্ষেত্ৰত সহায় কৰা। বহু শিক্ষাৰ্থীয়ে উচ্চতৰ মাধ্যমিক পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পাছত আৰ্থিক অসুবিধাৰ বাবে মহাবিদ্যালয় বা বিশ্ববিদ্যালয়ত শিক্ষা অব্যাহত ৰখাত সমস্যাৰ সন্মুখীন হয়। এই আঁচনিৰ জৰিয়তে নিৰ্ধাৰিত চৰ্ত পূৰণ কৰা ছাত্ৰসকলক আৰ্থিক সাহায্য প্ৰদান কৰি তেওঁলোকৰ শৈক্ষিক যাত্ৰা অব্যাহত ৰখাত উৎসাহিত কৰা হয়। ইয়াৰ ফলত শিক্ষাৰ্থীসকলৰ ওপৰত পৰা আৰ্থিক বোজা কিছু পৰিমাণে হ্ৰাস পোৱাৰ লগতে তেওঁলোকে নিজৰ ভৱিষ্যৎ গঢ়াৰ বাবে অধিক মনোনিৱেশ কৰাৰ সুযোগ লাভ কৰে। আঁচনি দুখনৰ গুৰুত্ব কেৱল আৰ্থিক সাহায্য প্ৰদানতে সীমাবদ্ধ নহয়। ইয়াৰ জৰিয়তে ৰাজ্যৰ শিক্ষাৰ্থীসকলৰ মাজত শিক্ষাৰ প্ৰতি আগ্ৰহ বৃদ্ধি, উচ্চশিক্ষাৰ সুযোগ সম্প্ৰসাৰণ আৰু সামাজিক সমতা প্ৰতিষ্ঠাৰ পথ প্ৰশস্ত হোৱাৰ সম্ভাৱনা আছে। বিশেষকৈ গ্ৰামাঞ্চলৰ বহু শিক্ষাৰ্থীৰ বাবে এনে চৰকাৰী সাহায্য যথেষ্ট সহায়ক হ'ব পাৰে। অৱশ্যে আঁচনি দুখনৰ প্ৰকৃত সফলতাৰ বাবে যোগ্য শিক্ষাৰ্থীসকলৰ মাজত সজাগতা সৃষ্টি, আবেদন প্ৰক্ৰিয়াৰ স্বচ্ছতা আৰু সময়মতে সাহায্য প্ৰদান কৰাটো অত্যন্ত প্ৰয়োজনীয়। লগতে, শিক্ষাৰ্থীসকলেও চৰকাৰে আগবঢ়োৱা সুবিধাৰ সদব্যৱহাৰ কৰি অধ্যৱসায়, নিষ্ঠা আৰু একাগ্ৰতাৰে অধ্যয়নত মনোনিৱেশ কৰা উচিত। কাৰণ চৰকাৰী সাহায্যই সুযোগ প্ৰদান কৰিব পাৰে, কিন্তু সেই সুযোগক সফলতালৈ ৰূপান্তৰিত কৰাৰ দায়িত্ব শিক্ষাৰ্থীৰ নিজৰ। 'মুখ্যমন্ত্ৰীৰ নিযুত মইনা' আৰু 'মুখ্যমন্ত্ৰীৰ নিযুত বাবু' আঁচনি দুখন এখন শিক্ষিত, আত্মনিৰ্ভৰশীল আৰু প্ৰগতিশীল অসম গঢ়াৰ দিশত গুৰুত্বপূৰ্ণ পদক্ষেপ। শিক্ষাৰ্থীসকলৰ সপোনক বাস্তৱ ৰূপ দিয়াৰ ক্ষেত্ৰত এই আঁচনিসমূহে আশাৰ নতুন বাট মুকলি কৰিব পাৰে। সেয়েহে চৰকাৰ, শিক্ষানুষ্ঠান, অভিভাৱক আৰু শিক্ষাৰ্থী, সকলোৰে সমন্বিত প্ৰচেষ্টাৰ জৰিয়তেহে এই আঁচনি দুখনৰ প্ৰকৃত উদ্দেশ্য সফল হ'ব আৰু অসমৰ যুৱপ্ৰজন্মই এখন উজ্জ্বল ভৱিষ্যৎ নিৰ্মাণৰ দিশত আগবাঢ়িব পাৰিব।

"যি জাতিয়ে শিক্ষাৰ পোহৰক আঁকোৱালি লয়, সেই জাতিৰ ভৱিষ্যৎ কেতিয়াও অন্ধকাৰত হেৰাই নাযায়।"

# ভাৰতীয় সভ্যতাত শক্তি-উপাসনাৰ পৰম্পৰা

প্ৰদীপ দাস

বিশ্বসভ্যতাৰ এক প্ৰাচীন আৰু গভীৰ দৰ্শনসমৃদ্ধ ভূমি ভাৰতবৰ্ষ। এই ভূখণ্ডৰ ধৰ্মীয় আৰু সাংস্কৃতিক জীৱনৰ এক গুৰুত্বপূৰ্ণ বৈশিষ্ট্য্য হৈছে শক্তি-উপাসনা, বিশেষকৈ প্ৰতীকী ৰূপত জননেন্দ্ৰিয় লিঙ্গ আৰু যোনিৰ পূজা। এই উপাসনা কেৱল ধৰ্মীয় আচাৰৰ সীমাতে সীমিত নহয়, বৰং ভাৰতীয় চিন্তাধাৰা, শিল্প, সাহিত্য আৰু সমাজ জীৱনৰ গভীৰ স্তৰত প্ৰৱিষ্ট হৈ আছে। এই পৰম্পৰা কেৱল আৰ্য সভ্যতাৰ সৃষ্টি নহয়, ই আৰ্য আৰু আৰ্যভিন্ন জনগোষ্ঠীৰ চিন্তাধাৰাৰ সমাহাৰ ফল।

পুৰুষ আৰু স্ত্ৰী শক্তিৰ প্ৰতীক ৰূপে লিঙ্গ আৰু যোনিৰ উপাসনা ভাৰতীয় সভ্যতাৰ এক প্ৰাচীন অথচ সমৃদ্ধ দিশ। পণ্ডিতসকলৰ মতে, এই ধৰণৰ প্ৰতীক উপাসনাৰ বীজ দক্ষিণ-পূব এছিয়াৰ বিভিন্ন জনগোষ্ঠীৰ যোগেদি ভাৰতবৰ্ষলৈ আহিছিল। প্ৰাক্‌বৈদিক কালৰ সমাজত এই ধৰণৰ উপাসনা প্ৰচলিত নাছিল বুলি বিভিন্নগৰাকী পণ্ডিতে মতপোষণ কৰিছে যদিও আদিম মানৱৰ দৃষ্টিত সন্তান উৎপাদন আৰু উৰ্বৰতাৰ গুৰুত্ব আছিল অসীম। সেয়েহে, তেওঁলোকে সৃষ্টিৰ গোপন ৰহস্য উন্মোচন কৰাৰ প্ৰয়াসত, যি অংগৰ সহায়ত জীৱন জন্মে, সেই অংগকেই প্ৰতীকীৰূপত পূজা কৰিবলৈ আৰম্ভ কৰিছিল। এইদৰে লিঙ্গ-যোনি পূজাৰ আৰম্ভ হয়।

লিঙ্গৰূপে শিৱৰ উপাসনা আৰু যোনিৰূপে মাতৃৰূপী শক্তিক পূজা কৰাটো মাতৃতান্ত্ৰিক জনগোষ্ঠীৰ প্ৰভাৱত ভাৰতবৰ্ষত প্ৰচলন হৈছিল বুলি ধাৰণা কৰা হয়। ইমানেই নহয়, এই বিশ্বাস আৰু পৰম্পৰা ভাৰতবৰ্ষৰ উপৰি জাপান আদি দেশতো দেখা যায়। উদাহৰণস্বৰূপে, জাপানত কাৱৰি শ্বেল (cowery shells), যাৰ আকাৰ যোনিৰ দৰে, ভাগ্যৰ প্ৰতীক হিচাপে ব্যৱহৃত হয়। ব্ৰিফল্টৰ মতে, যদি 'কাৱৰি' পোৱা নাযায়, তেন্তে মহিলাৰ জননেন্দ্ৰিয়ৰ প্ৰতিচ্ছবি ব্যৱহাৰ কৰা হ'ব পাৰে। ইয়াৰ যোগেদি সহজে বুজা যায় যে প্ৰাচীন বিশ্বাসবোৰ বহু দূৰলৈ বিস্তৃত হৈছিল।

অসমৰ কামাখ্যা মন্দিৰত এই ধৰণৰ মাতৃশক্তিৰ উপাসনা হয়, য'ত মূলতঃ 'যোনি'কেই প্ৰতীকৰূপে পূজা কৰা হয়। ড° বাণীকান্ত কাকতিয়ে অষ্ট্ৰিক জনগোষ্ঠীৰ বিশ্বাস আৰু ভাষাগত ধ্বনিসাম্যৰ ভিত্তিত অনুমান কৰিছে যে এই উপাসনা অষ্ট্ৰিক জনগোষ্ঠীৰে যোগেদি অসমৰ পৰিসৰত প্ৰৱেশ কৰিছিল। প্ৰাচীন সমাজত সন্তান উৎপাদন, উৰ্বৰতা আৰু জাতিৰ স্থায়িত্বৰ প্ৰয়োজনীয়তাৰ কাৰণে লিঙ্গ-যোনি উপাসনা মূলধাৰাৰ ধৰ্মীয় আচাৰ-বিচাৰৰ অংশ হৈ পৰে। বৈদিক সাহিত্যৰ পাছত পুৰাণ আৰু মহাভাৰতত এই উপাসনাৰ বিস্তৃত উল্লেখ পোৱা যায়। এই গ্ৰন্থসমূহত সন্তান-প্ৰাপ্তিৰ বাসনা, স্বামী-প্ৰাপ্তিৰ কামনা আদি উদ্দেশ্যৰে লিঙ্গ-যোনি উপাসনাক গুৰুত্ব দিয়া হৈছে। লিঙ্গ শব্দটো অষ্ট্ৰিক মূলৰ বুলি কোৱা হয়, যি সৃষ্টিশক্তিৰ লগত জড়িত। কৃষি আৰু উৰ্বৰতাৰ লগত এই শক্তিৰ সম্পৰ্ক স্পষ্ট। পণ্ডিতসকলৰ মতে, বৈদিক সাহিত্যত শিৱক শস্য আৰু জীৱৰ উৎপাদক শক্তি হিচাপেও মানি লোৱা হৈছে আৰু মাতৃশক্তি দুৰ্গাক উৰ্বৰতাৰ সৈতে জড়িত কৰা হৈছে। এই বিশ্বাসৰ লগত লগতে বীজ, মাটি আৰু উৰ্বৰতা প্ৰতীক হিচাপেও ধাৰণ কৰা হৈছে। ভাগৱত আৰু শিৱ পুৰাণৰ মতে, সৃষ্টি কৰ্মৰ বাবে শিৱৰ লগতে শক্তিৰো প্ৰয়োজন। শিৱ আৰু শক্তিৰ পৰস্পৰৰ সম্পৰ্কটো প্ৰকৃতিদত্ত জোনাক আৰু জোনৰ সম্পৰ্কৰ দৰেই বৰ্ণনা কৰা হৈছে- য'ত একে লগে দুয়ো অৱস্থান কৰে আৰু পৰস্পৰে পূৰ্ণ কৰে।

পুৰণি যুগত এই উপাসনা গোপন সাধনাৰ অংশ আছিল। কেৱল দীক্ষিত সাধকেহে ইয়াৰ গূঢ়তত্ত্ব আয়ত্ত কৰিব পাৰিছিল। সময়ৰ লগে লগে এই উপাসনাই ৰাজহুৱা ৰূপ ল'লে। বিশেষকৈ, শক্তি-উপাসনাৰ প্ৰতীকাত্মক ৰূপটো দুৰ্গাপূজাত স্পষ্টকৈ দেখা যায়। দুৰ্গাৰ সৈতে চাৰিটা মূৰ্তি—কাৰ্তিক, সৰস্বতী, লক্ষ্মী আৰু গণেশক সংযোজন কৰা হৈছে। এইবোৰৰ মাজেৰে বীৰ্য, জ্ঞান, ঐশ্বৰ্য আৰু অহংকাৰৰ নীৰসন আৰু প্ৰজ্ঞা অৱলম্বন কৰাৰ পূৰ্ণ অৰ্থ প্ৰকাশ পায়। শক্তি উপাসনা প্ৰকাৰান্তৰে ত্ৰিগুণ (সত্ত্ব, ৰজ, তম) তত্ত্বৰ লগতো জড়িত। মহিষাসুৰ তমগুণৰ, সিংহ ৰজগুণৰ, আৰু স্বয়ং দুৰ্গা সত্ত্বগুণৰ প্ৰতীক। এই সাধনাৰ লক্ষ্য হৈছে তম আৰু ৰজগুণ অতিক্ৰম কৰি সত্ত্বগুণত উপনীত হোৱা। শক্তি উপাসনাৰ এই পৰম্পৰাই সময়ৰ লগে লগে তন্ত্ৰ, যোগ, শৈৱ, শাক্ত, বৌদ্ধ, দাক্ষিণ, কাম, কৌল ইত্যাদি ধৰ্মীয় পথসমূহৰ মাজেৰে বিকশিত হৈছে। এইবোৰৰ মাজেৰে শক্তিৰ প্ৰধানত্ব আৰু সৃষ্টিশক্তিৰ প্ৰতি ভক্তি, ভাৰতীয় ধৰ্ম আৰু সংস্কৃতিৰ এক গভীৰ পৰিচয় প্ৰকটিত হৈছে।

শক্তি উপাসনা কেৱল ধৰ্মীয় আচাৰ নহয়, এই উপাসনাই ভাৰতীয় সভ্যতা-সংস্কৃতিক সজীৱ আৰু উৰ্বৰা কৰি ৰাখিছে। আৰ্য আৰু আৰ্যভিন্ন জনগোষ্ঠীৰ চিন্তাধাৰাৰ মিলনৰ ফলস্বৰূপে উদ্ভৱ হোৱা এই ধৰ্মীয় ধাৰা আজিও ভাৰতীয় মানসপটত সমানেই প্ৰাসঙ্গিক। এই শক্তি-উপাসনাই ভাৰতীয় সমাজক সৃষ্টি-তত্ত্ব নতশিৰে বুজিবলৈ আৰু ধৰ্মীয়, দাৰ্শনিক চেতনাক সমৃদ্ধ কৰিবলৈ যুগ-যুগান্তৰলৈ অনুপ্ৰাণিত কৰি যাব।

# ১৩ আৰু ১৪ ডিচেম্বৰত মাজুলীত সত্ৰীয়া সংস্কৃতি চৰ্চা গৱেষণা পৰিষদৰ বিশাৰদ চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ সকলৰ সমাবৰ্তন অনুষ্ঠানৰ আয়োজন

**অসম বাৰ্তা, মাজুলী, ২২ অক্টোবৰ ঃ** অসম আৰু অসমৰ বাহিৰৰ প্ৰায় চাৰি কুৰিখন সংগীত শিক্ষানুষ্ঠানক সামৰি গঠন হোৱা অসম সত্ৰীয়া সংস্কৃতি চৰ্চা গৱেষণা পৰিষদৰ বিশাৰদ চুৰান্ত পৰীক্ষা সুখ্যাতিৰে উত্তীৰ্ণ হোৱা সকলৰ সমাবৰ্তন অনুষ্ঠান ডিচেম্বৰ মাহৰ ১৩ আৰু ১৪ তাৰিখে দুদিনীয়া কাৰ্যসূচীৰে গড়মূৰ সৰু সত্ৰৰ শ্ৰীমন্ত শংকৰদেৱ কৃষ্টি সংঘত অনুষ্ঠিত হ'ব। এই উদ্দেশ্যে কেন্দ্ৰীয় সমিতি আৰু অভ্যৰ্থনা সমিতিৰ যুটীয়া বৈঠক অভ্যৰ্থনা সমিতিৰ সভাপতি তথা গড়মূৰ সৰু সত্ৰৰ সত্ৰাধিকাৰ শ্ৰীশ্ৰী হৰিদেৱ গোস্বামীৰ পৌৰোহিত্যত অনুষ্ঠিত হয়। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে অভ্যৰ্থনা সমিতিৰ সম্পাদক কাজল দত্তই। ইয়াৰ পূৰ্বে সমাবৰ্তনৰ কাৰ্যালয়ৰ দ্বাৰ মুকলি কৰে সুন্দৰীদিয়া সত্ৰৰ সত্ৰাধিকাৰ শ্ৰীশ্ৰী নিৰ্মল অধিকাৰীয়ে। সভাৰ আৰম্ভণিতে বন্তি প্ৰজ্বলন কৰে শ্ৰীশ্ৰী হৰিদেৱ গোস্বামীয়ে। সভাই নৱপ্ৰজন্মৰ মাজত সত্ৰীয়া সংস্কৃতিৰ সুধাৰ আগ্ৰহ আৰু শাস্ত্ৰীয় সংগীতলৈ উত্তৰণ ঘটোৱাৰ প্ৰেৰণাৰে অসমৰ বিভিন্ন জিলাত মাগুলিক প্ৰৰ্যায়ত অনুষ্ঠিত হোৱা গায়ন, বায়ন আৰু নৰ্তন বিষয়ৰ চূড়ান্ত প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ সপক্ষে মত প্ৰকাশ কৰে। সভাত পৰীক্ষা সচিব পংকজ শইকীয়াই সাংগঠনিক দিশত কৰা খতিয়ান দাঙি ধৰি পৰিসৰ বৃদ্ধি, বিজ্ঞান সন্মত অধ্যয়ন তথা শাস্ত্ৰীয় ৰূপত প্ৰতিফলিত কৰাৰ অভিলাষ পুৰণৰ পথত বুলি সভাত সদৰি কৰে। শ্ৰীশ্ৰী সুন্দৰীদিয়া সত্ৰৰ সত্ৰাধিকাৰ শ্ৰীশ্ৰী নিৰ্মল চন্দ্ৰ অধিকাৰীয়ে সত্ৰীয়া সংস্কৃতিৰ সাধক সকলে গুৰুদুজনাৰ আদৰ্শ অটুট ৰাখিবলৈ আহ্বান জনাই নিজেও আজীৱন এই সেৱাতে নিমজ্জিত থাকিব বুলি ঘোষণা কৰে। সভাত কেন্দ্ৰীয় সমিতিৰ সভাপতি মনোবৰুৱা আৰু সম্পাদক নীলমণি বৰুৱাই বিভিন্ন প্ৰকাৰৰ পৰামৰ্শ আগবঢ়ায় আৰু এইক্ষেত্ৰত কেন্দ্ৰীয় সমিতিৰ কৰণীয়খিনি সততাৰে পালন কৰা হ'ব বুলি আশ্বাস প্ৰদান কৰে। এখন বাজেট প্ৰস্তুত কৰাৰ আহ্বান জনায় আৰু সমাবৰ্তনত মাজুলীৰ সকলো সত্ৰৰ সত্ৰাধিকাৰ সকল উপস্থিত থকাৰ কামনা কৰে। সভাত গড়মূৰৰ বিশিষ্ট শিক্ষাবিদ মুক্তি দত্ত, খাদ্য উপ সমিতিৰ সভাপতি ভূপেন শৰ্মা, পঞ্জীয়ক মুহীকান্ত বৰবায়ন, বিশিষ্ট সাংবাদিক জীৱন বৰুৱা, বিশিষ্ট শিল্পী ৰাতুল শইকীয়া, অৱসৰপ্ৰাপ্ত শিক্ষক বীৰেন ডেকাই বিভিন্ন বিষয়ত পৰামৰ্শ আগবঢ়ায়। স্মৃতিগ্ৰন্থ উপ সমিতিৰ সম্পাদক ভবানন্দ হাজৰিকাই বৰ্তমানলৈকে সংগ্ৰহ কৰা প্ৰবন্ধ-পাতিৰ একসম্যক ধাৰণা সভাক অৱগত কৰে। সমিতিৰ সভাপতি ৰঞ্জিৎ কুমাৰ ভূঞাই স্মৃতি গ্ৰন্থ খনত গৱেষণা মূলক প্ৰবন্ধৰ ক্ষেত্ৰত অধিক গুৰুত্ব আৰোপ কৰে। সংগ্ৰীহীত তথ্য সহ অতি সোনকালেই সমিতিৰ এখন সভা অনুষ্ঠিত কৰিবলৈ আহ্বান জনায়। তদুপৰি স্মৃতিগ্ৰন্থখন কোনো এগৰাকী সত্ৰীয়া সংস্কৃতিৰ সাধকৰ স্মৃতিত উৎসৰ্গা কৰিব পৰা যায়নে কি বিষয়তো কেন্দ্ৰীয় সমিতিৰ দৃষ্টি আকৰ্ষণ কৰে। সভাত পৰীক্ষা নিয়ন্ত্ৰক ৰঞ্জন বৰা বৰবায়নে সমাবৰ্তন দুদিনীয়া কাৰ্যসূচীৰ এটা খচৰা দাখিল কৰে। সভা সৰ্বসন্মতিক্ৰমে ১৩ আৰু ১৪ ডিচেম্বৰৰ কাৰ্যসূচী গ্ৰহণ কৰে। সেই অনুসৰি প্ৰথম দিনা বিভিন্ন বিষয়ত হ'ব লগীয়া চূড়ান্ত প্ৰতিযোগিতা আৰু ৰাতিলৈ স্থানীয় শিল্পীৰ লগতে বিশিষ্ট অতিথি অনুষ্ঠান। দ্বিতীয় দিনা পুৱা ১০ বজাৰ পৰা অনুষ্ঠিত হ'ব লগীয়া সমাবৰ্তনত দীক্ষান্ত ভাষণ প্ৰদান কৰিব আউনীআটী বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ড° মাধুৰ্য মণ্ডিত বৰুৱাই। উল্লেখযোগ্য যে এইবাৰ ৩৫ গৰাকীয়ে উপাধি লাভ কৰিছে তাৰ ভিতৰত ৯ গৰাকীয়ে বিভিন্ন বিষয়ত শ্ৰেষ্ঠ স্থান লাভ কৰিছে। ইয়াৰ লগতে স্মৃতি গ্ৰন্থ আৰু অন্যান্য বহু কেইখন গ্ৰন্থ উন্মোচন কৰা হ'ব। সভাই বিভিন্ন বিষয়ৰ দায়িত্বত থাকিবলগীয়া বিশেষ ব্যক্তি নিৰ্বাচিত কৰি সোনকালে সদুত্তৰ আনিবলৈ অনুৰোধ জনায়। উল্লেখযোগ্য যে সত্ৰীয়া সংস্কৃতিৰ চৰ্চা গৱেষণা পৰিষদ আৰু আউনীআটী বিশ্ববিদ্যালয়ৰ মাজত এক বুজাবুজি চুক্তি সম্পাদন হৈছিল। সেই অনুসৰি পৰীক্ষা পৰিষদে বিশ্ববিদ্যালয়ৰ অনুমোদিত পাঠ্যক্ৰম আৰু প্ৰমাণ পত্ৰ লাভ কৰে।

"স্মাৰক গ্ৰন্থই বিনোদ শৰ্মাৰ আদৰ্শক যুগমীয়া কৰিব"

# শিক্ষাবিদ, সমাজ হিতৈষী বিনোদ চন্দ্ৰ শৰ্মা স্মাৰকগ্ৰন্থ উন্মোচন

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, মৰিগাঁও, ২২ অক্টোবৰ ঃ** জাগী ভকত গাঁও শাখা সাহিত্য প্ৰাক্তন সভাপতি বিনোদ চন্দ্ৰ শৰ্মাৰ স্মৃতি চাৰণ আৰু স্মাৰক গ্ৰন্থ উন্মোচনী অনুষ্ঠান আজি তেখেতৰ বৰভেটিস্থিত বাসগৃহত অনুষ্ঠিত হয়। অনুষ্ঠানৰ আৰম্ভণিতে মৰিগাঁও জিলা সাহিত্য সভাৰ সম্পাদক কুশল বৰাই বন্তি প্ৰজ্বলন কৰি শ্ৰদ্ধাঞ্জলি নিৱেদন কৰে। অনুষ্ঠানত হিমু বৰা সম্পাদিত সমাজ হিতৈষী বিনোদ চন্দ্ৰ শৰ্মা স্মাৰক গ্ৰন্থখন উন্মোচন কৰে মৰিগাঁও জিলা সাহিত্য সভাৰ সভাপতি ড০ হৰমোহন কলিতাই। গ্ৰন্থখন উন্মোচন কৰি তেওঁ কয় যে আদৰ্শ শিক্ষক, সাহিত্যসেৱী বিনোদ চন্দ্ৰ শৰ্মাৰ কৰ্মৰাজি আৰু জীৱনাদৰ্শক স্মাৰক গ্ৰন্থখনে যুগমীয়া কৰিব। অনুষ্ঠানত




সমাজকৰ্মী অৱন্তী কুমাৰ বৰা, মৰিগাঁও জিলা সাহিত্য সভাৰ প্ৰকাশন সচিব নিকুঞ্জ মোহন শৰ্মা, স্মাৰকগ্ৰন্থ সম্পাদনা সমিতিৰ সভাপতি প্ৰদীপ কুমাৰ বৰদলৈ, সামাজিক সংস্থা সুন্দৰমৰ অধ্যক্ষ জয়ন্ত সাগৰ শইকীয়া, জাগীভকতগাঁও শাখা সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক ৰাজীৱ চহৰীয়া, প্ৰিয় নেওগ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক ভৱেন চন্দ্ৰ বৰা, অৱসৰপ্ৰাপ্ত শিক্ষক যোগেন হাজৰিকা, জ্যেষ্ঠ নাগৰিক ৰবীন হাজৰিকা, বৰভেটি গাঁও উন্নয়ন সমিতিৰ সভাপতি প্ৰভাত চন্দ্ৰ হাজৰিকাই প্ৰয়াত বিনোদ চন্দ্ৰ শৰ্মাৰ শৈক্ষিক -সামাজিক অৱদানৰ বিষয়ে উল্লেখ কৰে। জাগীভকতগাঁও শাখা সাহিত্য সভা তথা স্মাৰকগ্ৰন্থ সম্পাদনা সমিতিৰ সম্পাদক হিমু বৰাই অনুষ্ঠানৰ আঁত ধৰে।

# ৭৪ সংখ্যক বৰ্ষত পদাৰ্পণ উত্তৰ ৰায়পুৰ বাৰোৱাৰী দুৰ্গা পূজা

**অসম বাৰ্তা, ২২ অক্টোবৰ ঃ** শাৰদীয় দুৰ্গোৎসৱৰ মহানৱমীৰ পৱিত্ৰ ক্ষণত গোলকগঞ্জৰ উত্তৰ ৰায়পুৰ বাৰোৱাৰী দুৰ্গা পূজা মণ্ডপত উপস্থিত হৈ মা দুৰ্গাৰ চৰণত অঞ্জলি গ্ৰহণ কৰে গোলকগঞ্জ সমষ্টিৰ বিধায়ক তথা, অসম চৰকাৰৰ ৰাজ্যিক মন্ত্ৰী অশ্বিনী ৰায় সৰকাৰে। মন্ত্ৰীগৰাকীৰ এই উপস্থিতিক কেন্দ্ৰ কৰি উত্তৰ ৰায়পুৰ বাৰোৱাৰী দুৰ্গা পূজা কমিটিৰ বিষয়ববীয়া, সদস্য-সদস্যাসকলৰ লগতে ভক্তপ্ৰাণ ৰাইজৰ মাজত ব্যাপক আনন্দ আৰু উৎসাহৰ সৃষ্টি হয়। উল্লেখযোগ্য যে এইবেলি উত্তৰ ৰায়পুৰ বাৰোৱাৰী দুৰ্গা পূজাই ৭৪ সংখ্যক বৰ্ষত ভৰি দিছে। পৰম্পৰা আৰু ধৰ্মীয় ৰীতি-নীতি অক্ষুণ্ণ ৰাখি এইবাৰো পূজাখন জাকজমকতাৰে উদ্‌যাপন কৰা হৈছে। মহানৱমীৰ পৱিত্ৰ দিনটোত পূজা মণ্ডপত ভক্তপ্ৰাণ ৰাইজৰ সমাগমে এক ধৰ্মীয় আৰু উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি কৰে। ইফালে, মা দুৰ্গাৰ চৰণত প্ৰাৰ্থনা জনাই পূজা কমিটিৰ সদস্যবৃন্দই কয় যে মা দুৰ্গাই সকলো অপশক্তি বিনাশ কৰি সমাজলৈ শান্তি, সম্প্ৰীতি আৰু মংগল কঢ়িয়াই আনক। মা দুৰ্গাৰ আশীৰ্বাদেৰে সকলোৰে জীৱন সুখ, শান্তি আৰু সমৃদ্ধিৰে পৰিপূৰ্ণ হওক। জগতৰ সকলো অমংগল দূৰ কৰি ধৰাৰ বুকুত সত্য, ন্যায় আৰু ধৰ্মৰ প্ৰতিষ্ঠা হওক— এয়াই মা দুৰ্গাৰ চৰণত তেওঁলোকৰ আন্তৰিক প্ৰাৰ্থনা। মহানৱমীৰ পৱিত্ৰ উপলক্ষে উত্তৰ ৰায়পুৰ বাৰোৱাৰী দুৰ্গা পূজা মণ্ডপত ভক্তি, বিশ্বাস আৰু সম্প্ৰীতিৰ এক সুন্দৰ পৰিৱেশ পৰিলক্ষিত হয়।

# শাৰদীয় দুৰ্গোৎসৱৰ মাজতে ডুমডুমাৰ দৈমুখীয়া চাহ বাগিচাত হত্যাকাণ্ডৰ ঘটনা

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ২২ অক্টোবৰ ঃ** শাৰদীয় দুৰ্গোৎসৱৰ আনন্দ-উল্লাসৰ মাজতে তিনিচুকীয়া জিলাৰ ডুমডুমা সমজিলাৰ বাঘজান আৰক্ষী থানাৰ অন্তৰ্গত ডুমডুমা দৈমুখীয়া (ৰ'জবেৰী) চাহ বাগিচাত সংঘটিত হয় এক হত্যাকাণ্ডৰ ঘটনা। আৰক্ষী সূত্ৰে জানিব পৰা মতে বাগিচাখনৰ ২ নম্বৰ লাইনত অজয় তাঁতী নামৰ ব্যক্তিজনক যোৱা ১৮ অক্টোবৰৰ নিশা মৰিয়াই গুৰুতৰভাৱে আহত কৰে তেওঁৰেই প্ৰতিবেশী সুৰজ তাঁতী নামৰ লোকজনে। আৰক্ষী ভাষ্য অনুসৰি এটা অতি সাধাৰণ কথাক কেন্দ্ৰ কৰি সুৰজ আৰু অজয়ৰ মাজত প্ৰথমে তৰ্কাতৰ্কি হয় আৰু পাছত ইজনে সিজনক শাৰীৰিকভাবে আক্ৰমণ কৰে। দুয়োৰে মাজত প্ৰচণ্ড মাৰপিট হয় আৰু পৰৱৰ্তী সময়ত পৰিয়ালৰ লোকৰ মধ্যস্থতাত কাজিয়া শাম কাটে আৰু দুয়ো ঘৰাঘৰি গৈ শুই থাকে। কিন্তু, পিছদিনা পুৱা অজয় তাঁতীৰ অৱস্থা সংকটজনক হৈ পৰাত তেওঁক চিকিৎসালয়লৈ লৈ যোৱা যদিও তেওঁৰ মৃত্যু হয়। উল্লেখ্যযোগ্য যে অত্যধিক মদ্যপান কৰাৰ বাবেই এই ঘটনা সংঘটিত হোৱাৰ অভিযোগ উত্থাপন কৰিছে স্থানীয় ৰাইজে। আনহাতে, এই ঘটনাটোৱে উক্ত অঞ্চলটোত দুৰ্গা পূজাৰ আনন্দ ম্লান কৰা পৰিলক্ষিত হৈছে।

# গোলাঘাট জিলাৰ মহুৰা দিহিঙীয়া পথাৰত কৃষক ৰাইজৰ সৈতে কাতি বিহু উদ্‌যাপন মন্ত্ৰী অতুল বৰাৰ

## শাৰী শাৰী আকাশ বন্তি, তুলসীৰ তলত চাকি, নাম-প্ৰসংগ, নেগেৰা নাম আৰু সত্ৰীয়া নৃত্যৰে মুখৰিত হ'ল উদ্‌যাপনস্থলী

**অসম বাৰ্তা, নুমলীগড়, ২২ অক্টোবৰ ঃ** অসমীয়া কৃষিজীৱী সমাজৰ আশা-আকাংক্ষা, আধ্যাত্মিক বিশ্বাস আৰু পৰম্পৰাৰ সৈতে নিবিড়ভাৱে জড়িত কাতি বিহু উপলক্ষে আজি গোলাঘাট জিলাৰ কমাৰ গাঁৱৰ মহুৰা দিহিঙীয়া পথাৰত এক উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হয়। বোকাখাত সমষ্টিৰ বিধায়ক তথা কেবিনেট মন্ত্ৰী অতুল বৰাই কৃষক ৰাইজৰ সৈতে পথাৰত চাকি আৰু আকাশবন্তি প্ৰজ্বলন কৰি সকলোৰে সুখ-সমৃদ্ধি, মংগল আৰু কৃষিৰ উন্নতি কামনা কৰে। তুলসীৰ গুৰিত চাকি প্ৰজ্বলন, আকাশবন্তি উত্তোলন, নাম-প্ৰসংগ, নেগেৰা নাম, সত্ৰীয়া নৃত্যকে ধৰি বিভিন্ন সাংস্কৃতিক কাৰ্যসূচীৰে মহুৰা দিহিঙীয়া পথাৰৰ কাতি বিহু উদযাপন বিশেষভাৱে উপভোগ্য হৈ পৰে। কাতি বিহু অসমীয়া কৃষিজীৱী ৰাইজৰ এক আস্থাৰ উৎসৱ। পথাৰত সোণগুটিৰ আশাত কৃষকে শস্যৰ মংগল কামনা কৰি চাকি জ্বলোৱাৰ লগতে পৰিয়াল আৰু সমাজৰ সুখ-শান্তিৰ বাবে প্ৰাৰ্থনা জনায়। এই পৰম্পৰাৰ সৈতে সংগতি ৰাখি মহুৰা দিহিঙীয়া পথাৰত অনুষ্ঠিত কাতি বিহুৰ কাৰ্যসূচীত মন্ত্ৰী অতুল বৰাই কৃষক ৰাইজৰ সৈতে অংশগ্ৰহণ কৰি কৃষিৰ সৈতে জড়িত লোকজীৱনৰ প্ৰতি থকা তেওঁৰ সম্পৰ্কৰ প্ৰতিফলন ঘটায়। গোলাঘাট জিলা কৃষি বিভাগৰ অন্তৰ্গত বোকাখাত মহকুমা কৃষি বিভাগৰ সহযোগত স্থানীয় ৰাইজৰ উদ্যোগত অনুষ্ঠিত এই কাতি বিহু উদযাপনত অসম গণ পৰিষদ (অগপ) আৰু ভাৰতীয় জনতা পাৰ্টি (বিজেপি)ৰ জিলা, মহকুমা, মণ্ডল আৰু আঞ্চলিক পৰ্যায়ৰ সমিতিৰ বিষয়ববীয়া তথা কৰ্মকৰ্তাসকলেও সহযোগিতা আগবঢ়ায়। আমন্ত্ৰিত অতিথি আৰু স্থানীয় ৰাইজৰ ব্যাপক অংশগ্ৰহণে অনুষ্ঠানটোক এক সামূহিক উৎসৱৰ ৰূপ দিয়ে। চাৰিওফালে সেউজীয়া গেৰ ধৰা ধাননিৰ সেউজ ভূমীৰে আৱৰি থকা পথাৰৰ মাজত কাতি বিহু উদ্‌যাপনে অনন্য মাত্ৰা লাভ কৰে। অনুষ্ঠানৰ অন্যতম আকৰ্ষণ আছিল মন্ত্ৰী অতুল বৰাৰ নেগেৰা বাদন। নিজেই এগৰাকী নেগেৰা বাদ্যকাৰ হিচাপে তেওঁ সাংস্কৃতিক কাৰ্যসূচীত অংশগ্ৰহণ কৰি, লোকশিল্পী জীতেন বৰা (ওজা) আৰু অন্যান্য লোকশিল্পী সকলৰ লগত সহযোগ কৰি উপস্থিত ৰাইজৰ মাজত মন্ত্ৰী অতুল বৰাই বিশেষ উৎসাহৰ সৃষ্টি কৰে। নেগেৰা নামৰ সুৰ-লয়, নাম-প্ৰসংগৰ আধ্যাত্মিক পৰিৱেশ আৰু সত্ৰীয়া নৃত্যৰ মনোমোহা পৰিৱেশনে কাতি বিহুৰ পৰম্পৰাগত সাংস্কৃতিক দিশটোক অধিক উজ্জ্বল কৰি তোলে। উদ্‌যাপনস্থলীত এখনি কাতি বিহুৰ ওলগ সভাও অনুষ্ঠিত হয়। সভাত মন্ত্ৰী অতুল বৰাৰ লগতে কাজিৰঙা লোকসভা সমষ্টিৰ সাংসদ কামাখ্যা প্ৰসাদ তাছা, বোকাখাত সমজিলাৰ আয়ুক্ত সুজাতা গগৈ, সহকাৰী আয়ুক্ত শুভ্ৰজিৎ খাউন্দ, গোলাঘাট জিলা পৰিষদৰ সভানেত্ৰী পূৰ্ণিমা দাস আৰু গোলাঘাটৰ জিলা কৃষি বিষয়া ৰঞ্জন বৰুৱা উপস্থিত থাকে। ইয়াৰ উপৰি গোলাঘাট জিলা বিজেপিৰ সভাপতি চন্দ্ৰজ্যোতি ঠাকুৰ, সম্পাদক বেদব্ৰত বৰা, অগপৰ ড° নৃপেন বৰুৱা, জগত কলিতা, আচিকুৰ ৰহমান আৰু দিমান গগৈ, বোকাখাত পৌৰসভাৰ পৌৰপতি ৰত্নেশ্বৰ পৱন বৰুৱা, ৰাজশ্ৰী বৰা, অৰুণ বৰা, মিজু লইং, জয়ন্তী লইং, শংকৰ সেনাপতি, মৃণাল দাস, ৰীতা তালুকদাৰ, প্ৰণৱজ্যোতি চেতিয়া, মানৱ গগৈ, অমল বৰা আৰু চাৰুন দাসে অংশগ্ৰহণ কৰে। সভাত মধ্য মহুৰা পঞ্চায়তৰ সভানেত্ৰী কৰবী শইকীয়া, ৩ নং মহুৰা জিলা পৰিষদৰ সদস্য নৰেন বড়ি, যুৱ পৰিষদৰ ডিম্পল ঢেকীয়াল ফুকন আৰু জিণ্টু বড়ি, অগপৰ জ্যেষ্ঠ সদস্য চন্দ্ৰ শৰ্মা আৰু দীপক হাজৰিকাকে ধৰি বিভিন্ন ক্ষেত্ৰৰ বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে। অনুষ্ঠানৰ আন এক উল্লেখযোগ্য দিশ আছিল সমূহীয়া বিহুৰ জলপান গ্ৰহণ। ৰাজনৈতিক আৰু সামাজিক ক্ষেত্ৰৰ প্ৰতিনিধি, কৃষক, স্থানীয় ৰাইজ আৰু আমন্ত্ৰিত অতিথিসকলে একেলগে বিহুৰ জলপান গ্ৰহণ কৰি উৎসৱৰ আনন্দ ভাগ-বতৰা কৰে। ইয়াৰ ফলত অনুষ্ঠানস্থলীত সমন্বয়, সম্প্ৰীতি আৰু ভাতৃত্ববোধৰ এক সুন্দৰ পৰিৱেশ গঢ় লৈ উঠে। কাতি বিহুৰ পৱিত্ৰ বন্তিৰ পোহৰত সকলোৰে জীৱন আলোকিত হোৱাৰ লগতে কৃষকৰ পথাৰ সোণগুটিৰে ভৰি পৰাৰ কামনাৰে অনুষ্ঠানৰ সামৰণি পৰে। কৃষিৰ সৈতে জড়িত অসমীয়া সমাজৰ বিশ্বাস, পৰম্পৰা আৰু সাংস্কৃতিক ঐতিহ্যক সন্মান জনোৱাৰ লগতে মহুৰা দিহিঙীয়া পথাৰৰ এই কাতি বিহু উদ্‌যাপনত সামূহিক অংশগ্ৰহণৰ জৰিয়তে কাতি বিহুৰ তাৎপৰ্য অধিক সুন্দৰভাৱে প্ৰতিফলিত হ'ল।

# ডিক্ৰুং নদীৰ পাৰত মা দুৰ্গাৰ প্ৰতিমা বিসৰ্জনৰ লগতে ৰাৱণ দাহন কাৰ্যসূচী ৰূপায়ন

**অসম বাৰ্তা, বান্দৰদেৱা, ২২ অক্টোবৰ ঃ** ষষ্ঠীত বেদীত প্ৰতিষ্ঠা কৰা শ্ৰীশ্ৰী মা-দুৰ্গাৰ প্ৰতিমা দশমীত অশ্ৰুসিক্ত নয়নৰে বিদায় দিলে দেশবাসীয়ে। প্ৰতিমা বিসৰ্জনৰ লগতে ভিন্ন প্ৰান্তত বিজয়া দশমীৰ বিস্তৃত কাৰ্যসূচী গ্ৰহণ কৰা পৰিলক্ষিত হয়। সমান্তৰালভাৱে লখিমপুৰ জিলাৰ অসম অৰুণাচল সীমান্তৱতী বান্দৰদেৱা ডিক্ৰুং নদীৰ পাৰত হাৰমতী আৰু বান্দৰদেৱা উন্নয়ন সমিতিৰ উদ্যোগত পোন প্ৰথম বাৰৰ বাবে ৰাৱণ দাহন কাৰ্যসূচী বৃষ্টিতভাৱে আয়োজন কৰে। ৪০ ফুট উচ্চতাৰ ৰাৱণৰ প্ৰতিমূৰ্তি সন্ধিয়া ডিক্ৰুং নদীৰ পাৰত কেইবা হেজাৰো দৰ্শকৰ উপস্থিতিত দাহন কৰা হয়। সমাজৰ পৰা আসুৰিক শক্তিক বিনাশ কৰাৰ উদ্দেশ্যে দুৰ্গা পূজাৰ লগত সংগতি ৰাখি পোনপ্ৰথমবাৰৰ বাবে ৰূপায়ণ কৰা হয় এই ৰাৱণ দাহন কাৰ্যসূচীত অংশগ্ৰহণ কৰে ৰঙানদী সমষ্টিৰ বিধায়ক ঋষিৰাজ হাজৰিকাই। উক্ত কাৰ্যসূচীত বিধায়ক গৰাকীয়ে ৰাইজৰ অভূতপূৰ্ব সঁহাৰি দেখা পাই আগন্তুক দিনত "ডিক্ৰুং ফেষ্টিভেল" নামৰ এটি অনুষ্ঠান অনুষ্ঠিত কৰাৰ বিষয়ে ৰাইজক অৱগত কৰে।

# বৰক্ষেত্ৰীৰ আদাট্টাৰীত পূৰ্ব্বাপৰ ৰীতি-নীতি, পৰম্পৰাৰে অনুষ্ঠিত হ'ল কুমাৰী পূজা

## কুমাৰী পূজাত সেৱা ল'লে বৰক্ষেত্ৰীৰ বিধায়ক নাৰায়ণ ডেকাই

**অসম বাৰ্তা, বৰক্ষেত্ৰী, ২২ অক্টোবৰ ঃ** নলবাৰী জিলাৰ বৰক্ষেত্ৰীৰ ঐতিহ্যমণ্ডিত আদাট্টাৰী নৱৰাত্ৰি দুৰ্গা মন্দিৰত পূৰ্ব্বাপৰ পৰম্পৰা আৰু ধৰ্মীয় ৰীতি-নীতিৰে অনুষ্ঠিত হয় কুমাৰী পূজা। শ্ৰী শ্ৰীমদ্ নিত্যানন্দ ব্ৰহ্মচাৰীয়ে প্ৰতিষ্ঠা কৰা এই পূজাই ইতিমধ্যে ৬০ টাকৈ বৰ্ষ সফলতাৰে অতিক্ৰম কৰিলে। আদাট্টাৰীস্থিত বৰক্ষেত্ৰী নৱৰাত্ৰি দুৰ্গা মন্দিৰত ১১ দিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে পালন কৰা হৈছিল দুৰ্গা পূজা। প্ৰতিদিনে পুৱা বিহিত পূজা, চণ্ডী পাঠ, হোম, ওজাপালি, আইনাম আৰু ভোগ বিতৰণ, সন্ধিয়া আৰতি, নাগাৰা নামৰ লগতে থিয় নামো অনুষ্ঠিত হয়। আনহাতে, এই পূজাৰ মহা-নৱমীৰ বিশেষ আকৰ্ষণ আছিল পবিত্ৰ কুমাৰী পূজা। শাৰদীয় দুৰ্গোৎসৱৰ মহা নৱমী তিথি উপলক্ষে দুপৰীয়া ১২ বজাৰ পৰা মন্দিৰত অনুষ্ঠিত হয় কুমাৰী পূজা। এই পূজাত দেৱীৰ ন ৰূপ শৈলপুত্ৰী, ব্ৰহ্মচাৰিণী, চন্দ্ৰঘণ্টা, কুষ্মাণ্ডা, স্কন্দমাতা, কাত্যায়নী, কালৰাত্ৰি, মহাগৌৰী আৰু সিদ্ধিদাত্ৰী ৰূপত ৯ গৰাকী কুমাৰী ছোৱালীক সজাই-পৰাই পূজা-অৰ্চনা কৰা হয়। এই কুমাৰী পূজাত ভক্তৰ লগত বৰক্ষেত্ৰী সমষ্টিৰ বিধায়ক নাৰায়ণ ডেকা উপস্থিত থাকি কুমাৰী সকলৰ পৰা আশীৰ্বাদ লোৱাও পৰিলক্ষিত হয়। এই কুমাৰীসকলক দেৱী দুৰ্গাৰ ৰূপ বুলি জ্ঞান কৰি পাদ্য-অৰ্ঘ্যৰে ভক্তি নিবেদন কৰা হয়। সনাতনী পৰম্পৰা অক্ষুণ্ণ ৰাখি অনুষ্ঠিত কৰা এই পূজা চাবলৈ অসমৰ বিভিন্ন প্ৰান্তৰ পৰা ভক্তৰ সমাগম ঘটাও পৰিলক্ষিত হয়। উল্লেখ্য যে দশমীৰ দিনাই দশমী পূজা, অপৰাজিতা পূজা আৰু দেৱী বিসৰ্জনেৰে ১১ দিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত এই দুৰ্গা পূজাৰ সামৰণি পৰে।

# তিনিচুকীয়াৰ গোলাপচন্দ্ৰ ৰবিচন্দ্ৰ পূজা মন্দিৰৰ ১২৫ বছৰীয়া জয়ন্তীৰ সামৰণি; স্মৃতিগ্ৰন্থ উন্মোচন

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ২২ অক্টোবৰ ঃ** তিনিচুকীয়াৰ ঐতিহ্যমণ্ডিত গোলাপচন্দ্ৰ ৰবিচন্দ্ৰ পূজা মন্দিৰৰ ১২৫ বছৰীয়া জয়ন্তীৰ বৰ্ষ জোৰা সামৰণি অনুষ্ঠানৰ লগত সংগতি ৰাখি এখনি স্মৃতি গ্ৰন্থ উন্মোচনৰ বাবে মঙলবাৰে দুপৰীয়া এখন সভাৰ আয়োজন কৰা হয়। উক্ত সভাত সভাপতিত্ব কৰে মন্দিৰ সমিতিৰ সভাপতি উদ্ধৱ শৰ্মাই আৰু উদ্দেশ্য ব্যাখ্যা কৰে সম্পাদক দিগন্ত ভট্টাচাৰ্যই। সভাত তিনিচুকীয়া বিধান সভা সমষ্টিৰ বিধায়ক পুলক গোহাঁই, তিনিচুকীয়া পৌৰসভাৰ পৌৰপতি পুলক চেতিয়া, জ্যেষ্ঠ সাংবাদিক অমূল্য খাটনিয়াৰ, মন্দিৰ সমিতিৰ বয়োজ্যেষ্ঠ উপদেষ্টা থানেশ্বৰ বৰুৱা, পৰমা বৰুৱাকে প্ৰমুখ্য কৰি কেইবগৰাকী গণ্য মান্য ব্যক্তি উপস্থিত থাকে। নিজৰ ভাষণ প্ৰসংগত বিধায়ক পুলক গোহাঁইয়ে ১৯০১চনত স্থাপিত মন্দিৰ ভাগিৰ বৰ্ত্তমানৰ নিৰ্মাণ আৰু উন্নয়নত সন্তোষ প্ৰকাশ কৰে। স্মৃতি গ্ৰন্থখনিত উল্লিখিত তথ্যসমূহৰ বিষয়ে কয় যে স্মৃতিগ্ৰন্থখনিত বহু গুৰুত্বপূৰ্ণ তথ্য আছে যি নৱ প্ৰজন্মৰ বাবে অতি দৰকাৰী আৰু গুৰুত্বপূৰ্ণ। সেয়েহে এই ধৰণৰ তথ্য সমূহ ডিজিটেল প্ৰক্ৰিয়াৰে সংৰক্ষণ কৰিব লাগে। সভাত বক্তব্য ৰখা প্ৰতিগৰাকী ব্যক্তিয়ে অতীজৰ মন্দিৰত পূজাৰ সময়ত হোৱা অসুবিধাসমূহ আৰু দান বৰঙনি সংগ্ৰহ ইত্যাদি প্ৰসংগ উল্লেখ কৰে। সকলো বক্তাই মন্দিৰ ভাগিত জাতি, ধৰ্ম, বৰ্ণ, ভাষা নিৰ্বিশেষে এক আধ্যাত্মিক কেন্দ্ৰ গঢ়ি তোলাত গুৰুত্ব আৰোপ কৰে। সভাত মন্দিৰৰ তিনিগৰাকী অক্লান্ত কৰ্মীক সম্বৰ্ধনা জনোৱাৰ লগতে ১৭ অক্টোবৰত তাৰিখে অনুষ্ঠিত গোঁসানী নাম, উৰুলি আৰু শঙ্খ প্ৰতিযোগিতাৰ বিজয়ী সকলক নগদ ধন আৰু বঁটা প্ৰদান কৰা হয়।

## জুবিনৰ স্মৃতি আৰু প্ৰকৃতি সংৰক্ষণৰ বাৰ্তাৰে দৃষ্টি আকৰ্ষণ কৰিছে পূজা মণ্ডপে

# জুবিন গাৰ্গৰ প্ৰকৃতি প্ৰেমৰ প্ৰতিফলন দেৰগ্ৰাম ৰাজহুৱা দুৰ্গোৎসৱত

**অসম বাৰ্তা, দেৰগাঁও, ২২ অক্টোবৰ ঃ** শাৰদীয় দুৰ্গোৎসৱৰ উছাহৰ মাজতে সকলোৰে দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে দেৰগাঁৱৰ দেৱগ্ৰাম ৰাজহুৱা দুৰ্গোৎসৱে। প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰাৰ লগতে তেওঁৰ প্ৰকৃতিৰ প্ৰতি থকা ভালপোৱাৰ ভাবধাৰাক প্ৰতিফলিত কৰি এইবাৰ প্ৰস্তুত কৰা হৈছে ব্যতিক্ৰমী পূজা মণ্ডপ। দেৰগাঁও বাছ আস্থানৰ সমীপত অনুষ্ঠিত এই দুৰ্গোৎসৱত পূজা দৰ্শনৰ লগতে বিশেষ মণ্ডপটোৰ সৈতে ফটো আৰু ছেল্‌ফি উঠিবলৈও ভিৰ কৰা পৰিলক্ষিত হৈছে ভক্ত-দৰ্শনাৰ্থীৰ। উল্লেখ্য যে ২০১৮ চনৰ পৰাই দেৱগ্ৰাম ৰাজহুৱা দুৰ্গোৎসৱে প্ৰতিবছৰে আকৰ্ষণীয় পূজা মণ্ডপ আৰু ব্যতিক্ৰমী বিষয়বস্তুৰে ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰি আহিছে। বিগত বৰ্ষসমূহত বিভিন্ন প্ৰতিযোগিতাত প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থানকে ধৰি একাধিক সন্মান লাভ কৰিবলৈও সক্ষম হৈছে পূজা উদ্‌যাপন সমিতিখন। এইবাৰ পূজা মণ্ডপৰ অন্যতম বিশেষত্ব হৈছে প্ৰকৃতি সংৰক্ষণৰ বাৰ্তা। গছ-গছনি ৰোপণ, বনাঞ্চল সংৰক্ষণ আৰু প্ৰকৃতিৰ সৈতে মানুহৰ নিবিড় সম্পৰ্কৰ বিষয়সমূহ বিভিন্ন প্লে'কাৰ্ডৰ জৰিয়তে উপস্থাপন কৰা হৈছে। জুবিন গাৰ্গৰ প্ৰকৃতিৰ প্ৰতি থকা অনুৰাগক বিষয়বস্তু হিচাপে লৈ নিৰ্মাণ কৰা এই মণ্ডপে ভক্তিৰ পৰিৱেশৰ মাজতে পৰিৱেশ সংৰক্ষণৰ গুৰুত্বৰ কথাও সোঁৱৰাই দিছে। দুৰ্গাদেৱীৰ বন্দনাৰ লগতে প্ৰকৃতিৰ সৌন্দৰ্য আৰু সংৰক্ষণৰ বাৰ্তাৰে সজাই তোলা মণ্ডপটোৱে বিশেষকৈ নৱপ্ৰজন্মৰ মাজত ব্যাপক চৰ্চা লাভ কৰিছে। বহু দৰ্শনাৰ্থীয়ে মণ্ডপটোৰ সৈতে ফটো তুলি এই বিশেষ মুহূৰ্ত স্মৰণীয় কৰি ৰখাৰ চেষ্টা কৰা দেখা গৈছে। মহাষ্টমীৰ দিনা দেৰগাঁৱৰ লগতে অসমৰ বিভিন্ন প্ৰান্তৰ পৰা অহা ভক্ত-দৰ্শনাৰ্থীৰ ব্যাপক সমাগমেৰে পূজাস্থলী লোকাৰণ্য হৈ পৰে। আয়োজকসকলৰ মতে, এইবাৰো পূজা মণ্ডপটোৱে ৰাইজৰ সমাদৰ লাভ কৰিছে আৰু প্ৰতিযোগিতাত সন্তোষজনক ফলাফল লাভৰ আশা কৰিছে তেওঁলোকে। সামগ্ৰিকভাৱে, দেৱগ্ৰাম ৰাজহুৱা দুৰ্গোৎসৱে ধৰ্মীয় পৰম্পৰাৰ সৈতে প্ৰকৃতি সংৰক্ষণৰ বাৰ্তা আৰু জুবিন গাৰ্গৰ স্মৃতিক একত্ৰিত কৰি ডেৰগাঁৱৰ দুৰ্গোৎসৱৰ বিশেষ আকৰ্ষণ হিচাপে পৰিগণিত হৈছে।

# ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সুধাকণ্ঠ ড° হাজৰিকা পৰিৱেশ্য কলা কেন্দ্ৰৰ উদ্যোগত গীতিকাৰ তফজ্জুল আলিৰ ৯৭ সংখ্যক ওপজা উদ্‌যাপন

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ২২ অক্টোবৰ ঃ** ঐতিহ্যমণ্ডিত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ড° ভূপেন হাজৰিকা পৰিৱেশ্য কলা অধ্যয়ন কেন্দ্ৰৰ উদ্যোগত আৰু মনোহাৰী দেৱী মহিলা মহাবিদ্যালয়ৰ সহযোগত গীতিকাৰ, শিক্ষাবিদ, পদ্মশ্ৰী তফজ্জুল আলিৰ ৯৭ সংখ্যক ওপজা দিন উপলক্ষে 'বকুলৰ গোন্ধ পোৱা নাই' এটি গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠান অনুষ্ঠিত হয়। মনোহাৰী দেৱী মহিলা মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা এই জন্মদিনৰ বন্তি প্ৰজ্বলন কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড অনুপ জ্যোতি ভৰালী, বিশিষ্ট অনাতাঁৰ শিল্পী সান্ত্বনা বৰুৱা, ড° ভূপেন হাজৰিকা পৰিৱেশ্য কলা অধ্যয়ন কেন্দ্ৰৰ অধ্যক্ষ, প্ৰাধ্যাপিকা ড পল্লৱীবুজৰ বৰুৱা, মহাবিদ্যালয়ৰ উপাধ্যক্ষ অনিৰুদ্ধ দত্ত, প্ৰাক্তন অধ্যক্ষ ড° গায়ত্ৰী দেৱী গোস্বামী, প্ৰাক্তন অধ্যাপিকা ড° অঞ্জু বৰা, সাংবাদিক যাদৱ গগৈ, পৰিৱেশ্য কলা অধ্যয়ন কেন্দ্ৰৰ সহ অধ্যাপক ড° মৃণাল বৰুৱা, অৰুণ হাজৰিকা, বেদান্ত বৰপাত্ৰকে ধৰি অধ্যাপক অধ্যাপিকা, ছাত্ৰ-ছাত্ৰী সকল উপস্থিত থাকে। ড° ভূপেন হাজৰিকাৰ পৰিৱেশ্য কলা অধ্যয়ন কেন্দ্ৰৰ সংগীত বিভাগৰ ছাত্ৰ ছাত্ৰী সকলে তফজ্জুল আলিৰ দ্বাৰা ৰচিত গীত সমবেত সংগীতেৰে শুভাৰম্ভ কৰে। প্ৰাধ্যাপিকা ড° পল্লৱী ডেকা বুজৰবৰুৱা অনুষ্ঠানটো শুভ উদ্বোধন কৰি গীতিকাৰ তফজ্জুল আলিৰ গীতৰ সৃষ্টি আৰু সুৰৰ কোমলতা আৰু প্ৰতিগৰাকী শ্ৰোতাক কিদৰে আকৰ্ষণ কৰা লগতে মোহাচ্ছন্ন কৰা বিষয়ে নিজৰ ভাষণত উল্লেখ কৰে। গীতিকাৰ তফজ্জুল আলিৰ গীতে অসমীয়া সংগীতৰ ক্ষেত্ৰখনলৈ কেনেদৰে নৱজাগৰণ তথা নতুন যুগৰ সূচনা কৰিছিল সেই বিষয়ে খুব সুন্দৰকৈ আকৰ্ষণীয় ৰূপত উপস্থাপন কৰি সকলোকে আপ্লুত কৰে। বিশিষ্ট শিল্পী সান্ত্বনা বৰুৱাই তফজ্জুল আলিৰ কেইবাটাও গীত আৰু তেখেতৰ সান্নিধ্য লাভ কৰাৰ লগতে কিদৰে গীত গাবলৈ গীত লিখি দিছিল আৰু অনুশীলন কৰিছিল সেই বিষয়ে উল্লেখ কৰা লগতে তেখেতে অতি সুন্দৰ ভাবে গীতৰ কলি সমূহ গুণগুণাই উপস্থিত সকলোকে আপ্লুত কৰি তোলে। অনুষ্ঠানটোত বিশ্ববিদ্যালয়ৰ পৰিৱেশ্য কলা অধ্যয়ন কেন্দ্ৰ আৰু মহাবিদ্যালয়ৰ ছাত্ৰী সকলে গীত আৰু নৃত্য পৰিৱেশন কৰে। অনুষ্ঠানত ইমন সৌৰভ বৰুৱা, আৰোহণ কৌশিক, জ্যোতিক্ষা মহন্ত, কৰিশ্মিতা ভৰলোৱা, প্ৰতীক্ষা হাজৰিকা, জোছনা দাস, জাহ্নৱী ফুকন, অধ্যাপিকা পুষ্পা গাঁওখোৱা, প্ৰাৰ্থনা সন্দিকৈ, অন্বেষা শইকীয়া, দ্বীপৰীমা দত্ত আদিয়ে গীত, কবিতা আৰু নৃত্য পৰিৱেশন কৰি বহুদিন বকুলৰ গোন্ধ পোৱা নাই অনুষ্ঠানটো জিপাল কৰি তোলে।

## হায়দৰাবাদ হাউচত মোদী-টস্কৰ যুটীয়া

আপোনাৰ ভূমিকাক আমি প্ৰশংসা কৰোঁ। অস্থিৰতা, ৰাজনৈতিক অনিশ্চয়তা আৰু সংকটৰ এই সময়ত ই এক আশাৰ সংকেত। ভাৰতৰ দৰে শক্তিশালী দেশৰ প্ৰধানমন্ত্ৰী হিচাপে আপোনাৰ নেতৃত্ব আমাৰ সকলোৰে বাবে আশাৰ ৰেঙণি।" তেওঁ লগতে কয় যে ভৌগোলিক দূৰত্বৰ বাহিৰে ভাৰত আৰু পোলেণ্ডৰ মাজত বহু ক্ষেত্ৰত সাদৃশ্য আছে। দুয়োখন দেশৰ মাজত স্বাৰ্থৰ কোনো সংঘাত নাই আৰু বিভাজন সৃষ্টি কৰা কোনো ঐতিহাসিক সমস্যাও নাই। বিশ্বাস, উমৈহতীয়া মূল্যবোধ আৰু অহিংসাৰ আদৰ্শৰ ভিত্তিত দুয়োখন দেশে বন্ধুত্ব গঢ়ি তুলিছে বুলি উল্লেখ কৰি টস্কই কয় যে প্ৰধানমন্ত্ৰী মোদীক নিজৰ বন্ধু বুলি সম্বোধন কৰিব পাৰি এই কথা তেওঁৰ বাবে গৌৰৱৰ বিষয়। প্ৰধানমন্ত্ৰী মোদীৰ সৈতে হোৱা আলোচনাৰ বিষয়ে অৱগত কৰি পোলেণ্ডৰ প্ৰধানমন্ত্ৰী টস্কই জনায় যে ভাৰত-পোলেণ্ড কৌশলগত অংশীদাৰিত্ব বিকশিত আৰু শক্তিশালী কৰাৰ উপায় সম্পৰ্কে তেওঁলোকে গুৰুত্বপূৰ্ণ তথা অৰ্থপূৰ্ণ আলোচনা সম্পূৰ্ণ কৰিছে। এই অংশীদাৰিত্বৰ প্ৰাৰম্ভিক ফলাফলসমূহ পৰ্যালোচনা কৰাৰ লগতে আগন্তুক বছৰবোৰত সহযোগিতাৰ অগ্ৰাধিকাৰসমূহ নিৰ্ধাৰণ কৰাৰ ওপৰত দুয়ো পক্ষে গুৰুত্ব আৰোপ কৰে। টস্কই আৰু কয় যে অৰ্থনীতি আৰু ব্যৱসায়িক সম্পৰ্ক ভাৰত-পোলেণ্ড কৌশলগত অংশীদাৰিত্বৰ আটাইতকৈ গুৰুত্বপূৰ্ণ ভেটি। এই কাৰণে তেওঁৰ ভ্ৰমণকালত দুয়োখন দেশৰ কোম্পানীসমূহৰ প্ৰতিনিধিৰ মাজত বৈঠক অনুষ্ঠিত হ'ব। তেওঁৰ প্ৰতিনিধি দলত পোলেণ্ডৰ কোম্পানী আৰু ব্যৱসায়িক অংশীদাৰিত্বৰ প্ৰতিনিধিসকল অন্তৰ্ভুক্ত হৈছে বুলি তেওঁ সদৰি কৰে। তেওঁৰ মতে, ভাৰত-পোলেণ্ড সম্পৰ্কৰ ইতিহাসত এই ধৰণৰ ভ্ৰমণ এতিয়ালৈকে আটাইতকৈ বৃহৎ। দুয়োখন দেশে অৰ্থনৈতিক সম্পৰ্ক অধিক শক্তিশালী কৰাৰ লগতে ব্যৱসায় আৰু বিনিয়োগৰ নতুন সুযোগ অন্বেষণত কাম কৰি আছে। আনহাতে, যুটীয়া সংবাদমেলত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে ভাৰত-ইউৰোপীয় সংঘৰ মুক্ত বাণিজ্য চুক্তিয়ে ভাৰত-পোলেণ্ড অংশীদাৰিত্বৰ সুযোগক বিশেষ গুৰুত্ব প্ৰদান কৰিছে। তেওঁ মন্তব্য কৰে, "আমাৰ ক্ৰমবৰ্ধমান অৰ্থনৈতিক শক্তিয়ে ভাৰত-পোলেণ্ড অংশীদাৰিত্বৰ বাবে নতুন সুযোগৰ সৃষ্টি কৰিছে। ভাৰত-ইউৰোপীয় সংঘৰ মুক্ত বাণিজ্য চুক্তিয়ে এই সুযোগসমূহ আৰু বহল কৰি তুলিছে।" যুটীয়া সংবাদমেলত অংশগ্ৰহণ কৰাৰ পূৰ্বে দুয়োগৰাকী নেতাই গুৰুত্বপূৰ্ণ বুজাবুজি চুক্তি আদান-প্ৰদান কৰে। পোলেণ্ডৰ প্ৰধানমন্ত্ৰী টস্কক ভাৰতলৈ আদৰণি জনাই প্ৰধানমন্ত্ৰী মোদীয়ে ২০২৪ চনত পোলেণ্ড ভ্ৰমণৰ কথা স্মৰণ কৰি কয় যে সেই ভ্ৰমণৰ সময়ত দুয়োখন দেশৰ সম্পৰ্কক কৌশলগত অংশীদাৰিত্বৰ স্তৰলৈ উন্নীত কৰা হৈছিল। তেওঁ কয়, "২০২৪ চনত মোৰ পোলেণ্ড ভ্ৰমণৰ সময়ত তেওঁ মোক আৰু মোৰ প্ৰতিনিধি দলটোক আন্তৰিকতাৰে আদৰণি জনাইছিল। সেই ভ্ৰমণৰ সময়ত আমি আমাৰ সম্পৰ্কক কৌশলগত অংশীদাৰিত্বৰ স্তৰলৈ উন্নীত কৰিলোঁ। এই শক্তিশালী ভেটিৰ ওপৰত নিৰ্মাণ কৰি আমাৰ অংশীদাৰিত্বই বিগত দুবছৰত নতুন গতি লাভ কৰিছে।" দুয়োখন দেশৰ মাজত থকা ঐতিহাসিক সম্পৰ্কৰ ওপৰত আলোকপাত কৰি প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে কূটনৈতিক সম্পৰ্কৰ উপৰিও ভাৰত-পোলেণ্ডৰ বন্ধুত্বৰ মূলতে আছে মানৱতা আৰু সহানুভূতিৰ আদান-প্ৰদানৰ ঐতিহ্য। তেওঁৰ মতে, এই বন্ধুত্ব কেৱল কূটনৈতিক সম্পৰ্কৰ ওপৰত ভিত্তি কৰি নহয়, বৰঞ্চ মানৱতা আৰু সহানুভূতিৰ ভাগ-বতৰা ঐতিহ্যৰ ওপৰত ভিত্তি কৰি গঢ় লৈ উঠিছে। দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত পোলেণ্ডৰ পৰিয়ালসমূহলৈ আগবঢ়োৱা সাহায্যৰ কথা সুঁৱৰি প্ৰধানমন্ত্ৰী মোদীয়ে কয়, "দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত জামনগৰ আৰু কোলহাপুৰৰ ৰাজ পৰিয়ালে ভাৰতত থকা হাজাৰ হাজাৰ পোলেণ্ডৰ পৰিয়াল আৰু শিশুক আশ্ৰয় দিছিল।" উল্লেখ্য যে সংবাদমেলৰ পূৰ্বে প্ৰধানমন্ত্ৰী মোদীয়ে হায়দৰাবাদ হাউচত পোলেণ্ডৰ প্ৰধানমন্ত্ৰী ড'নাল্ড টস্কৰ সৈতে এক দ্বিপাক্ষিক বৈঠকত মিলিত হয়। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে 'এক্স'ত প্ৰকাশ কৰা অনুসৰি, প্ৰধানমন্ত্ৰী মোদীয়ে হায়দৰাবাদ হাউচত পোলেণ্ডৰ প্ৰধানমন্ত্ৰী টস্কক উষ্ম আদৰণি জনায় আৰু ভাৰত-পোলেণ্ড সম্পৰ্ক আৰু অধিক শক্তিশালী কৰা তথা নতুন সুযোগ মুকলি কৰাৰ আলোচনা চলি আছে। ইয়াৰ পূৰ্বে নতুন দিল্লীৰ ৰাজঘাটত টাস্কে মহাত্মা গান্ধীৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী এছ জয়শংকৰেও পোলেণ্ডৰ প্ৰধানমন্ত্ৰীক সাক্ষাৎ কৰি বিভিন্ন খণ্ডত দুয়োখন দেশৰ মাজত সহযোগিতা সম্পৰ্কে আলোচনা কৰে। মন্ত্ৰী জয়শংকৰে 'এক্স'ত লিখিছে, "পোলেণ্ডৰ প্ৰধানমন্ত্ৰী ড'নাল্ড টস্কক আদৰণি জনাই আনন্দিত হৈছো। ভাৰত-পোলেণ্ডৰ সহযোগিতা শক্তিশালী কৰাৰ ক্ষেত্ৰত তেওঁৰ চিন্তাধাৰাসমূহ বিস্তৃতভাৱে প্ৰকাশ কৰাৰ বাবে শলাগ লৈছো। আমাৰ কৌশলগত অংশীদাৰিত্বক আগুৱাই নিয়াৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সৈতে তেওঁৰ বৈঠকৰ বাবে আগ্ৰহী।" উল্লেখ্য যে বুধবাৰে সন্ধিয়া তিনি দিনীয়া ভ্ৰমণসূচীৰে প্ৰধানমন্ত্ৰী টাস্ক নতুন দিল্লীত উপস্থিত হৈছিল। এই ভ্ৰমণৰ সময়ত দুয়োখন দেশৰ প্ৰতিৰক্ষা, বাণিজ্য আৰু কৌশলগত খণ্ডত দ্বিপাক্ষিক সহযোগিতা বৃদ্ধি কৰাৰ লক্ষ্য ৰখা হৈছে। বিমানবন্দৰত উপস্থিত হোৱাৰ পিছত প্ৰধানমন্ত্ৰী টাস্কক কেন্দ্ৰীয় মন্ত্ৰী ৰাজ ভূষণ চৌধুৰীয়ে উষ্ম আদৰণি জনাইছিল। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নিমন্ত্ৰণমৰ্মে অনুষ্ঠিত এই ভ্ৰমণৰ মূল উদ্দেশ্য হৈছে ২০২৪ চনত স্থাপিত কৌশলগত অংশীদাৰিত্বক আৰু অধিক আগবঢ়াই নিয়া।

## জিঅ' প্লেটফৰ্মছৰ আইপিঅ'ত দ্বিতীয় দিনাও

বিপৰীতে ৯.৪২ গুণ আবেদন লাভ কৰিছে। নন-ইনষ্টিটিউচনেল ইনভেষ্টৰ (NII) শাখাত ১.৮৩ গুণ ছাবস্ক্ৰিপশ্যন হৈছে। কৰ্মচাৰীৰ বাবে সংৰক্ষিত শাখাত ১.৪৮ গুণ আৰু শ্বেয়াৰহোল্ডাৰৰ বাবে সংৰক্ষিত শাখাত ১.৬৫ গুণ ছাবস্ক্ৰিপশ্যন হৈছে। আনহাতে, খুচুৰা বিনিয়োগকাৰীৰ শাখাত ছাবস্ক্ৰিপশ্যনৰ পৰিমাণ ০.৮৬ গুণ। ভাৰতৰ সৰ্ববৃহৎ এই পাব্লিক ইছ্যুত মুঠ ১৯.৭৫ কোটি শ্বেয়াৰ বিক্ৰীৰ বাবে আগবঢ়োৱা হৈছে। ইয়াৰ বিপৰীতে বিনিয়োগকাৰীয়ে প্ৰায় ৬৪.৫৭ কোটি শ্বেয়াৰৰ বাবে আবেদন কৰিছে। এই পৰিসংখ্যাই আইপিঅ'টোৰ প্ৰতি বিনিয়োগকাৰীৰ ব্যাপক আগ্ৰহ প্ৰকাশ কৰিছে। Investorgain.com-ৰ তথ্য অনুসৰি, বৃহস্পতিবাৰে পুৱা জিঅ' প্লেটফৰ্মছৰ গ্ৰে' মাৰ্কেট প্ৰিমিয়াম (GMP) প্ৰতিটো শ্বেয়াৰত ২৪৬ টকা আছিল। কোম্পানীটোৰ আইপিঅ'ৰ প্ৰাইচ বেণ্ডৰ সৰ্বোচ্চ সীমা ১, ১১৯ টকাৰ তুলনাত এই পৰিমাণ প্ৰায় ২১.৯৮ শতাংশ প্ৰিমিয়ামৰ ইংগিত দিয়ে। এই প্ৰিমিয়ামৰ ভিত্তিত শ্বেয়াৰটোৰ সম্ভাব্য তালিকাভুক্তি মূল্য প্ৰতিটো শ্বেয়াৰত প্ৰায় ১, ৩৬৫ টকা হ'ব পাৰে বুলি অনুমান কৰা হৈছে। কিন্তু মনত ৰখা উচিত যে GMP হৈছে এক অনানুষ্ঠানিক সূচক। তালিকাভুক্তিৰ পূৰ্বে ইয়াৰ মূল্যৰ উঠা-নমা হ'ব পাৰে। সেয়েহে গুত্তন্ন-ৰ ভিত্তিত শ্বেয়াৰটোৰ প্ৰকৃত তালিকাভুক্তি মূল্য বা লাভৰ কোনো নিশ্চয়তা দিব নোৱাৰি। বুধবাৰে অভিলেখ গঢ়া আৰম্ভণিৰ পাছত দ্বিতীয় দিনাও জিঅ' প্লেটফৰ্মছৰ শ্বেয়াৰৰ বাবে ব্যাপক আবেদন লাভ কৰা হৈছে। ষ্টক এক্সচেঞ্জৰ তথ্য অনুসৰি, প্ৰথম দিনাই কোম্পানীটোৰ আইপিঅ' ৩.১৬ গুণ ছাবস্ক্ৰাইব হৈছিল। বিডিং আৰম্ভ হোৱাৰ প্ৰায় ১০০ মিনিটৰ ভিতৰতে আইপিঅ'ই সম্পূৰ্ণ ছাবস্ক্ৰিপশ্যনৰ সীমা অতিক্ৰম কৰিছিল। প্ৰথম দিনাৰ শেষত ত্বটট্ৰ শাখাত ৯.৪২ গুণ আবেদন জমা পৰিছিল। পাব্লিক ইছ্যু মুকলি কৰাৰ পূৰ্বেই কোম্পানীটোৱে এংকৰ বিনিয়োগকাৰীৰ পৰা ব্যাপক সঁহাৰি লাভ কৰিছিল। এংকৰ বুকত আবণ্টিত শ্বেয়াৰৰ তুলনাত ৩০ গুণতকৈও অধিক চাহিদা দেখা গৈছিল। জিঅ' প্লেটফৰ্মছে ২১২ গৰাকী এংকৰ বিনিয়োগকাৰীক প্ৰায় ৮, ১১০ কোটি টকা মূল্যৰ শ্বেয়াৰ আবণ্টন কৰিছে। বাতৰি অনুসৰি, এই আইপিঅ'ত সৰ্বাধিক ২৭ কোটি নতুন শ্বেয়াৰ ইছ্যু কৰা হৈছে। ইয়াৰ জৰিয়তে সংগ্ৰহ কৰা ধন কোম্পানীটোৰ আৰ্থিক আৰু ব্যৱসায়িক প্ৰয়োজনত ব্যৱহাৰ কৰা হ'ব। ইয়াৰ ভিতৰত সহযোগী প্ৰতিষ্ঠান ৰিলায়েঞ্চ জিঅ' ইনফ'কমৰ ঋণ পৰিশোধ কৰাৰ লগতে ডিজিটেল সেৱা আৰু প্ৰযুক্তিগত আন্তঃগাঁথনিত বিনিয়োগ কৰাও অন্তৰ্ভুক্ত। ৰিলায়েঞ্চ ইণ্ডাষ্ট্ৰীজৰ টেলিকম আৰু ডিজিটেল ব্যৱসায়ৰ শাখা জিঅ' প্লেটফৰ্মছ লিমিটেডৰ ৩০, ২১৩ কোটি টকাৰ আইপিঅ'লৈ প্ৰথম দিনাই বিনিয়োগকাৰীৰ মাজত ব্যাপক উৎসাহ দেখা গৈছিল। বুধবাৰ, চৰ অক্টোবৰ, ২০২৬ত বিডিং আৰম্ভ হোৱাৰ পাছত প্ৰথম দিনাই সামগ্ৰিকভাৱে আইপিঅ'টো ৩.২ গুণ ছাবস্ক্ৰাইব হৈছিল। প্ৰতিষ্ঠানগত বিনিয়োগকাৰীৰ পৰা সৰ্বাধিক সঁহাৰি লাভ কৰা হৈছিল আৰু QIB শাখাত সংৰক্ষিত শ্বেয়াৰৰ তুলনাত ৯.৪২ গুণ আবেদন লাভ কৰিছিল। ভাৰতৰ শ্বেয়াৰ বজাৰৰ ইতিহাসৰ সৰ্ববৃহৎ এই পাব্লিক ইছ্যুৱে বিডিং আৰম্ভ হোৱাৰ মাত্ৰ ১০০ মিনিটতে সম্পূৰ্ণ ছাবস্ক্ৰিপশ্যনৰ সীমা অতিক্ৰম কৰি নতুন অভিলেখ গঢ়িছিল। প্ৰতিষ্ঠানগত বিনিয়োগকাৰীৰ উপৰি NII, কৰ্মচাৰীৰ বাবে সংৰক্ষিত শাখা আৰু শ্বেয়াৰহোল্ডাৰৰ বাবে নিৰ্ধাৰিত শাখাতো আবণ্টিত শ্বেয়াৰতকৈ অধিক আবেদন লাভ কৰা হৈছে।

## কংগ্ৰেছক অহা ৩০ বছৰলৈ সুযোগ নিদিয়ে

কংগ্ৰেছক সমালোচনা কৰি তেওঁ বুজাই দিয়ে যে দেশৰ জনসাধাৰণে এতিয়া দলটোৰ ৰাজনীতি বুজি পাইছে। কংগ্ৰেছে এই কথা উপলব্ধি কৰা উচিত যে নিৰ্বাচনত পৰাজয়ৰ বাবে প্ৰতিবাৰেই ইভিএম বা নিৰ্বাচন আয়োগক দায়ী কৰিব নোৱাৰি। অমিত শ্বাহে কংগ্ৰেছৰ নিৰ্বাচনী অৱস্থাৰ প্ৰসংগ টানি গুজৰাট, উত্তৰ প্ৰদেশ, পশ্চিমবংগ, তামিলনাডু, ৰাজস্থান, মধ্য প্ৰদেশ, অৰুণাচল প্ৰদেশ, মিজোৰাম, মণিপুৰ, দিল্লী আৰু অসমত দলটোৰ চৰকাৰ গঠন নোহোৱাৰ কথা উল্লেখ কৰে। তেওঁ কয় যে এই ৰাজ্যসমূহত কংগ্ৰেছ দীৰ্ঘদিন ধৰি ক্ষমতালৈ আহিব পৰা নাই। গৃহমন্ত্ৰীগৰাকীয়ে প্ৰশ্ন উত্থাপন কৰে যে যদি কেৱল নিৰ্বাচন আয়োগ আৰু ইভিএমৰ কাৰণেই কংগ্ৰেছে পৰাজয়ৰ সন্মুখীন হ'বলগীয়া হৈছে, তেন্তে বিভিন্ন ৰাজ্যত দলটোৰ নিৰ্বাচনী অৱস্থাৰ প্ৰকৃত কাৰণ কি। তেওঁ কয় যে কংগ্ৰেছৰ এই সমস্যা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী কেন্দ্ৰৰ ক্ষমতালৈ অহাৰ আগৰে পৰাই চলি আহিছে। গৃহমন্ত্ৰী শ্বাহে দাবী কৰে যে কংগ্ৰেছৰ বৰ্তমান ৰাজনীতিৰ গতি-প্ৰকৃতিৰ প্ৰতি লক্ষ্য ৰাখিলে অহা ৩০ বছৰলৈকে দলটোৰ চৰকাৰ গঠন নহ'ব। তেওঁ লগতে কয় যে বিজেপিৰ কৰ্মীসকলে বুথ পৰ্যায়ৰ পৰা আৰম্ভ কৰি ৰাষ্ট্ৰীয় নেতৃত্বলৈকে জনসাধাৰণৰ মাজত থাকে আৰু মানুহৰ সৈতে নিৰন্তৰ সম্পৰ্ক বজাই ৰাখে।

## কণ্টেণ্ট ক্ৰিয়েটৰ আমিৰ শ্বোকিনক গ্ৰেপ্তাৰ

আৰক্ষী থানাত এজাহাৰ দাখিল কৰা হয়। জানিব পৰা মতে, ত্ৰিপুৰাৰ যুৱকজনক লক্ষ্য কৰি কৰা এই গালি-গালাজ আৰু উপলুঙামূলক মন্তব্যসমূহৰ ভিডিঅ' সামাজিক মাধ্যমত ভাইৰেল হৈ পৰে। ইয়াৰ পিছতে ভিন্নজনে ত্ৰিপুৰা আৰক্ষী থানাত এজাহাৰ দাখিল কৰে। ঘটনা সন্দৰ্ভত অভিযুক্ত কনটেণ্ট ক্ৰিয়েটৰে ক্ষমা খুজিছিল যদিও অভিযোগৰ পৰা তেওঁ ৰক্ষা পোৱা নাই বুলি জানিব পৰা গৈছে। অৱশেষত এই ঘটনাৰ সৈতে সম্পৰ্কিত অভিযোগৰ ভিত্তিত দিল্লী আৰক্ষীয়ে আমিৰ শ্বোকিনক গ্ৰেপ্তাৰ কৰে। উত্তৰ-পূৱৰ যুৱকক জাতিগতভাৱে উপলুঙা কৰাৰ এই ঘটনাই সামাজিক মাধ্যমত ব্যাপক সমালোচনাৰ সৃষ্টি কৰিছে। আৰক্ষীৰ তদন্ত অব্যাহত থকা বুলি জানিব পৰা গৈছে।

## কাৰ্বি আংলং জিলাৰ কংগ্ৰেছৰ সভাপতিৰ

আগ'ষ্টিন ইংহিয়ে কংগ্ৰেছ দল ত্যাগ কৰিছে। তেওঁ দলৰ সকলো পদৰ লগতে প্ৰাথমিক সদস্যপদৰ পৰাও পদত্যাগ কৰি পদত্যাগপত্ৰ প্ৰদেশ কংগ্ৰেছ সভাপতি গৌৰৱ গগৈলৈ প্ৰেৰণ কৰিছে। জানিব পৰা মতে, আগ'ষ্টিন ইংহিয়ে কংগ্ৰেছ দলক সেৱা কৰাৰ সুযোগ দিয়াৰ বাবে ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গে, ছোনিয়া গান্ধী আৰু গৌৰৱ গগৈক ধন্যবাদ জ্ঞাপন কৰিছে। তেওঁ দুবাৰকৈ বিধানসভা নিৰ্বাচনত কংগ্ৰেছৰ প্ৰাৰ্থী হিচাপে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছিল-২০২১ চনত বৈঠালাংছ সমষ্টিৰ পৰা আৰু ২০২৬ চনত ৰংখাং সমষ্টিৰ পৰা। সূত্ৰ অনুসৰি, অতি শীঘ্ৰে আগ'ষ্টিন ইংহিয়ে বিজেপিত যোগদান কৰিব। গুৱাহাটীত মুখ্যমন্ত্ৰীৰ উপস্থিতিত অনুষ্ঠিত হ'বলগীয়া এই যোগদান কাৰ্যসূচীৰ জৰিয়তে তেওঁ বিজেপিত আনুষ্ঠানিকভাৱে অন্তৰ্ভুক্ত হ'ব বুলি জানিব পৰা গৈছে। ইতিমধ্যে কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তথা ৰংখাং বিধানসভা সমষ্টিৰ বিধায়ক তুলিৰাম ৰংহাঙে আগ'ষ্টিন ইংহিৰ সৈতে বৈঠকত মিলিত হৈ তেওঁৰ যোগদান নিশ্চিত কৰিছে। ইফালে, পশ্চিম কাৰ্বি আংলঙৰ এজন শক্তিশালী বিৰোধী নেতা হিচাপে পৰিচিত আগ'ষ্টিন ইংহিক তুলিৰাম ৰংহাঙে আগন্তুক পৰিষদৰ নিৰ্বাচনৰ বাবে তিনিটা সমষ্টিৰ ভিতৰত যিকোনো এটা বাছনি কৰিবলৈ দিছে। সেই সমষ্টিকেইটা হৈছে কপিলী, আমৰেং আৰু হামৰেণ পৰিষদীয় সমষ্টি। পৰিষদ নিৰ্বাচনৰ পূৰ্বে আগ'ষ্টিন ইংহিৰ কংগ্ৰেছ ত্যাগ পশ্চিম কাৰ্বি আংলং জিলা কংগ্ৰেছৰ বাবে এক গুৰুত্বপূৰ্ণ আঘাত হিচাপে বিবেচিত হৈছে।

## মহিলাক নৃশংসভাৱে হত্যা কৰি দুদিন ধৰি

অহা তথ্য অনুসৰি পৰকীয়া প্ৰেমৰ পৰিণতিতে সংঘটিত হৈছিল এই হত্যাকাণ্ড। এগৰাকী ৬ সন্তানৰ বিধবা মাতৃক পৰকীয়া প্ৰেমৰ বাবে ৰাইজৰ হেছাত বিয়া কৰাই আনি প্ৰেমিক ৰূপী হত্যাকাৰীয়ে ঘৰত অকথ্য নিৰ্যাতন দি হত্যা কৰে। পৰবৰ্তী সময়ত আৰক্ষীৰ অজ্ঞাতে দুদিনৰ পাছত সংকাৰ কৰি সমগ্ৰ হত্যাকাণ্ডটোক স্বাভাৱিক মৃত্যুৰ ৰূপ দিয়াৰ চেষ্টা কৰিছিল হত্যাকাৰীয়ে। ঘটনাৰ বিৱৰণী মতে ভূৰাগাঁও, থানাৰ অন্তৰ্গত গেৰুৱা বাঘউঠা গাঁৱৰ বুলবুল বড়োৰ সৈতে একে গাঁৱৰে ৬ সন্তানৰ বিধবা মাতৃ মিনু বড়োৰ আছিল অবৈধ সম্পৰ্ক। এনে সম্পৰ্কৰ বাবে গাঁৱৰ পৰিবেশ বিনষ্ট হৈছিল। যাৰ বাবে একাংশ মহিলাই বুলবুল বড়োক মিনু বড়োৰ ঘৰত হাতে লোতে ধৰি যোৱা ৰবি বাৰে চমজাই দিছিল বুলবুলক। বুলবুল বড়োৱে মিনু বড়োক নিজৰ ঘৰলৈ লৈ আহে ৰবিবাৰে। কিন্তু এই কথা সহজ ভাৱে লোৱা নাছিল বুলবুলৰ ভাতৃদ্বয় ক্ৰমে ঘটোৎকছ বড়ো আৰু দেৱজিৎ বড়োৱে। মৃত মিনু বড়োৰ ১৩ বছৰীয়া কণ্যা অঞ্জু মনি বড়োৱে জনোৱা মতে মাতৃক বুলবুলে ঘৰ সুমোৱাই অনা মাত্ৰকে ঘটোৎকছ বড়ো আৰু দেৱজিৎ বড়োৱে চোতালতে মাৰধৰ কৰে। তেনে মাৰ কিল খায়ো নিশা বুলবুলৰ লগত থাকে মিনু বড়ো। কিন্তু নিশাও মিনু বড়োৰ ওপৰত চলে পাশবিক নিৰ্যাতন। এনে নিৰ্যাতনৰ পৰা বুলবুল মিনুক ৰক্ষা কৰাৰ পৰিবৰ্তে সহযোগ কৰে ভাতৃদ্বয়ক। মঙ্গলবাৰে পুৱা ভাগত মাতৃ মিনু বড়োক সংকটজনক অৱস্থাত অঞ্জুমনিয়ে এজোপা গছৰ তলত প্ৰত্যক্ষ কৰে। সেই সময়ত মাতৃয়ে পানী খাব বিছাৰিছিল। অঞ্জুমনিয়ে হোটেলৰ পৰা পৰথা আৰু পানী আনি মাতৃক খুৱাব যত্ন কৰিছিল যদিও একো গিলিব পৰা নাছিল মিনুৱে। হঠাত সেই স্থানতে মাতৃ মিনু বড়ো অৱস হৈ ঢলি পৰে। পৰবৰ্তী সময়ত মিনু বড়োক পুনৰ বুলবুলৰ পৰিয়ালৰ লোকে ঘৰলৈ লৈ আহে। এই সময় ছোৱাত অসহায় মাতৃ গৰাকীক চিকিৎসা কৰাৰ কোনো ব্যৱস্থা কৰা হোৱা নাছিল। ঘৰৰ কোনো সদস্যই জনোৱা নাছিল আৰক্ষীক। ইফালে সেই নিশাই মিনু বড়োৱে শেষ নিশ্বাস ত্যাগ কৰিছিল বুলবুল বড়োৰ ঘৰত। কিন্তু বুলবুলৰ পৰিয়ালে ঘটনাটো লুকুৱাই ৰাখি মৃতদেহটো ঘৰৰ ভিতৰতে ৰাখি থৈছিল। ভূৰাগাঁও থানাৰ ভাৰপ্ৰাপ্ত বিষয়া বিশাল বনিকে জনোৱা মতে ঘটনাৰ দুদিনৰ পাছতো আৰক্ষীক পৰিয়ালৰ বা প্ৰতিবেশী কোনো লোকে জনোৱা নাছিল। সোমবাৰে সন্ধ্যা সময়তে মৃত্যু হোৱা মিনু বড়োৰ মৃতদেহ সংকাৰ সন্দৰ্ভতো কোনো সমাজৰ কাষ চপা নাছিল বুলবুলৰ পৰিয়াল। সমগ্ৰ ঘটনাটো গাপ দি পৰিয়ালৰ ভিতৰতে দুদিনৰ পিছত সংকাৰৰ বাবে আলোচনা চলি থাকোঁতেই বুধবাৰে পুৱা ১০ মান বজাত গোপন খবৰৰ ভিত্তিত ভূৰাগাঁও থানাৰ ভাৰপ্ৰাপ্ত বিষয়া বিশাল বনিকৰ নেতৃত্বত এটি আৰক্ষীৰ দল ঘটনাস্থলীত উপস্থিত হোৱাত হতভম্ব হয় বুলবুলৰ পৰিয়াল। বিশাল বনিকৰ তৎপৰতাত সমগ্ৰ ঘটনাটো পোহৰলৈ আহে। আৰক্ষীৰ উপস্থিতিৰ কথা জানি গাঁৱৰ স্থানীয় লোকো সমবেত হয় ঘটনা স্থলীত। মহিলা গৰাকীক হত্যাকৰি গোপনে সংকাৰৰ ষড়যন্ত্ৰ ৰচনা কৰা তিনি অভিযুক্ত ভাতৃ ক্ৰমে বুলবুল বড়ো ওৰফে হুছেইন ঘটোৎকছ বড়ো আৰু দেৱজিৎ বড়োক ঘটনা স্থলীতে আটক কৰে ভূৰাগাঁও আৰক্ষীয়ে। ইফালে ঘটনা স্থলীত স্থানীয় দণ্ডাধীশ মৃদুল কুমাৰ নাথ উপস্থিত হৈ বিভিন্ন লোকৰ পৰা সাক্ষ্য গ্ৰহণ কৰি মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰে। ঘটনাৰ সন্দৰ্ভত ভূৰাগাঁও থানাত ১৩৯/২৬ নম্বৰত এটি গোছৰ পঞ্জিয়ন কৰি আজি তিনি হত্যাকাৰী ক্ৰমে বুলবুল বড়ো ওৰফে হুছেইন, ঘটোৎকছ বড়ো, আৰু দেৱজিৎ বড়োক জেল হাজোতলৈ প্ৰেৰণ কৰে।

**পূৰ্বে পিতৃকো মৰিয়াই হত্যা কৰিছিল বুলবুলে**

ভূৰাগাঁও আৰক্ষীৰ তদন্তত পোহৰলৈ আহিছে বুলবুল বড়োৰ অপৰাধৰ বহু কলংকিত পৃষ্ঠা। এই বুলবুল বড়োৱে মৰিয়াই হত্যা কৰিছিল নিজৰ পিতৃক। পিতৃহন্তা বুলবুলক তেতিয়াৰ পৰা অঞ্চলৰ লোকে হুছেইন নামকৰণ কৰিছিল। পিতৃহন্তা বুলবুল বহু দিল জেলত থাকি ঘৰলৈ ঘূৰি আহি পুনৰ প্ৰতিবেশী এজনক মৰিয়াই হত্যাৰ চেষ্টা কৰিছিল যদিও কোনোমতে প্ৰাণ ৰক্ষা পৰিছিল লোকজনৰ। ইফালে দুই ভাতৃও অতি নৃশংস। যাৰবাবে গাঁৱৰ ৰাইজে দুৰত্ব বজাই চলিছিল পৰিয়াল টোৰ পৰা। এনে এটা ঘটনাৰ কথা জানিও পৰিয়াল টোৰ জঘন্য অপৰাধ প্ৰৱণতাৰ বাবেই আৰক্ষীক খবৰ দিবলৈকো ভয় কৰিছিল প্ৰতিবেশী লোকে। স্থানীয় লোকে তিনি হত্যাকাৰীক দৃষ্টান্ত মূলক শাস্তি প্ৰদানৰ দাবী কৰিছে।

## গৃহমন্ত্ৰী অমিত শ্বাহৰ জন্মদিনত দেশজুৰি

জ্ঞাপন কৰিছে। ২০২৬ চনৰ ২২ অক্টোবৰত এই বিশেষ দিনটোত গৃহমন্ত্ৰীগৰাকীৰ প্ৰশাসনিক দক্ষতা, দেশৰ অভ্যন্তৰীণ নিৰাপত্তাত লাভ কৰা সফলতা আৰু ড্ৰাগছমুক্ত সমাজ গঢ়াৰ প্ৰতিশ্ৰুতিক বিভিন্ন নেতাই বিশেষভাৱে প্ৰশংসা কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সামাজিক মাধ্যমত প্ৰকাশ কৰা বাৰ্তাত গৃহমন্ত্ৰী অমিত শ্বাহলৈ আন্তৰিক জন্মদিনৰ শুভেচ্ছা জ্ঞাপন কৰে। তেওঁ উল্লেখ কৰে যে গৃহমন্ত্ৰীগৰাকীৰ প্ৰশাসনিক বোধ আৰু দক্ষতাৰ ফলত ভাৰতৰ অভ্যন্তৰীণ নিৰাপত্তি ব্যৱস্থা অধিক শক্তিশালী হৈছে। বিশেষকৈ মাওবাদৰ ভাবুকি দূৰ কৰা আৰু ড্ৰাগছমুক্ত সমাজ গঢ়াৰ লক্ষ্যত লাভ কৰা সফলতা উল্লেখনীয় বুলি প্ৰধানমন্ত্ৰীয়ে মন্তব্য কৰে। তেওঁ গৃহমন্ত্ৰীগৰাকীয়ে ৰাইজৰ সেৱাত দীৰ্ঘ আৰু সুস্থ জীৱন যাপন কৰিবলৈও প্ৰাৰ্থনা জনায়। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে এক্স হেণ্ডেলযোগে শুভেচ্ছা জ্ঞাপন কৰি কয় যে গৃহমন্ত্ৰী শ্বাহৰ ভাৰতৰ প্ৰতি অদম্য সমৰ্পণ আৰু দেশৰ ঐক্য তথা সাৰ্বভৌমত্ব ৰক্ষাৰ দৃঢ় সংকল্প সঁচাকৈয়ে প্ৰেৰণাদায়ক। দেশ নিৰ্মাণত তেওঁৰ প্ৰচেষ্টাই বিজেপিৰ প্ৰতিগৰাকী কৰ্মকৰ্তাক উদ্বুদ্ধ কৰে বুলিও মন্ত্ৰী সোণোৱালে উল্লেখ কৰে। তেওঁ মা কামাখ্যাৰ আশীৰ্বাদেৰে গৃহমন্ত্ৰীগৰাকীক সুস্বাস্থ্য আৰু সুখৰ জীৱন কামনা কৰে। কেন্দ্ৰীয় মন্ত্ৰী পীযুষ গোৱেলে জন্মদিনৰ শুভেচ্ছা জনাই কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত দেশৰ অভ্যন্তৰীণ নিৰাপত্তা সুদৃঢ় কৰাত গৃহমন্ত্ৰী শ্বাহৰ প্ৰচেষ্টাই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। নক্সালবাদ আৰু সন্ত্ৰাসবাদৰ বিৰুদ্ধে নিৰ্ণায়ক পদক্ষেপ, সহযোগিতা আন্দোলনক নতুন শক্তি প্ৰদান আৰু যুৱকসকলক নিচাজনিত ক্ষতিৰ পৰা ৰক্ষা কৰি ৰাষ্ট্ৰ নিৰ্মাণত সংযুক্ত কৰাৰ ক্ষেত্ৰত তেওঁৰ দূৰদৰ্শী নেতৃত্বৰ প্ৰশংসা কৰে। তেওঁ গৃহমন্ত্ৰীগৰাকীলৈ উত্তম স্বাস্থ্য, দীৰ্ঘায়ু আৰু যশস্বী জীৱনৰ মংগলকামনা কৰে। অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সমগ্ৰ অসমবাসীৰ হৈ গৃহমন্ত্ৰী অমিত শ্বাহলৈ জন্মদিনৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰে। তেওঁ কয় যে গৃহমন্ত্ৰী শ্বাহ এজন আদৰ্শৰে নেতৃত্ব দিয়া নেতা, দেশপ্ৰেমিক আৰু বিভিন্ন প্ৰত্যাহ্বান সমাধানৰ অভিযানত আগভাগ লোৱা সমস্যা সমাধানকাৰী ব্যক্তি। মুখ্যমন্ত্ৰী শৰ্মাৰ মতে, গৃহমন্ত্ৰীগৰাকীৰ নেতৃত্বত ভাৰতৰ অভ্যন্তৰীণ নিৰাপত্তা সম্পূৰ্ণৰূপে সুদৃঢ় হৈছে আৰু নক্সালবাদ নিৰ্মূল হৈছে। তেওঁ এতিয়া ২০২৯ চনৰ ভিতৰত ড্ৰাগছ নেটৱৰ্ক ধ্বংস কৰাৰ অভিযানত ব্যস্ত থকা বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে এই অভিযানত অসমে সম্পূৰ্ণ সমৰ্থন আগবঢ়াব বুলি প্ৰতিশ্ৰুতি দিয়ে। তেওঁ মা কামাখ্যা আৰু শ্ৰীমন্ত শংকৰদেৱৰ আশীৰ্বাদেৰে গৃহমন্ত্ৰীগৰাকীৰ দীৰ্ঘায়ু আৰু সুস্বাস্থ্য কামনা কৰে। উল্লেখ্য, কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ সম্পূৰ্ণ নাম অমিত অনিলচন্দ্ৰ শ্বাহ। ১৯৬৪ চনৰ ২২ অক্টোবৰত গুজৰাটত তেওঁৰ জন্ম হয়। ২০১৯ চনৰ পৰা তেওঁ দেশৰ ৩১ সংখ্যক গৃহমন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰি আছে। ২০২১ চনৰ জুলাই মাহৰ পিছত তেওঁ দেশৰ প্ৰথমগৰাকী সহযোগিতা মন্ত্ৰী হিচাপেও দায়িত্ব পালন কৰি আছে। গুজৰাটৰ গান্ধীনগৰৰ পৰা সাংসদ হিচাপে নিৰ্বাচিত অমিত শ্বাহে ২০১৪ চনৰ পৰা ২০২০ চনলৈ ভাৰতীয় জনতা পাৰ্টীৰ ৰাষ্ট্ৰীয় সভাপতি হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। তেওঁ ২০১৪ চনৰ পৰা ৰাষ্ট্ৰীয় গণতান্ত্ৰিক মিত্ৰজোঁটৰ অধ্যক্ষ হিচাপেও দায়িত্ব পালন কৰি আহিছে। ইয়াৰোপৰি ২০১৭ চনৰ পৰা ২০১৯ চনলৈ গুজৰাটক প্ৰতিনিধিত্ব কৰি ৰাজ্যসভাৰ সাংসদ হিচাপেও তেওঁ কাৰ্যনিৰ্বাহ কৰিছিল। বিজেপিৰ মুখ্য ৰণনীতি প্ৰস্তুতকৰ্তা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ঘনিষ্ঠ সহযোগী অমিত শ্বাহক প্ৰধানমন্ত্ৰীৰ পিছতে দেশৰ দ্বিতীয় শক্তিশালী ব্যক্তি হিচাপে গণ্য কৰা হয়।

## খেল মহাৰণৰ তৃতীয় সংস্কৰণত অভিলেখ

শুভাৰম্ভ কৰা হ'ব। এইবাৰ তৃতীয় সংস্কৰণত মুঠ আঠবিধ ক্ৰীড়া প্ৰতিযোগিতা অন্তৰ্ভুক্ত কৰা হৈছে। ইয়াৰ ভিতৰত এথলেটিকছ, যোগাসন, দবা, বক্সিং, একুৱাথলন, ফুটবল, ভলীবল আৰু সাঁতোৰত খেল অনুষ্ঠিত হ'ব।

## ডাম্মাম বিমানবন্দৰত আক্ৰমণত এজন নিহত

কৰা তথ্য অনুসৰি, চলিত বৰ্ষৰ চৰ অক্টোবৰ তাৰিখে বুধবাৰে সন্ধিয়া এই আক্ৰমণ সংঘটিত হয়। আক্ৰমণত আহত আঠজন লোকক তৎকালীনভাৱে স্থানীয় চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে আৰু বৰ্তমান তেওঁলোকৰ চিকিৎসা অব্যাহত আছে। কৰ্তৃপক্ষই জনোৱা মতে, আহতসকলৰ ভিতৰত কিছুজনৰ অৱস্থা সামান্য যদিও আন কেইবাজনো গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হৈছে। এই আক্ৰমণৰ ফলত বিমানবন্দৰটোৰ আন্তঃগাঁথনি আৰু সা-সম্পত্তিৰো ক্ষতিসাধন হৈছে। অৱশ্যে ক্ষয়-ক্ষতিৰ প্ৰকৃত পৰিমাণ এতিয়াও নিৰ্ধাৰণ কৰিব পৰা হোৱা নাই। বৰ্তমান ক্ষতিৰ মূল্যায়ন প্ৰক্ৰিয়া চলি আছে আৰু সময়ত সকলো তথ্য ৰাজহুৱা কৰা হ'ব বুলি কৰ্তৃপক্ষই আশ্বাস প্ৰদান কৰিছে। অসামৰিক স্থানত হোৱা এই আক্ৰমণৰ পাছতেই আমেৰিকা যুক্তৰাষ্ট্ৰৰ বৈদেশিক মন্ত্ৰালয়ে চৌদি আৰৱত কৰ্মৰত তেওঁলোকৰ চৰকাৰী কৰ্মচাৰী আৰু পৰিয়ালবৰ্গৰ নিৰাপত্তাৰ প্ৰতি লক্ষ্য ৰাখি এক বিশেষ নিৰ্দেশনা জাৰি কৰিছে। আমেৰিকাৰ বৈদেশিক মন্ত্ৰালয়ৰ মুখপাত্ৰ টমী পিগটে 'এক্স'ত প্ৰকাশ কৰা মতে, ইৰাণৰ সমৰ্থনপুষ্ট হুথী বিদ্ৰোহীসকলে চৌদি আৰৱৰ অসামৰিক বিমানবন্দৰ আৰু অন্যান্য গুৰুত্বপূৰ্ণ আন্তঃগাঁথনিসমূহক ধাৰাবাহিকভাৱে লক্ষ্য কৰি লৈছে। এনে আক্ৰমণৰ ফলত সাধাৰণ লোকৰ প্ৰাণহানি হোৱাৰ লগতে ভ্ৰমণ ব্যৱস্থাতো তীব্ৰ ব্যাঘাত জন্মিছে। কৰ্মচাৰীসকলৰ সুৰক্ষাক সৰ্বোচ্চ অগ্ৰাধিকাৰ দি প্ৰয়োজনীয় সকলো পদক্ষেপ গ্ৰহণ কৰা হ'ব বুলিও তেওঁ প্ৰকাশ কৰে। 'আল জাজিৰা'ত প্ৰকাশিত বাতৰি অনুসৰি, য়েমেনৰ সেনাৰ মুখপাত্ৰ কৰ্ণেল মজিদ আল নাজিলীয়ে হুথী বিদ্ৰোহীৰ এনে কাৰ্যকলাপক তীব্ৰ গৰিহণা দিছে। তেওঁ দাবী কৰে যে হুথী বাহিনীয়ে এদিনতে চতুৰ্থবাৰৰ বাবে আল ৰিয়ান বিমানবন্দৰক আক্ৰমণৰ লক্ষ্য কৰি লৈছে, যিটো য়েমেনৰ ৰাজহুৱা সম্পত্তি আৰু জনসাধাৰণৰ মুক্ত চলাচলৰ অধিকাৰৰ ওপৰত এক ইচ্ছাকৃত আঘাত। আনহাতে, য়েমেনত চৌদি আৰৱৰ নেতৃত্বাধীন মিত্ৰজোঁটৰ মুখপাত্ৰ ব্ৰিগেডিয়াৰ জেনেৰেল তুৰ্কী আল-মালকীয়ে ঘোষণা কৰে যে মিত্ৰজোঁটৰ বায়ু প্ৰতিৰক্ষা ব্যৱস্থাই চৌদি আৰৱৰ পূব প্ৰদেশক লক্ষ্য কৰি অহা চাৰিখন মানৱবিহীন ড্ৰোণ আকাশতে সফলতাৰে ধ্বংস কৰিবলৈ সক্ষম হৈছে। এই ঘটনাই সমগ্ৰ অঞ্চলটোত বিৰাজ কৰা তীব্ৰ উত্তেজনাক পুনৰবাৰ প্ৰতিফলিত কৰিছে।

## ফ্ৰান্সত হিংসাত্মক পৰিস্থিতি ঃ প্ৰবাসী আৰু

থকাৰ বাবে আৰু প্ৰতিবাদস্থলীৰ পৰা আঁতৰি থাকিবলৈ আহ্বান জনাইছে। দেশখনৰ বিভিন্ন স্থানত সান্ধ্য আইন জাৰি কৰা হৈছে, প্ৰতিবাদমুখৰ পৰিস্থিতি বিৰাজ কৰিছে আৰু যান-বাহনৰ চলাচলতো ব্যাঘাত হৈ আছে। এনে পৰিস্থিতিত ভাৰতীয় দূতাবাসে জাৰি কৰা সকলো নিৰ্দেশনা মানি চলিবলৈ ভাৰতীয়সকলক পৰামৰ্শ দিয়া হৈছে। লগতে চৰকাৰৰ ফালৰ পৰা জাৰি কৰা জাননী আৰু তথ্যসমূহ অহৰহ নিৰীক্ষণ কৰি থাকিবলৈও আহ্বান জনোৱা হৈছে। জৰুৰীকালীনভাৱে ফ্ৰান্স ভ্ৰমণ কৰিব খোজাসকলক বিমান সংস্থা নাইবা ট্ৰেভেল এজেন্সিসমূহৰ সৈতে যোগাযোগ কৰিবলৈ কোৱা হৈছে। নাগৰিকসকলৰ সহায়ৰ বাবে ভাৰতীয় দূতাবাসে ৩৩৬৪৮৩৪০০ আৰু ৩৩৭৪৩১৬২৫৫৯ নম্বৰৰ দুটা হেল্পলাইন মুকলি কৰিছে। উল্লেখ্য যে ফ্ৰান্সত অব্যাহত থকা প্ৰতিবাদৰ মাজতে দেশখনৰ চৰকাৰে সকলোধৰণৰ পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰা বুলি প্ৰকাশ কৰিছে। তদুপৰি হিংসাত্মক ঘটনাৰ বিৰুদ্ধে আইনী ব্যৱস্থা লোৱা হ'ব বুলিও চৰকাৰে ঘোষণা কৰিছে।

## প্ৰথম টি-২০ত নিউজিলেণ্ডক ৪ উইকেটত

লক্ষ্য অতিক্ৰম কৰিছিল। শেষৰ অভাৰত নমণ ধীৰে ছয় কোবাই ভাৰতলৈ ঐতিহাসিক জয় কঢ়িয়াই আনে। মেট হেনৰীৰ ২০ সংখ্যক অভাৰত ধীৰে প্ৰথমে চাৰি কোবাই, তাৰ পিছত এক ৰাণ লয় আৰু শেষৰ বলটোত ছয় মাৰে। তেওঁ চৰ্ট বলত পুল শ্বট খেলাৰ প্ৰয়াস কৰিছিল, কিন্তু বলটো বেটৰ ওপৰৰ অংশত লাগি ফাইন লেগ বাউণ্ডৰীৰ সিপাৰে গুচি যায়। এই জয়ৰ জৰিয়তে ভাৰতে টি-২০ আন্তঃৰাষ্ট্ৰীয়ত নিজৰ সৰ্ববৃহৎ ৰাণ চেজ সম্পূৰ্ণ কৰে।

## বঙাইগাঁৱৰ হোটেলৰ কোঠাৰ মজিয়াত

কৰিছিল। কিন্তু কিশোৰ হালৈ কোন, তেওঁৰ সৈতে খৰ্গেশ্বৰ ৰাভাৰ কি সম্পৰ্ক আছে, অথবা তেওঁ কিয় ৰাভাৰ বাবে হোটেলৰ কোঠা বুক কৰিছিল-এই বিষয়ে আৰক্ষীয়ে তদন্ত আৰম্ভ কৰিছে। সাংবাদিকসকলে এই সম্পৰ্কে জানিবলৈ চেষ্টা কৰিছিল যদিও তদন্তৰ স্বাৰ্থত আৰক্ষীয়ে ইতিমধ্যে বিতং তথ্য প্ৰকাশ কৰিবলৈ অস্বীকৃতি জনাইছে। হোটেল কৰ্তৃপক্ষই জনোৱা মতে, ১৮ অক্টোবৰত হোটেললৈ অহাৰ পিছৰ পৰা ২০ অক্টোবৰলৈকে খৰ্গেশ্বৰ ৰাভাই খাদ্য অৰ্ডাৰ কৰিছিল। কিন্তু বুধবাৰ, অৰ্থাৎ ২১ অক্টোবৰত তেওঁ কোনো খাদ্য অৰ্ডাৰ কৰা নাছিল। হোটেলখনৰ স্বত্বাধিকাৰী প্ৰবীণ বৈশ্যই সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত কয়, "১৮ তাৰিখে তেখেত আমাৰ হোটেললৈ আহে। ২০ তাৰিখৰ নিশালৈকে খাদ্য অৰ্ডাৰ কৰাৰ ৰেকৰ্ড আমাৰ হাতত আছে। দশমীৰ বাবে যোৱা কালি আমি অত্যন্ত ব্যস্ত আছিলোঁ। গতিকে তেওঁ কালি ক'ত খাদ্য খাইছিল, সেয়া আমি নিৰীক্ষণ কৰিব পৰা নাছিলোঁ।" হোটেলত থকা দিনকেইটাত ৰাভাক কোনোবাই লগ কৰিবলৈ আহিছিল নেকি অথবা তেওঁ বাহিৰলৈ ওলাই গৈছিল নেকি বুলি সোধাত বৈশ্যই কয়, "পূজাৰ বাবে আমি এইকেইদিন অতি ব্যস্ত আছিলোঁ। গতিকে তেওঁ ক'ত গৈছে, বা কোনোবাই লগ কৰিবলৈ আহিছিল নেকি, সেয়া চাই থাকিব পৰা নাই। চিচিটিভি ফুটেজ পৰীক্ষা কৰিলে সকলোখিনি জানিব পৰা যাব। ইয়াৰ পূৰ্বে ছেপ্টেম্বৰ মাহতো তেওঁ আমাৰ হোটেলত দুদিন কটাই গৈছিল। আজি পুৱা আমি তেওঁৰ কোঠাৰ পৰা দুৰ্গন্ধ ওলোৱাত আৰক্ষীক খবৰ দিওঁ। তাৰ পাছতেই তেওঁক মৃত অৱস্থাত পোৱা যায়। আৰক্ষীয়ে তদন্ত আৰম্ভ কৰিছে, গতিকে সকলোখিনি তদন্তত ওলাই পৰিব।" উল্লেখযোগ্য যে ডিএছপি খৰ্গেশ্বৰ ৰাভাৰ বাকোত নিজা ঘৰ আছে যদিও তেওঁ নিজৰ পৰিয়ালৰ সৈতে কাহিলীপাৰাৰ কোৱাৰ্টাৰত থাকে। পূজাৰ সময়ত ছুটী লৈ পৰিয়ালৰ সৈতে সময় নকটাই তেওঁ কিয় বঙাইগাঁৱৰ হোটেল এখনত বাহৰ পাতিছিল-সেয়া আৰক্ষীৰ বাবে এতিয়াও এক অবুজ সাঁথৰ হৈ পৰিছে। ইতিমধ্যে ৰাভাৰ মৰণোত্তৰ পৰীক্ষা সম্পন্ন কৰা হৈছে। ঘটনাৰ খবৰ পোৱাৰ পাছতেই ৰাভাৰ পত্নী আৰু পুত্ৰ বঙাইগাঁৱত উপস্থিত হয়। ডিএছপি খৰ্গেশ্বৰ ৰাভাৰ মৃতদেহ উদ্ধাৰৰ খবৰ পোৱাৰ পাছতেই বঙাইগাঁৱৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক (এছএছপি) নোমল মাহাত্তাই ঘটনাস্থলীত উপস্থিত হয়। সংবাদ মাধ্যমৰ আগত তেওঁ মৃতদেহ উদ্ধাৰৰ সমগ্ৰ ঘটনাক্ৰম বিৱৰি কয়। ৰাভাৰ ৰহস্যজনক মৃত্যু সন্দৰ্ভত তদন্ত আৰম্ভ কৰা বুলি জানিবলৈ দি তেওঁ কয় যে ৰাভাৰ মৃত্যু কোনো ৰোগৰ কাৰণে হ'ল নে আন কোনো কাৰণ আছে, সেয়া তদন্তৰ পিছতহে জানিব পৰা যাব। এছএছপি নোমল মাহাত্তাই কয়, "অসম আৰক্ষীৰ এজন নিষ্ঠাৱান বিষয়া আছিল খৰ্গেশ্বৰ ৰাভা। বৰ্তমান তেওঁ মুখ্যমন্ত্ৰীৰ তদাৰকী কোষত কৰ্মৰত আছিল। পূজাৰ বন্ধৰ সময়ত তেওঁ অনুমতি লৈ ইয়ালৈ আহিছিল। তেওঁ নিজেই গাড়ী চলাই অকলেই আহিছিল। ১৮ তাৰিখৰ পৰা তেওঁ ইয়াত আছিল আৰু আজি পুৱা আমি এটা কোঠাত তেওঁৰ মৃতদেহ উদ্ধাৰ কৰোঁ। তেওঁৰ মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰা হৈছে।" তেওঁ লগতে কয়, "আমি তদন্ত কৰি আছোঁ। কি পৰিস্থিতিত তেওঁ ইয়ালৈ আহিছিল, সেই বিষয়ে অনুসন্ধান চলি আছে। তেওঁ যোৱা কালি পুৱাও পত্নীৰ সৈতে যোগাযোগ কৰিছিল। তাৰ পাছৰ পৰা তেওঁৰ কোনো যোগাযোগ নাছিল। ৰাভাৰ হয়তো শাৰীৰিক অসুস্থতা আছিল, কিন্তু কি পৰিস্থিতিত মৃত্যু হ'ল, সেয়া তদন্তৰ পাছত জানিব পৰা যাব। এয়া আমাৰ বাবে অতি দুৰ্ভাগ্যজনক বিষয়। আইনগতভাৱে যিখিনি ব্যৱস্থা গ্ৰহণ কৰিব লাগে, তাৰ বাবে আমি তৎপৰ হৈ আছোঁ।" ইতিমধ্যে মুখ্যমন্ত্ৰীৰ তদাৰকী কোষৰ এগৰাকী বিষয়াৰ এনেধৰণৰ ৰহস্যজনক মৃত্যুৱে বহু প্ৰশ্নৰ সৃষ্টি কৰিছে। পূজাৰ ছুটী লৈ নিজৰ পৰিয়ালৰ সৈতে উৎসৱ উদযাপন নকৰি তেওঁ কিয় হোটেলত বাহৰ পাতিছিল? তেওঁৰ বাবে হোটেল বুক কৰা কিশোৰ হালৈ কোন? ১৮ৰ পৰা ২০ অক্টোবৰলৈ তেওঁ কাৰোবাৰ সৈতে সম্পৰ্কত আহিছিল নেকি? হোটেলৰ ভিতৰত আচলতে তেওঁৰ সৈতে কি হৈছিল? এই সকলো প্ৰশ্নৰ উত্তৰ আৰক্ষীৰ তদন্তৰ পাছতহে জানিব পৰা যাব।

## ইজৰাইলৰ স্বাধীনতা দিৱস উদ্‌যাপনলৈ

প্ৰকাশ কৰা পোষ্টত এই তথ্য জনায়। নেতান্যাহুৱে 'এক্স'ত লিখে, "মোৰ বন্ধু, ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সৈতে কথা পাতিলোঁ। ইজৰাইলৰ স্বাধীনতা দিৱসত এজন সাহসী ভাৰতীয় পাইলটৰ সৈতে অগ্নিশিখা প্ৰজ্বলনৰ বাবে মোদীক আমন্ত্ৰণ জনাইছোঁ।" তেওঁ লগতে উল্লেখ কৰে যে মোদীয়ে আমন্ত্ৰণৰ বাবে ধন্যবাদ জনাই কয় যে ভাৰত আৰু ইজৰাইলে স্থল আৰু আকাশত সন্ত্ৰাসবাদৰ বিৰুদ্ধে একেলগে যুঁজি আছে। মোদীয়ে দুয়োখন দেশৰ শক্তিশালী, দশক দশক পুৰণি সম্পৰ্কক‌ো প্ৰশংসা কৰে বুলি নেতান্যাহুৱে জনায়। আনহাতে, নেতান্যাহুৰ সৈতে হোৱা বাৰ্তালাপৰ পাছত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে 'এক্স'ত প্ৰতিক্ৰিয়া ব্যক্ত কৰি কয়, "ইজৰাইলৰ প্ৰধানমন্ত্ৰী বেঞ্জামিন নেতান্যাহুৰ পৰা ফোন কল আহিল। আমি আমাৰ দ্বিপাক্ষিক সম্পৰ্কৰ স্থায়ী গতিৰ পৰ্যালোচনা কৰিলোঁ আৰু আমাৰ অংশীদাৰিত্ব অধিক শক্তিশালী কৰাৰ প্ৰতিশ্ৰুতি পুনৰ দৃঢ় কৰিলোঁ। আমি পশ্চিম এছিয়াৰ শেহতীয়া পৰিস্থিতিৰ ওপৰতো মত বিনিময় কৰিলোঁ আৰু অঞ্চলটোত শান্তি তথা স্থিতিশীলতা পুনৰুদ্ধাৰৰ জৰুৰী প্ৰয়োজনীয়তাৰ ওপৰত আলোকপাত কৰিলোঁ।" উল্লেখ্য যে চলিত বৰ্ষৰ ফেব্ৰুৱাৰী মাহত প্ৰধানমন্ত্ৰী মোদীয়ে দ্বিতীয়বাৰৰ বাবে ইজৰাইল ভ্ৰমণ কৰিছিল। সেই ভ্ৰমণকালত দুয়োজন নেতাই ভাৰত-ইজৰাইল অংশীদাৰিত্বৰ বিভিন্ন দিশ সম্পৰ্কে আলোচনা কৰিছিল। দুবছৰীয়া যুদ্ধৰ পিছত গাজাত ইজৰাইল আৰু হামাছৰ মাজত যুদ্ধবিৰতিৰ কেইমাহমানৰ পাছতে প্ৰধানমন্ত্ৰী মোদীয়ে ইজৰাইল ভ্ৰমণ কৰিছিল। এই নতুন টেলিফোনিক বাৰ্তালাপে দুয়োখন দেশৰ মাজত চলি থকা কৌশলগত সংযোগ আৰু পশ্চিম এছিয়াৰ পৰিস্থিতিৰ প্ৰতি ভাৰতৰ গুৰুত্বক পুনৰ প্ৰকাশ কৰিছে।

## অসমত উমৈহতীয়া দেৱানী বিধি, ২০২৬

গৃহ আৰু ৰাজনৈতিক বিভাগৰ সচিব দেৱ প্ৰসাদ মিশ্ৰক সমিতিৰ অধ্যক্ষ হিচাপে নিযুক্তি দিয়া হৈছে। সমিতিৰ সদস্য হিচাপে বিত্ত বিভাগৰ আয়ুক্ত সচিব পাৰ্থপ্ৰতিম মজুমদাৰ, ন্যায় বিভাগৰ সচিব গীতাঞ্জলি ডি শইকীয়া, সংখ্যালঘু কল্যাণ আৰু উন্নয়ন বিভাগৰ সচিব ফৰিদা চামছুল, আইনী বিচাৰ প্ৰক্ৰিয়া বিভাগৰ সঞ্চালক মাখন ফুকন, গৃহ আৰু ৰাজনৈতিক বিভাগৰ অতিৰিক্ত সচিব মৃদুল কুমাৰ দাস আৰু পঞ্জীয়ন বিভাগৰ সহকাৰী মহাপৰিদৰ্শক মনজিৎ কুমাৰ দাসক মনোনীত কৰা হৈছে। একেদৰে, গৃহ আৰু ৰাজনৈতিক বিভাগৰ উপ-সচিব তাপস গুপ্তাই সমিতিত সদস্য সচিব হিচাপে কাৰ্যনিৰ্বাহ কৰিব। জাননীখনত উল্লেখ কৰা মতে, জাননী জাৰি কৰাৰ এমাহৰ ভিতৰত সমিতিখনে খচৰা নীতি-নিৰ্দেশনাসমূহ যুগুত কৰিব লাগিব। উমৈহতীয়া দেৱানী বিধি অসমত কাৰ্যকৰীভাৱে বলৱৎ কৰাৰ ক্ষেত্ৰত সকলো দিশ বিবেচনা কৰি প্ৰয়োজনীয় নীতিৰ খচৰা প্ৰস্তুত কৰি উলিয়াবলৈ সমিতিখনক নিৰ্দেশ দিয়া হৈছে। উল্লেখযোগ্য যে ৰাজ্য মন্ত্ৰীসভাই এই বছৰৰ ৰচ মে'ত এই বিধেয়কখন বিধানসভাত উত্থাপনৰ বাবে অনুমোদন জনাইছিল। ইয়াৰ পিছত ২৫ মে'ত বিধানসভাত বিধেয়কখন উত্থাপন কৰা হয় আৰু ২৭ মে'ত ইয়াক গৃহীত কৰা হয়।

## ভোট চুৰি প্ৰমাণিত বাস্তৱ ঃ প্ৰধানমন্ত্ৰীৰ

হোৱা প্ৰতিবাদৰ মাজত সম্পৰ্ক থকা বুলি কৰা এক অভিযোগৰ পৰা। বিজেপিয়ে দাবী কৰিছে যে এই ঘটনাই বিৰোধী দলৰ "অৰাজকতা আৰু শাসন ব্যৱস্থা পৰিৱৰ্তনৰ চক্ৰান্ত" উদঙাই দিছে। ইয়াৰ পিছতেই বিজেপিৰ এগৰাকী মুখপাত্ৰই লোকসভাত বিৰোধী দলৰ নেতা ৰাহুল গান্ধীক 'গাদ্দাৰ' বুলি অভিহিত কৰে। কংগ্ৰেছে এই অভিযোগক সম্পূৰ্ণভাৱে নাকচ কৰি বিজেপিৰ বিৰুদ্ধে পাল্টা অভিযোগ উত্থাপন কৰে। 'দ্য টাইমছ অৱ ইণ্ডিয়া'ত প্ৰকাশিত এক প্ৰতিবেদনৰ উল্লেখ কৰি বিজেপিয়ে দাবী কৰিছে যে ফক্স নিউজৰ ডিজিটেল তদন্তত ফ্ৰান্সত সংঘটিত সংঘৰ্ষ আৰু ভাৰতত মুখ্য নিৰ্বাচন আয়ুক্তৰ পদত্যাগৰ দাবীত হোৱা প্ৰতিবাদৰ মাজত সম্পৰ্ক উন্মোচিত হৈছে। এই দাবীৰ আধাৰতে বিজেপি মুখপাত্ৰ গৌৰৱ ভাটিয়াই কয় যে ৰাহুল গান্ধীয়ে দেশৰ সন্মুখত অৰাজকতা আৰু 'গাদ্দাৰী'ৰ আৰ্হি দাঙি ধৰিছে। তেওঁ প্ৰশ্ন কৰে, "এই দেশদ্ৰোহী নেতা কোন?" তেওঁ লগতে মন্তব্য কৰে, "ৰাহুল 'গাদ্দাৰ'।" ভাটিয়াই আৰু কয় যে বিৰোধীৰ নেতাজন দায়িত্বহীন আৰু অপৰিপক্ক হোৱাটো ভাৰতৰ দুৰ্ভাগ্য। তেওঁৰ মতে, যদি ইয়াৰ প্ৰমাণ দাঙি ধৰা হয়, তেন্তে তেওঁক বিশ্বাসঘাতক বা মিৰ জাফৰ বুলি কোৱাটো ভুল নহ'ব। বিজেপি মুখপাত্ৰগৰাকীয়ে দাবী কৰে যে ফক্স নিউজৰ তদন্তত দেখা গৈছে যে ফ্ৰান্সকে ধৰি ৯খন দেশত কিছুমান সংগঠনে নিৰ্বাচিত চৰকাৰক ওফৰাই পেলাবলৈ চেষ্টা কৰিছিল। তেওঁ এই পৰিস্থিতিক "প্ৰতিবাদৰ ৰঙা-সেউজীয়া পৰিৱেশতন্ত্ৰ" বুলি অভিহিত কৰে। আনহাতে, বিজেপিৰ অভিযোগক প্ৰত্যুত্তৰ দি জয়ৰাম ৰমেশে 'এক্স'ত প্ৰকাশ কৰা এক পোষ্টত কয় যে 'ভোট চুৰি' এক প্ৰমাণিত বাস্তৱ। তেওঁ দাবী কৰে যে নিৰ্বাচন আয়োগৰ নিজৰ তথ্য অনুসৰি ১০ কোটিৰো অধিক ভাৰতীয়ই নিজৰ সাংবিধানিক ভোটাধিকাৰ হেৰুওৱাৰ আশংকাৰ সন্মুখীন হৈছে। তেওঁ অভিযোগ কৰে যে নিৰ্বাচন আয়োগে অবৈধভাৱে ফৰ্ম ছ সলনি কৰি নতুন ভোটাৰৰ বাবে বাধাৰ সৃষ্টি কৰিছে। ইয়াৰ ফলত লক্ষ্য নিৰ্ধাৰণ কৰি নাম মচি পেলোৱাৰ বাবে ফৰ্ম ৭১ ব্যাপক অপব্যৱহাৰৰ সুবিধা হৈছে। তেওঁ লগতে অভিযোগ কৰে যে মুখ্য নিৰ্বাচন আয়ুক্তই সকলো আইনী সুৰক্ষা ব্যৱস্থাক অতিক্ৰম কৰি ভোটাৰ তালিকাৰ নিয়ন্ত্ৰণ কেন্দ্ৰীভূত কৰিবলৈ ইচিনেট ব্যৱহাৰ কৰিছে। ৰমেশে কয়, "দেশ আজি ক্ষুব্ধ। ব্যাপক ক্ষোভৰ সৃষ্টি হৈছে। দমনৰ পিছতো প্ৰতিবাদ অব্যাহত আছে। প্ৰধানমন্ত্ৰীৰ পৰিৱেশতন্ত্ৰই নিজৰ হতাশা আৰু অস্থিৰতাক এতিয়া অন্য দিশলৈ নিবলৈ আৰু মানুহক অন্যমনস্ক কৰিবলৈ চেষ্টা কৰিছে। তেওঁলোকৰ নিজৰ ডিএনএত যি আছে, সেই অনুসৰি তেওঁলোকে মিছা বিয়পাইছে। ই সফল নহ'ব।" তেওঁ দৃঢ়তাৰে কয় যে প্ৰধানমন্ত্ৰী মোদী আৰু গৃহমন্ত্ৰী অমিত শ্বাহৰ যুটিটোক "বেয়াকৈ উন্মোচন কৰা হৈছে" আৰু ৰাইজে ইয়াৰ জবাবদিহি কৰিব। উল্লেখ্য যে বিজেপিৰ অভিযোগ আৰু কংগ্ৰেছৰ প্ৰত্যুত্তৰৰ মাজেৰে দেশৰ ৰাজনীতিত এক তীব্ৰ বিতৰ্কৰ সৃষ্টি হৈছে। ফ্ৰান্সৰ পৰিস্থিতি আৰু ভাৰতত নিৰ্বাচন আয়োগক লৈ চলি থকা প্ৰতিবাদৰ সংযোগৰ দাবীক লৈ দুয়ো পক্ষই নিজৰ নিজৰ অৱস্থান দৃঢ় কৰি ধৰি ৰাখিছে।

## ভগৱন্ত মানৰ বিৰুদ্ধে ফ্ৰান্সৰ পৰা ২১ লাখ

পৰা প্ৰায় ২১ লাখ টকা মূল্যৰ সামগ্ৰী আনিছিল। এই কাৰণেই তেওঁ শুল্ক বিভাগৰ ৰোষত পৰে। যাত্ৰাৰ সময়ত মুখ্যমন্ত্ৰীগৰাকীৰ সৈতে তেওঁৰ পত্নীও উপস্থিত আছিল বুলি কোৱা হৈছে। বিজেপিৰ মুখপাত্ৰ আৰ পি সিঙে তেওঁলোকক 'শ্বাহী জোড়ী' বুলি অভিহিত কৰি গুৰুতৰ অভিযোগ উত্থাপন কৰিছে। তেওঁৰ মতে, এই দম্পতীৰ বজাৰ তালিকাত বিভিন্ন বিলাসী সামগ্ৰী আছিল। 'এক্স'ত প্ৰকাশ কৰা এক পোষ্টত বিজেপি নেতাগৰাকীয়ে দাবী কৰে যে তালিকাত চ.প্ত লাখ টকাৰ জোতা, প্ত লাখ টকাৰ লুই ভিটন হেণ্ডবেগ, গুচ্চি জেকেট, ভাৰ্চাচ ছাৰ্ট আৰু অন্যান্য বিলাসী সামগ্ৰী অন্তৰ্ভুক্ত আছিল। কেৱল সেয়াই নহয়, ফ্ৰান্সৰ পৰা ৮ৰ পৰা ১০ বটল পৰ্যন্ত সুৰাও অনা হৈছিল বুলি তেওঁ অভিযোগ কৰিছে। বিজেপি মুখপাত্ৰগৰাকীয়ে প্ৰশ্ন উত্থাপন কৰি কয়, "যদি এই অভিযোগসমূহ সঁচা, তেন্তে জনসাধাৰণে ইয়াৰ সত্যতা জানিবই লাগিব। কৰ ৰচিদ ক'ত? কি কি সামগ্ৰী ঘোষণা কৰা হৈছিল, কি কি সামগ্ৰী ঘোষণা কৰা হোৱা নাছিল বুলি অভিযোগ আছে আৰু কি পৰিমাণৰ জৰিমনা বিহা হৈছিল?" তেওঁ লগতে কয় যে অভিযোগৰ আদান-প্ৰদানৰ পৰিৱৰ্তে তথ্যচিত্ৰ প্ৰমাণেৰে কথা কোৱা উচিত। আম আদমি পাৰ্টীৰ স্পষ্টীকৰণক লৈও বিজেপি নেতাগৰাকীয়ে প্ৰশ্ন তুলিছে। আপ নেতা বালতেজ পান্নুৱে বিমানবন্দৰত 'শ্বাহী জোড়ী'ক কিয় ৰখাইছিল সেই সম্পৰ্কে পৃথক ব্যাখ্যা আগবঢ়াইছে বুলি জনা গৈছে। ইয়াৰ প্ৰত্যুত্তৰত আৰ পি সিঙে কয় যে পান্নুৱে কৰ ৰচিদখন ৰাজহুৱা কৰি সকলো কথা স্পষ্ট কৰা উচিত আৰু ৰাইজৰ প্ৰশ্নৰ উত্তৰ দিয়া উচিত। উল্লেখ্য যে সোমবাৰে সন্ধিয়া পেৰিছৰ পৰা আহি দিল্লী বিমানবন্দৰত উপস্থিত হোৱাৰ পিছত পঞ্জাবৰ মুখ্যমন্ত্ৰীগৰাকীক ইচ্ছাকৃতভাৱে প্ৰায় তিনি ঘণ্টা ধৰি আবদ্ধ কৰি ৰখা হৈছিল বুলি আম আদমি পাৰ্টীয়ে অভিযোগ কৰিছিল। দলটোৱে এই ঘটনাত শীৰ্ষ পৰ্যায়ৰ বিষয়াৰ তীব্ৰ হেঁচা থকা বুলি উল্লেখ কৰি ইয়াক মুখ্যমন্ত্ৰীৰ প্ৰতি অসন্মানজনক ব্যৱহাৰ বুলি অভিহিত কৰিছিল। এই বিতৰ্ক চলি থকাৰ মাজতে বিজেপিয়ে বিলাসী সামগ্ৰী ক্ৰয়ৰ অভিযোগ উত্থাপন কৰি নতুন বিতৰ্কৰ সৃষ্টি কৰিছে। এতিয়া পঞ্জাবৰ মুখ্যমন্ত্ৰী আৰু আম আদমি পাৰ্টীয়ে এই অভিযোগৰ কেনেদৰে প্ৰত্যুত্তৰ দিয়ে, সেয়া লক্ষণীয় হ'ব।

মৌটুপুৰী চেতনা ৰুৰেল ডেভেলপমেণ্ট চ'ছাইটিৰ প্ৰশংসনীয় পদক্ষেপ

# দুৰ্গা পূজা উপলক্ষে ১০০ গৰাকী দৰিদ্ৰ মহিলাক শাৰী বিতৰণ

**অসম বাৰ্তা, কুমুল্লী পাৰা, ২২ অক্টোবৰ ঃ** দুৰ্গা পূজা উপলক্ষে বৰপেটা জিলাৰ হাউলীৰ মৌটুপুৰী চেতনা ৰুৰেল ডেভেলপমেণ্ট ছ'ছাইটিৰ উদ্যোগত হাউলী অঞ্চলৰ ১০০ গৰাকী দৰিদ্ৰ মহিলাৰ মাজত শাৰী বিতৰণ কৰা হয়। উৎসৱৰ আনন্দ সমাজৰ সকলো শ্ৰেণীৰ মানুহৰ মাজত বিলাই দিয়াৰ লগতে আৰ্থিকভাৱে দুৰ্বল মহিলাসকলৰ মুখত হাঁহি বিৰিঙাই তোলাৰ উদ্দেশ্যে সংস্থাটোৱে এই প্ৰশংসনীয় পদক্ষেপ গ্ৰহণ কৰে। দুৰ্গা পূজাৰ আনন্দৰ মাজত দৰিদ্ৰ মহিলাসকলক সামান্য সহায় আগবঢ়োৱাৰ এই প্ৰচেষ্টাই সমাজলৈ এক সুন্দৰ মানৱীয় বাৰ্তা কঢ়িয়াই আনিছে। সমাজৰ আৰ্তজনৰ কাষত থিয় দিয়া আৰু দুখীয়া লোকসকলক সহায় কৰাৰ এনে পদক্ষেপে সামাজিক দায়বদ্ধতা, মানৱীয়তা আৰু ভাতৃত্ববোধৰ নিদৰ্শন দাঙি ধৰিছে। মৌটুপুৰী চেতনা ৰুৰেল ডেভেলপমেণ্ট ছ'ছাইটিৰ এই পদক্ষেপক সচেতন মহলে প্ৰশংসা কৰিছে। সমাজৰ দৰিদ্ৰ আৰু অসহায় লোকসকলৰ কল্যাণৰ বাবে সংস্থাটোৰ এনে প্ৰচেষ্টা অব্যাহত থাকিব বুলি আশা প্ৰকাশ কৰা হৈছে।

# চোকা অস্ত্ৰৰ আঘাতত নিহত যুৱক

# বিহুবৰৰ আচলাবাৰী ওৰিয়াবস্তিত পাৰিবাৰিক কাজিয়াৰ ভয়ংকৰ পৰিণতি

**অসম বাৰ্তা, গেলেকী, ২২ অক্টোবৰ ঃ** বিহুবৰৰ আচলাবাৰী ওৰিয়াবস্তিত সংঘটিত হৈছে এক চাঞ্চল্যকৰ নিশংস হত্যাকাণ্ডৰ ঘটনা। পাৰিবাৰিক কণ্ডলৰ বলি হৈ চোকা অস্ত্ৰৰ আঘাতত থিতাতে নিহত হয় অজিত খাদাল (৪৫) নামৰ এজন যুৱক। এই ঘটনাই সমগ্ৰ অঞ্চলটোতে তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। উপলব্ধ তথ্য অনুসৰি, যোৱা ১৯ অক্টোবৰৰ নিশা প্ৰায় ৭ বজাত আচলাবাৰী ওৰিয়ামবস্তি নিবাসী অজিত খাদাল আৰু তেওঁৰ সম্বন্ধীয় ভায়েক সন্তোষ খাদাল (২৭)ৰ মাজত এক পাৰিবাৰিক বিষয় লৈ তৰ্কৰ সূত্ৰপাত হয়। পৰৱৰ্তী সময়ত এই তৰ্কখনে উগ্ৰৰূপ লৈ এক ভয়ানক কাজিয়ালৈ পৰিণত হয়। কাজিয়াৰ মাজতে উত্তেজিত হৈ সন্তোষ খাদালে নিজৰ সম্বন্ধীয় জ্যেষ্ঠ ভাতৃ অজিত খাদালক এখন চোকা অস্ত্ৰৰে উপৰ্যুপৰি আক্ৰমণ চলায়। এই আক্ৰমণৰ ফলত গুৰুতৰভাৱে আহত হৈ অজিত খাদালে ঘটনাস্থলীতে প্ৰাণ হেৰুৱায়। ইফালে, হত্যাকাণ্ড সংঘটিত কৰিয়েই মূল অভিযুক্ত সন্তোষ খাদালে ঘটনাস্থলীৰ পৰা পলায়ন কৰে। ঘটনাৰ খবৰ পাই তাৎক্ষণিকভাৱে গেলেকী থানাত পৰা আৰক্ষীৰ দল এটা ঘটনাস্থলীত উপস্থিত হয়। আৰক্ষীয়ে প্ৰথম অৱস্থাত ঘটনাৰ সৈতে জড়িত থকাৰ অভিযোগত অভিযুক্ত সন্তোষ খাদালৰ পিতৃ ৰবি খাদাল (৫০)ক আটক কৰে আৰু পলাতক মূল অভিযুক্তৰ সন্ধানত অভিযান আৰম্ভ কৰে। গেলেকী আৰক্ষীৰ অবিৰত অনুসন্ধানত চৰাইদেউ জিলাৰ কাকতিবাৰী থানাৰ অন্তৰ্গত এটা গোপন স্থানত আত্মগোপন কৰি থকা অৱস্থাত মূল অভিযুক্ত সন্তোষ খাদালক আটক কৰিবলৈ সক্ষম হয়। পিছত অভিযুক্ত সন্তোষ খাদালৰ স্বীকাৰোক্তিৰ ভিত্তিত আৰক্ষীয়ে ঘটনাস্থলীৰ কিছু নিলগৰ পৰা হত্যাকাণ্ডত ব্যৱহৃত চোকা অস্ত্ৰখনো উদ্ধাৰ কৰে। এই শোকাৱহ ঘটনা সন্দৰ্ভত নিহত যুৱকজনৰ পত্নী জানমণি বাউৰীয়ে গেলেকী থানাত এক এজাহাৰ দাখিল কৰে। এজাহাৰৰ ভিত্তিত গেলেকী আৰক্ষী থানাত গোচৰ নম্বৰ ৪৮/২৬, ধাৰা ১০৩(১)/৩(৫) ৰ অধীনত এক গোচৰ ৰুজু কৰা হয়। আৰক্ষীয়ে অভিযুক্তক আটক কৰি আইনী প্ৰক্ৰিয়া সম্পূৰ্ণ কৰি আদালতলৈ প্ৰেৰণ কৰিছে। ঘটনাৰ সন্দৰ্ভত গেলেকীৰ আৰক্ষীৰ তদন্ত বৰ্তমানেও অব্যাহত আছে।

# মাকুম ৰবৰবাৰীত বাহনৰ খুন্দাত যুৱকৰ মৃত্যু

**অসম বাৰ্তা, মাকুম, ২২ অক্টোবৰ ঃ** শাৰদীয় দুৰ্গোৎসৱৰ বিজয়া দশমীৰ আনন্দ-উল্লাসৰ মাজতে মাকুম ৰবৰবাৰী গাঁৱৰ মুখ্যপথত অইল ইণ্ডিয়া লিমিটেডৰ এন এল ০১ এল ৭৭০৯ নম্বৰৰ এখন ক্ৰেন বাহনৰ খুন্দাত এজন যুৱকৰ মৃত্যু হয়। জানিবলৈ পৰা মতে যুৱকজন মাকুম ছোটা হাপজান চাহ বাগিচাৰ ১২ নং লাইনৰ সঞ্জয় প্ৰধান (২১)। যুৱক জনে ৰবৰবাৰী গাঁৱত আত্মীয়ৰ ঘৰত ফুৰিবলৈ আহিছিল। যুৱক জনৰ মৃত্যুক কেন্দ্ৰ কৰি স্থানীয় ৰাইজ উত্তেজিত হোৱাৰ লগতে ঘটনাস্থলীত উপস্থিত থকা মাকুম আৰক্ষী থানাৰ আৰক্ষী, লাংকাছী আৰক্ষী চকীৰ আৰক্ষী আৰু অসম চাহ জনজাতি ছাত্ৰ সন্থা, সদৌ অসম আদিবাসী ছাত্ৰ সন্থা আৰু অসম চাহ জনগোষ্ঠী জাতীয় মহাসভাৰ বিষয়ববীয়া সকলৰ সৈতে বাক বিতণ্ডাৰ পৰিৱেশৰ সৃষ্টি হোৱা পৰিলক্ষিত হয়। অৱশেষত পৰিস্থিতি নিয়ন্ত্ৰণলৈ অহাত সকলো ৰাইজৰ উপস্থিতিত মৃত যুৱক জনৰ পৰিয়াললৈ ক্ষতি পূৰণৰ দাবী, ক্ৰেন বাহনৰ চালক জনক আইনগত শাস্তিৰ দাবী, পৰিয়ালৰ যি কোনো এজন সদস্যক কৰ্ম সংস্থাপনৰ দাবী, ৰবৰবাৰী গাঁৱৰ মুখ্য পথটোত গতিৰোধক ব্যৱস্থা আদিৰ দাবী সম্বলীত এখনি স্মাৰক পত্ৰ ঘটনা স্থলীত উপস্থিত থকা মাকুম সম জিলাৰ সহকাৰী আয়ুক্ত হিমাদ্ৰী মেচৰ যোগেদি মাকুম সমজিলা আয়ুক্তলৈ প্ৰেৰণ কৰা হয়।

# গৌৰীপুৰত ৪০৩ বছৰীয়া বংশগত পৰম্পৰা ৰক্ষা কৰি দুৰ্গাপূজা পালন

কুৰীৰপাৰত খিৰদ চন্দ্ৰ ৰায়ৰ পৰিয়ালৰ ঐতিহ্যমণ্ডিত শাৰদীয় দুৰ্গোৎসৱ

**অসম বাৰ্তা, গৌৰীপুৰ, ২২ অক্টোবৰ ঃ** ধুবুৰী জিলাৰ গৌৰীপুৰৰ কুৰীৰপাৰ অঞ্চলত আজিও অক্ষুণ্ণ আছে এক প্ৰাচীন বংশগত পৰম্পৰা। পূৰ্বপুৰুষৰ দিনৰে পৰা চলি অহা পৰম্পৰা অনুসৰণ কৰি খিৰদ চন্দ্ৰ ৰায়ৰ পৰিয়ালে এইবেলিও পালন কৰে শাৰদীয় দুৰ্গাপূজা। পৰিয়ালটোৰ এই ঐতিহ্যমণ্ডিত দুৰ্গাপূজাই এইবেলি ১০৪ বছৰত ভৰি দিছে। পৰিয়ালৰ জ্যেষ্ঠ সদস্যসকলৰ পৰা জানিব পৰা মতে, খিৰদ চন্দ্ৰ ৰায়ৰ পিতৃ নন্দ কিশোৰ ৰায়ে প্ৰথমে এই দুৰ্গাপূজাৰ শুভাৰম্ভ কৰিছিল। তেতিয়াৰে পৰা পূৰ্বপুৰুষৰ ৰীতি-নীতি আৰু পৰম্পৰা অনুসৰণ কৰি পৰিয়ালটোৱে প্ৰতি বছৰে নিষ্ঠা আৰু ভক্তিৰে এই পূজা উদযাপন কৰি আহিছে। প্ৰজন্মৰ পাছত প্ৰজন্ম ধৰি চলি অহা এই পৰম্পৰাই পৰিয়ালটোৰ লগতে অঞ্চলটোৰ ধৰ্মীয় আৰু সাংস্কৃতিক ঐতিহ্য বহন কৰি আহিছে। সময়ৰ পৰিৱৰ্তনৰ মাজতো পূৰ্বপুৰুষে আৰম্ভ কৰা এই পূজাৰ পৰম্পৰা অক্ষুণ্ণ ৰাখিবলৈ পৰিয়ালটোৱে বিশেষ গুৰুত্ব প্ৰদান কৰি আহিছে। নতুন প্ৰজন্মৰ মাজতো এই ঐতিহ্য জীয়াই ৰখাৰ প্ৰয়াস অব্যাহত আছে। পৰিয়ালটোৰ জ্যেষ্ঠ পুত্ৰ ফণি ৰায়ে জানিবলৈ দিয়া মতে, পূৰ্বপুৰুষৰ দিনৰে পৰা চলি অহা এই দুৰ্গাপূজা তেওঁলোকৰ পৰিয়ালৰ এক গৌৰৱময় পৰম্পৰা। ৪০৪ বছৰীয়া এইপূজাই অতীতৰ ঐতিহ্য আৰু বৰ্তমানৰ মাজত এক সুন্দৰ সম্পৰ্ক স্থাপন কৰি আহিছে।

ধনৰ বলেৰে শীৰ্ষ নেতৃত্বকো নিয়ন্ত্ৰণ কৰাৰ চেষ্টা

# দেৰগাঁও সমষ্টিৰ পশ্চিম ব্ৰহ্মপুত্ৰ পঞ্চায়তৰ সভাপতি পদক লৈ বিজেপিত তীব্ৰ অন্তৰ্কন্দল

**অসম বাৰ্তা, দেৰগাঁও, ২২ অক্টোবৰ ঃ** দেৰগাঁও সমষ্টিৰ অন্তৰ্গত বিজেপিৰ দখলত থকা পশ্চিম ব্ৰহ্মপুত্ৰ পঞ্চায়তত সভাপতি পদক কেন্দ্ৰ কৰি এক ভয়ংকৰ খেল আৰু তীব্ৰ বিতৰ্কৰ সৃষ্টি হৈছে। পঞ্চায়তটোৰ সভাপতিগৰাকীৰ মৃত্যুৰ পিছতেই খালী হোৱা পদটোক লৈ বিজেপিৰ ভিতৰচ'ৰাত ক্ষমতাৰ লালসা উন্মুক্ত হৈ পৰাৰ লগতে তীব্ৰ অন্তৰ্কন্দল পোহৰলৈ আহিছে। এই সমগ্ৰ ঘটনাক লৈ বিজেপিৰ নিৰ্বাচিত ৱাৰ্ড সদস্য ধনঞ্জয় পাওঁৰে কেইবাটাও বিস্ফোৰক অভিযোগ উত্থাপন কৰি সামাজিক মাধ্যম ফেচবুকত এক পোষ্ট কৰে। ৱাৰ্ড সদস্যগৰাকীয়ে উল্লেখ কৰা অনুসৰি, নিজৰ পছন্দৰ ব্যক্তিক সভাপতি পাতিবলৈ এক শক্তিশালী লবীয়ে ধনৰ বলেৰে শীৰ্ষ নেতৃত্বকো নিয়ন্ত্ৰণ কৰাৰ চেষ্টা চলাইছে। ইয়াৰ বাবে ৱাৰ্ড সদস্যসকলক মানসিকভাৱে ভাবুকি আৰু প্ৰচণ্ড হেঁচা প্ৰয়োগ কৰাৰ লগতে সভাপতি পদ কিনিবলৈ বুজন পৰিমাণৰ টকাৰ লেন-দেন কৰাৰো গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। ৱাৰ্ড সদস্যগৰাকীয়ে স্পষ্টভাৱে অভিযোগ কৰিছে যে পঞ্চায়তৰ সংখ্যাগৰিষ্ঠ পাঁচজন ৱাৰ্ড সদস্যৰ সন্মতি অবিহনেই জোৰ কৰি নিজৰ পছন্দৰ ব্যক্তিক সভাপতিৰ আসনত অধিষ্ঠিত কৰিবলৈ ষড়যন্ত্ৰ চলোৱা হৈছে, যিটো সম্পূৰ্ণ গণতন্ত্ৰবিৰোধী। ইয়াৰ উপৰি, আটাইতকৈ ভয়ংকৰ কথাটো হ'ল যে এই অনৈতিক নিৰ্দেশ অমান্য কৰিলে সংশ্লিষ্ট ৱাৰ্ডসমূহত পঞ্চায়তৰ সকলো ধৰণৰ উন্নয়নমূলক কাম-কাজ বন্ধ কৰি দিয়াৰ ভাবুকি প্ৰদান কৰা হৈছে। প্ৰকৃততে যদি এইয়াই শুদ্ধ তেন্তে গণতন্ত্ৰৰ বাবে এইয়া শুভ লক্ষণ নহয়। এই সমগ্ৰ পৰিস্থিতিয়ে এতিয়া প্ৰশ্ন উত্থাপন কৰিছে যে পশ্চিম ব্ৰহ্মপুত্ৰ পঞ্চায়তত এয়া বিজেপিৰ কেৱল অন্তৰ্কন্দল নে টকাৰে গণতন্ত্ৰ ক্ৰয় কৰাৰ এক নিকৃষ্ট খেল চলিছে? এই চক্ৰান্তৰ বিৰুদ্ধে সোচ্চাৰ হৈ ৱাৰ্ড সদস্য ধনঞ্জয় পাওঁৰে সমগ্ৰ ঘটনাটোৰ এক উচ্চ পৰ্যায়ৰ তদন্ত দাবী কৰিছে।

# নগাঁৱৰ নেহৰুবালিত অশ্ৰুসিক্ত নয়নেৰে মা দুৰ্গাক বিদায় ভক্তৰ

**অসম বাৰ্তা, নগাঁও, ২২ অক্টোবৰ ঃ** ঢাক-ঢোলৰ ধ্বনি, উলুধ্বনি আৰু ভক্তিৰসৰ মাজতে নগাঁৱৰ ঐতিহাসিক নেহৰুবালি বাকৰিত সম্পন্ন হয় দশভূজা মা দুৰ্গাৰ প্ৰতিমা বিসৰ্জন পৰ্ব। বিজয়া দশমীৰ দিনা জিলা প্ৰশাসন, আৰক্ষী প্ৰশাসন আৰু নগাঁও পৌৰসভাৰ তত্ত্বাৱধানত সুশৃংখলভাৱে অনুষ্ঠিত এই বিসৰ্জন অনুষ্ঠানত অগণন ভক্তপ্ৰাণ ৰাইজে অশ্ৰুসিক্ত নয়নেৰে এবছৰৰ বাবে বিদায় জনায় মা দুৰ্গাক। বছৰজোৰা অপেক্ষাৰ অন্তত দুৰ্গোৎসৱৰ সামৰণি পৰাৰ ক্ষণত নেহৰুবালিৰ বিসৰ্জনস্থলীত সমৱেত হয় হাজাৰ হাজাৰ ভক্ত। দেৱীৰ প্ৰতিমা বিসৰ্জনৰ সময়ত এক আৱেগঘন পৰিৱেশৰ সৃষ্টি হয়। ভক্তিৰে আপ্লুত ৰাইজে পৰম্পৰাগত ৰীতি-নীতিৰে দেৱীক বিদায় জনাই পুনৰ আগন্তুক বৰ্ষত মাৰ আগমনৰ কামনা কৰে। এই বিসৰ্জন অনুষ্ঠানত উপস্থিত থাকে নগাঁও-বটদ্ৰৱা বিধানসভা সমষ্টিৰ বিধায়ক ৰূপক শৰ্মা, জিলা আয়ুক্ত আৰণ্যক শইকীয়া, নগাঁও পৌৰসভাৰ উপ-পৌৰপতি সীমান্ত বৰাৰ লগতে জিলা প্ৰশাসন, আৰক্ষী প্ৰশাসন আৰু পৌৰসভাৰ বিষয়া-কৰ্মচাৰীসকল। ইফালে, নগাঁও জিলাৰ কলিয়াবৰ আৰু ৰহা সম-জিলাকে ধৰি বিভিন্ন ৰাজহ চক্ৰৰ অন্তৰ্গত বিসৰ্জনস্থলীসমূহতো প্ৰশাসনৰ তত্ত্বাৱধানত শান্তিপূৰ্ণভাৱে সম্পন্ন হয় প্ৰতিমা বিসৰ্জন প্ৰক্ৰিয়া। প্ৰশাসনৰ তথ্য অনুসৰি, এইবাৰৰ বিসৰ্জন পৰ্বত নগাঁও সদৰ ৰাজহ চক্ৰত প্ৰায় ৯৫খন, কামপুৰ ৰাজহ চক্ৰত ৬৮খন, কলিয়াবৰ ৰাজহ চক্ৰত ১২৪খন, চামগুৰি ৰাজহ চক্ৰত ৬৪খন, ৰহা ৰাজহ চক্ৰত ২৮খন, ধিং ৰাজহ চক্ৰত ২৩খন আৰু ৰূপহী ৰাজহ চক্ৰত ১২খন দুৰ্গা প্ৰতিমা বিসৰ্জন দিয়াৰ ব্যৱস্থা কৰা হয়। এইদৰে শান্তি-শৃংখলা আৰু ভক্তিময় পৰিৱেশৰ মাজেৰে সামৰণি পৰে নগাঁৱৰ দুৰ্গোৎসৱৰ অন্যতম আকৰ্ষণীয় পৰ্ব প্ৰতিমা বিসৰ্জন। মা দুৰ্গাক বিদায় জনোৱাৰ বেদনাৰ মাজতে পুনৰ এবছৰৰ অপেক্ষাৰে ঘৰমুৱা হয় ভক্তপ্ৰাণ ৰাইজ।

# লাহৰীঘাটত ভূমি কেন্দ্ৰিক সংঘাতত প্ৰাণ গ'ল এজনৰ

**অসম বাৰ্তা, লাহৰীঘাট, ২২ অক্টোবৰ ঃ** লাহৰীঘাটত ভূমি কেন্দ্ৰিক সংঘাতে প্ৰাণ কাঢ়ি লয় এজনৰ। এজোপা তামোল গছৰ পুলিক কেন্দ্ৰ কৰি দুই ফৈদৰ মাজত মাৰ-পিটৰ ঘটনাত প্ৰাণ হেৰুৱাই আব্দুল জহুৰ নামৰ লোকজনে। ঘটনাৰ বিৱৰণ অনুসৰি, যোৱা ১৬ অক্টোবৰত পুৱা লাহৰীঘাট আৰক্ষী থানাৰ অন্তৰ্গত দক্ষিণ ছেনিমাৰি গাঁৱত ভূমিক কেন্দ্ৰ কৰি দুই ফৈদৰ মাজত সংঘটিত মাৰ-পিটৰ ঘটনা। উল্লেখ্য যে, সংঘাতত প্ৰাণ হেৰুৱা আব্দুল জহুৰৰ লগত এজোপা তামোল পুলি ৰোৱাৰ বাবে মজিবুৰ ৰহমান নামৰ লোকজনে প্ৰথমে তৰ্কাতৰ্কি লাগে। পৰৱৰ্তী সময়ত মজিবুৰ ৰহমানৰ ভাতৃসকলে আহি আব্দুল জহুৰৰ লগতে তেওঁৰ ডাঙৰ ভাতৃক মাৰপিট কৰে। মাৰপিটত গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয় আব্দুল জহুৰ নামৰ লোকজন। গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত আব্দুল জহুৰক স্থানীয় ৰাইজৰ তৎপৰতাত পৰিয়ালৰ লোকে মৰিগাঁৱৰ এখন ব্যক্তিগত চিকিৎসালয়ত ভৰ্তি কৰা। চিকিৎসাধীন অৱস্থাতে মৃত্যুৰ সৈতে যুঁজি অৱশেষত যোৱা ১৮ অক্টোবৰত নিশা শেষ নিশ্বাস ত্যাগ কৰে আব্দুল জহুৰে। মৃত আব্দুল জহুৰৰ পৰিয়ালে লাহৰীঘাট আৰক্ষী থানাত হবিবুৰ ৰহমান, মজিবুৰ ৰহমান, মহিবুৰ ৰহমান আৰু ছৰিফুল ইছলামৰ নামত এজাহাৰ দাখিল কৰে। পৰিয়ালৰ এজাহাৰৰ ভিত্তিত লাহৰীঘাট আৰক্ষীয়ে যোৱা ১৯ অক্টোবৰত হত্যাকাণ্ডটোৰ অভিযুক্ত হবিবুৰ ৰহমান আৰু ছৰিফুল ইছলামক গ্ৰেপ্তাৰ কৰি জেল হাজোতলৈ প্ৰেৰণ কৰে। মজিবুৰ ৰহমান আৰু মহিবুৰ ৰহমান নামৰ দুই অভিযুক্ত বৰ্তমান সময়লৈ পলাতক অৱস্থাত আছে।

# অশ্ৰুসিক্ত বিদায়েৰে বিহালীত দেৱী দুৰ্গাৰ বিসৰ্জন; ৯০ ফুট ৰাৱন দহন

**অসম বাৰ্তা, জিনজিয়া, ২২ অক্টোবৰ ঃ** বিজয়া দশমীৰ দিনা অশ্ৰুসিক্ত বিদায়েৰে বিহালী সমষ্টিৰ বিভিন্ন পূজা মণ্ডপৰ পৰা দেৱী দুৰ্গাৰ প্ৰতিমা বিসৰ্জন কৰা হয়। বিহালী সমষ্টিৰ বৰগাংতো ষষ্ঠীৰ বেদীত প্ৰাণ প্ৰতিষ্ঠা কৰা দেৱী দুৰ্গাক ভক্তসকলে চকুৰ পানীৰে বিদায় দিয়ে। বছৰটোৰ বাবে আহি মা পুনৰ কৈলাসলৈ উভতি যোৱাত শোকাকুল হৈ পৰে ভক্তসকল। বিহালী সমজিলা প্ৰশাসনৰ উদ্যোগত বৰগাং আৰু বুৰৈ নৈত সুশৃংখলিতভাৱে প্ৰতিমা বিসৰ্জনৰ ব্যৱস্থা কৰা হয়। সমজিলাখনৰ মুঠ ৭০খন পূজা উদ্‌যাপন সমিতিয়ে আজি প্ৰতিমা বিসৰ্জন দিয়ে। বিসৰ্জনক কেন্দ্ৰ কৰি আৰক্ষী আৰু প্ৰশাসনৰ কটকটীয়া নিৰাপত্তা ব্যৱস্থা গ্ৰহণ কৰা হয়। ইফালে প্ৰতিমা বিসৰ্জনৰ অন্তত বিহালীত অনুষ্ঠিত হয় পৰম্পৰাগত ৰাৱন বধ অনুষ্ঠান। প্ৰায় ৯০ ফুট উচ্চতাৰ ৰাৱনৰ প্ৰতিমূৰ্তি দহন কৰি অসত্যৰ ওপৰত সত্যৰ বিজয় উদ্‌যাপন কৰে স্থানীয় ৰাইজে। অনুষ্ঠানত শোণিতপুৰ লোকসভা সমষ্টিৰ সাংসদ ৰঞ্জিত দত্ত, জিলা আয়ুক্ত কৰবী শইকীয়া কৰণ, আৰক্ষী অধীক্ষক আছিফ আহমেদ প্ৰমুখ্যে বহু গণ্যমান্য ব্যক্তি উপস্থিত থাকে।

# ৰাৱণ দহনৰ কাৰ্যসূচীৰে সফল সামৰণি দেৰগাঁও কেন্দ্ৰীয় ৰাজহুৱা দুৰ্গোৎসৱৰ

**অসম বাৰ্তা, দেৰগাঁও, ২২ অক্টোবৰ ঃ** দুৰ্গা পূজাৰ মহা ষষ্ঠীৰ পৰা বিজয়া দশমীলৈকে ভক্তি, আনন্দ আৰু আধ্যাত্মিক পৰিৱেশেৰে মুখৰিত হৈ থকা দেৰগাঁও নৰেন শৰ্মাৰ স্মৃতিপথাৰত আজি ৰাৱণ দহনৰ কাৰ্যসূচীৰে সফল সামৰণি পৰে দেৰগাঁও কেন্দ্ৰীয় ৰাজহুৱা দুৰ্গোৎসৱৰ। বিগত বছৰসমূহৰ ধাৰাবাহিকতা অক্ষুণ্ণ ৰাখি এইবাৰো উলহ-মালহেৰে অনুষ্ঠিত কৰা সৰ্বজনীন দুৰ্গোৎসৱৰ অন্তিম দিনা বিজয়া দশমীৰ বিশেষ আকৰ্ষণ আছিল ৰাৱণ দহন কাৰ্যসূচী। এই কাৰ্যসূচী উপভোগ কৰিবলৈ দেৰগাঁৱৰ লগতে দাঁতিকাষৰীয়া বিভিন্ন অঞ্চলৰ পৰা অহা হাজাৰ হাজাৰ লোকৰ সমাগমেৰে নৰেন শৰ্মাৰ স্মৃতিপথাৰ জনসমুদ্ৰত পৰিণত হয়। দেৱী দুৰ্গাৰ বিদায়ৰ বেদনাবিধুৰ মুহূৰ্তৰ মাজতে ৰাৱণ দহনৰ কাৰ্যসূচীয়ে উপস্থিত ৰাইজৰ মাজত বিশেষ উৎসাহৰ সৃষ্টি কৰে। পৰম্পৰাগত এই কাৰ্যসূচীৰ জৰিয়তে অসত্যৰ ওপৰত সত্যৰ, অধৰ্মৰ ওপৰত ধৰ্মৰ আৰু অশুভ শক্তিৰ ওপৰত শুভ শক্তিৰ জয়ৰ বাৰ্তা পুনৰ প্ৰতিফলিত হয়। উল্লেখ্য যে, দেৰগাঁও কেন্দ্ৰীয় ৰাজহুৱা দুৰ্গোৎসৱক কেন্দ্ৰ কৰি বিগত কেইবাদিনো ধৰি নৰেন শৰ্মাৰ স্মৃতিপথাৰত এক উৎসৱমুখৰ পৰিৱেশে বিৰাজ কৰিছিল। বিজয়া দশমীৰ দিনা ৰাৱণ দহনৰ জৰিয়তে এইবাৰৰ দুৰ্গোৎসৱৰ সামৰণি পৰে।

দুৰ্ঘটনা থিতাতে নিহত এজন বাইক আৰোহী

# দেৰগাঁৱত দুৰ্গা পূজাৰ আনন্দৰ মাজতে মৰ্মান্তিক পথ দুৰ্ঘটনা

**অসম বাৰ্তা, দেৰগাঁও, ২২ অক্টোবৰ ঃ** দেৰগাঁৱত বৰ্ণাঢ্য কাৰ্যসূচীৰে চলি থকা দুৰ্গোৎসৱৰ নৱমী পূজাৰ আনন্দ-উল্লাসৰ মাজতে এক ভয়ংকৰ পথ দুৰ্ঘটনাত প্ৰাণ হেৰুৱালে এজন যুৱকে। মঙলবাৰে নিশা প্ৰায় ৯:৩৫ বজাত দেৰগাঁও ৩ নং গেটৰ শিৱ মন্দিৰৰ সন্মুখত সংঘটিত হয় এই মৰ্মান্তিক দুৰ্ঘটনাটো। প্ৰাপ্ত তথ্য অনুসৰি, নেঘেৰিটিঙৰ ফালৰ পৰা দেৰগাঁৱৰ দিশে আহি থকা AS-05-ER-1627 নম্বৰৰ এখন ই-ৰিস্কাক পিছফালৰ পৰা AS-03-AQ-5638 নম্বৰৰ এখন ডমিনাৰ বাইকে প্ৰচণ্ড জোৰে খুন্দা মাৰে। দুৰ্ঘটনাটো ইমানেই ভয়ংকৰ আছিল যে বাইকৰ আৰোহীজন থিতাতে নিহত হয়। নিহত যুৱকজন ঘৰ নেঘেৰিটিং বিলতীয়া গাঁৱৰ প্ৰীতম দাস (২৩) বুলি চিনাক্ত কৰা হৈছে। দুৰ্ঘটনাৰ খবৰ পোৱাৰ লগে লগে দেৰগাঁও থানাৰ যানবাহন শাখাৰ আৰক্ষীৰ দলটো ততাতৈয়াকৈ ঘটনাস্থলীত উপস্থিত হয়। আৰক্ষীয়ে মৃতদেহটো উদ্ধাৰ কৰি মৰোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰে। পূজাৰ আনন্দৰ বতৰত সংঘটিত এই আকস্মিক দুৰ্ঘটনাই সমগ্ৰ দেৰগাঁও অঞ্চলটোত গভীৰ শোকৰ ছাঁ পেলাইছে।

# বৰপেটা জিলাৰ বিভিন্ন প্ৰান্তত শান্তিপূৰ্ণ পৰিৱেশত বিজয়া দশমী উদ্‌যাপন

**অসম বাৰ্তা, কুমুল্লী পাৰা, ২২ অক্টোবৰ ঃ** দুৰ্গা পূজাৰ দশমী উপলক্ষে আজি বৰপেটা জিলাৰ বিভিন্ন চহৰ, বজাৰ আৰু হিন্দু বসতিপ্ৰধান অঞ্চলত ব্যাপক উৎসাহ-উদ্দীপনা পৰিলক্ষিত হয়। জিলাখনৰ হাউলী, বৰপেটা, সৰভোগ, বৰপেটা ৰোড, বজালী, পাটাছাৰকুছি, সৰ্থেবাৰী আৰু পাঠশালাকে ধৰি বিভিন্ন অঞ্চলত ধৰ্মীয় পৰম্পৰা আৰু ভক্তিৰ পৰিৱেশৰ মাজেৰে বিজয়া দশমী উদযাপন কৰা হয়। দুৰ্গা পূজাৰ অন্তিম দিনটোত বিভিন্ন পূজা মণ্ডপত ভক্তসকলৰ সমাগমৰ লগতে পূজা-অৰ্চনা আৰু অন্যান্য ধৰ্মীয় কাৰ্যসূচী অনুষ্ঠিত হয়। সমগ্ৰ অঞ্চলটোতে উৎসৱকেন্দ্ৰিক উছাহ-উদ্দীপনা দেখা যায়। উল্লেখযোগ্য যে, জিলাখনৰ বিভিন্ন প্ৰান্তত উৎসৱৰ পৰিৱেশ শান্তিপূৰ্ণ হৈ থকা পৰিলক্ষিত হয়। হিন্দু ধৰ্মীয় বিশ্বাস অনুসৰি, বিজয়া দশমী হৈছে অশুভ শক্তিৰ ওপৰত শুভ শক্তি, অসত্যৰ ওপৰত সত্য আৰু অন্যায়ৰ ওপৰত ন্যায়ৰ বিজয়ৰ প্ৰতীক। সেয়েহে এই দিনটোৱে কেৱল ধৰ্মীয় আনন্দই নহয়, মানুহৰ জীৱনত সত্য, ন্যায়, সাহস আৰু মানৱীয় মূল্যবোধৰ গুৰুত্বও সোঁৱৰাই দিয়ে। ধৰ্মীয় উৎসৱসমূহে মানুহৰ মাজত পাৰস্পৰিক সন্মান, সহনশীলতা আৰু সম্প্ৰীতিৰ ভাৱ শক্তিশালী কৰাৰো সুযোগ সৃষ্টি কৰে। বিভিন্ন ধৰ্ম, ভাষা আৰু সংস্কৃতিৰ লোকেৰে সমৃদ্ধ বৰপেটা জিলাৰ সামাজিক পৰিৱেশত শান্তিপূৰ্ণভাৱে উৎসৱ উদ্‌যাপনৰ এই ছবি বিশেষ তাৎপৰ্যপূৰ্ণ। সামগ্ৰিকভাৱে, বিজয়া দশমী উপলক্ষে জিলাখনৰ বিভিন্ন অঞ্চলত দেখা পোৱা উৎসাহ-উদ্দীপনা আৰু শান্তিপূৰ্ণ পৰিৱেশে উৎসৱৰ আনন্দময় দিশটো প্ৰতিফলিত কৰিছে। ধৰ্মীয় বিশ্বাসৰ প্ৰতি সন্মান জনোৱাৰ লগতে পাৰস্পৰিক সৌহাৰ্দ্য আৰু সামাজিক সম্প্ৰীতি অটুট ৰখাটোৱেই এনে উৎসৱৰ অন্যতম গুৰুত্বপূৰ্ণ বাৰ্তা।

# লখিমপুৰত ভকেশ্বনেল বাইবেল স্কুলৰ পাঠদান সম্পন্ন

বাইবেল-প্ৰীতি, প্ৰভু যীশুৰ প্ৰতি প্ৰবল আকৰ্ষণ গঢ়ি তোলাৰ প্ৰয়াস

**অসম বাৰ্তা, লীলাবাৰী, ২২ অক্টোবৰ ঃ** খ্ৰীষ্টিয়ান ধৰ্মালম্বী লোকসকলৰ ধৰ্মগ্ৰন্থ বাইবেল-প্ৰীতি, অনুৰাগ তথা প্ৰভু যীশুৰ প্ৰতি প্ৰবল আকৰ্ষণ গঢ়ি তোলাৰ অংশস্বৰূপে লখিমপুৰ জিলাৰ লীলাবাৰীৰ চান্দমাৰী মণ্ডলী প্ৰাংগণত জী ই এল চাৰ্চ লখিমপুৰ পেৰিচৰ অন্তৰ্গত সমূহ মণ্ডলীৰ সহযোগত ১৮ অক্টোবৰৰ পৰা চাৰি দিনীয়াকৈ অনুষ্ঠিত ৪২ সংখ্যক ভকেশ্বনেল বাইবেল স্কুলৰ পাঠদান আজি সামৰণি পৰে। বাইবেলৰ 'প্ৰথম পিতৰ ২ অধ্যায় ৯-১০ পদ'ত উল্লিখিত- "কিন্তু আপোনালোক মনোনীত বংশ, ৰাজকীয় পুৰোহিত সমূহ, পবিত্ৰ জাতি, আৰু ঈশ্বৰৰ নিজ অধিকাৰৰ অৰ্থে এক বিশেষ লোক হৈছে যাতে, যিজনে আপোনালোকক আন্ধাৰৰ পৰা তেওঁৰ আচৰিত পোহৰলৈ আমন্ত্ৰণ কৰিলে, আপোনালোকে যেন তেওঁৰ সদগুণ প্ৰকাশ কৰে। এই কাৰণে আগেয়ে আপোনালোক প্ৰজা নাছিল, কিন্তু এতিয়া ঈশ্বৰৰ প্ৰজা হ'ল; দয়াৰ পাত্ৰ নাছিল, কিন্তু এতিয়া দয়াৰ পাত্ৰ হ'ল।" -শীৰ্ষক মূল বিষয়ক সাৰোগত কৰি বাইবেল শিক্ষাৰ কাৰ্যসূচীটি পৰিচালিত হয়। বৈথেচদা যুৱ সংঘৰ সভাপতি চাৰ্লোচ ধান আৰু প্ৰকাশ হেমৰমৰ যুটীয়া পৌৰোহিত্যত অনুষ্ঠিত মুকলি সভাত তেজপুৰ পেৰিচৰ এভেঞ্জেলিষ্ট জুনুল হালোমানে মুখ্য বক্তা ৰূপে অংশগ্ৰহণ কৰি প্ৰভু যীশুৰ বাণী প্ৰচাৰ কৰে। অনুষ্ঠানটিত বাইবেল স্কুলৰ ছাত্ৰ-ছাত্ৰীসকলে বাইবেল মুখস্থ পদ, নৃত্য-গীত পৰিৱেশন কৰে। অনুষ্ঠানটিত বাইবেল স্কুল পৰিচালনা সমিতিৰ বিষয়ববীয়া, শিক্ষক-শিক্ষয়ত্ৰীৰ লগতে বৈথেচদা শাখা যুৱ সংঘৰ বিষয়ববীয়া, সমূহ মণ্ডলীৰ প্ৰচাৰক, খ্ৰীষ্টিয়ান ঐক্য মঞ্চৰ বিষয়ববীয়াই অতিথি ৰূপে অংশগ্ৰহণ কৰে। উল্লেখ্য যে, ২০২৬ বৰ্ষত ২৭৫ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে ভকেশ্বনেল বাইবেল স্কুলত পাঠগ্ৰহণ কৰা পাঁচটা শ্ৰেণীৰ স্থান প্ৰাপ্ত ছাত্ৰ-ছাত্ৰীক স্মাৰক আৰু বাইবেল প্ৰদান কৰে।

প্ৰায় ৫০ হাজাৰতকৈ অধিক ক্ষতিৰ আশংকা

# নৱমীৰ নিশা আমগুৰি নগৰত অগ্নিকাণ্ড

**অসম বাৰ্তা, চেলেংহাট, ২২ অক্টোবৰ ঃ** দুৰ্গোৎসৱৰ আনন্দ-উল্লাসৰ মাজতে শিৱসাগৰ জিলাৰ আমগুৰি নগৰত মঙলবাৰে নিশা এক অগ্নিকাণ্ড সংঘটিত হয়। আমগুৰি নগৰৰ ২নং ৱাৰ্ডত থকা এখন শাক-পাচলিৰ পাইকাৰী দোকানত নৱমীৰ নিশা প্ৰায় ১২ বজাত জুই লাগে। প্ৰাপ্ত তথ্য মতে, দোকানৰ স্বত্বাধিকাৰী অজিত কুমাৰ দাসে দোকান বন্ধ কৰি ঘৰলৈ ওভতাৰ পিছত পূজা চাবলৈ অহা ৰাইজে দোকানৰ ভিতৰত জুই জ্বলি থকা দেখি লগে লগে অগ্নিনিৰ্বাপক বাহিনী আৰু দোকানৰ স্বত্বাধিকাৰীক খবৰ দিয়ে। খবৰ পাই তাৎক্ষণিকভাৱে অগ্নিনিৰ্বাপক বাহিনী ঘটনাস্থলীত উপস্থিত হৈ জুই নিয়ন্ত্ৰণলৈ কৰে। অগ্নিনিৰ্বাপক বাহিনীৰ তৎপৰতা আৰু ৰাইজৰ সজাগতাৰ বাবে অঞ্চলটো ডাঙৰ বিপদৰ পৰা ৰক্ষা পৰে। অগ্নিকাণ্ডত প্ৰায় পঞ্চাশ হাজাৰ টকাতকৈও অধিক মূল্যৰ শাক-পাচলি আৰু অন্যান্য সামগ্ৰী নষ্ট হোৱা বুলি জনা গৈছে। প্ৰাথমিক তদন্তত চৰ্ট-চাৰ্কিটৰ ফলতে জুইকাণ্ড সংঘটিত হোৱা বুলি সন্দেহ কৰা হৈছে।

# শৰতৰ সন্ধিয়া ঘোঁৰাত অহা দেৱী দুৰ্গা আজি নৌকাৰে গমন

নাজিৰাৰ বশিষ্ঠ গংগা খ্যাত দিখৌ জলধাৰাত অশ্ৰুসিক্ত নয়নেৰে মহিষমৰ্দিনী দেৱী দুৰ্গাক বিদায়

**অসম বাৰ্তা, গেলেকী, ২২ অক্টোবৰ ঃ** ৰাজ্যজুৰি আজি ব্যাপক উৎসাহ-উদ্দীপনা আৰু আধ্যাত্মিক পৰিৱেশৰ মাজেৰে পালিত হৈছে বিজয়া দশমী। ষষ্ঠীত বেলিৰ বৰণীয় বেদীত প্ৰতিষ্ঠা কৰা দেৱী দুৰ্গাই বিজয়া দশমীৰ দিনটোত আজি নৌকাৰে মৰ্ত্যৰ পৰা বিদায় লয়। শাস্ত্ৰীয় বিধান অনুসৰি আজি শৰতৰ এই বেলি লহিওৱা বেলাত ভক্তপ্ৰাণ ৰাইজে অশ্ৰুসিক্ত নয়নেৰে মহিষমৰ্দিনী দেৱী দুৰ্গাক মেলানি মাগে। সমান্তৰালভাৱে ঐতিহাসিক নাজিৰাতো বিজয়া দশমীৰ দিনটোত এক আৱেগিক পৰিৱেশৰ সৃষ্টি হয়। নাজিৰাৰ 'বশিষ্ঠ গংগা' খ্যাত পবিত্ৰ দিখৌ নদীৰ জলধাৰাত আজিপ্ৰাতি জিলাখনৰ বিভিন্ন প্ৰান্তৰ পৰা অহা প্ৰায় অৰ্ধকুৰি মৃণ্ময় মূৰ্তি বিসৰ্জন দিয়া হয়। দেৱী প্ৰতিমাৰ জলমগ্ন বিদায় লগ্নত নদীৰ পাৰত হাজাৰ হাজাৰ ভক্তৰ সমাগম ঘটে। উল্লেখযোগ্য যে, বিগত বৰ্ষসমূহৰ তুলনাত এইবাৰ নাজিৰাত অতিশান্তিপূৰ্ণভাৱে দুৰ্গাপূজাৰ আটাইকেইটা দিন পাৰ হ'বলৈ সক্ষম হয়। পূজাৰ এই সমগ্ৰ সময়ছোৱাত কোনো ধৰণৰ অপ্ৰীতিকৰ পৰিস্থিতিৰ সন্মুখীন হ'বলগীয়া নহ'ল। নাজিৰা মহকুমা প্ৰশাসন তথা আৰক্ষী প্ৰশাসনৰ কঠোৰ আৰু সুন্দৰ আইন-শৃংখলা ব্যৱস্থাৰ বাবেই এইবাৰৰ পূজা অতি সুকলমে সম্পন্ন হোৱা বুলি সচেতন মহলে ভূয়সী প্ৰশংসা কৰিছে।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ | বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com | ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ | ◀◀ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▶▶
◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • • Facebook : \asombarta • • Instagram : \asom_barta •
● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন